# Assam
# Legislative Assembly Debates

DP 678

**OFFICIAL REPORT**

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**VOLUME—1**

**NO.—20**

The 20th April, 1988

Price : Rs. 17.40

# Assam
# Legislative Assembly Debates

OEFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

VOLUME—1

NO.—20

The 20th April, 1988

Price : Rs. 17.40

# CONTENTS

(BUDGET SESSION)
VOLUME- I. NO. 20
Dated the 20th April, 1988


1. Questions & Answers ... .... 1—55
2. Voting on Demands for Grants .... .... 55—116
3. Ruling from the Chair .... 116—118
4. Adjournment .... 118
5. Annexure I, II, III, IV, V .... .... 119—150


—x—

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, April 20, 1988

The House met at 9 A. M. in the Assembly Chamber at Dispur, with Mr. Speaker in the Chair.

## STARRED

## QUESTIONS AND ANSWERS

(To which oral answers were given)

বিষয়ঃ বনাঞ্চল গাওঁ উন্নয়নৰ বাবে চৰকাৰৰ আঁচনি।

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছেঃ

*৩৪১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত এতিয়ালৈকে কিমানখন বনাঞ্চল গাওঁ আছে ?

(খ) বনাঞ্চল্ গাওঁ উন্নয়নৰ বাবে চৰকাৰে কি কি আঁচনি লৈছে ?

(গ) বনাঞ্চল গাওঁ উন্নয়ন আঁচনিৰ অধীনত পশ্চিম কামৰূপ বন সংমণ্ডলত কিমান কাম আগবাঢ়িছে আৰু যদি আগবঢ়া নাই কিয় ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে।

(ক) ৪৫০ খন।

(খ) বন বিভাগৰ পৰা ১৯৮৪-৮৫ চনত বনগাওঁ উন্নয়নমূলক আঁচনি নামৰ এখন আঁচনি হাতত লোৱা হৈছিল।

(গ) বনগাওঁ উন্নয়নমূলক আঁচনিৰ অধীনত পশ্চিম কামৰূপ বনসংমণ্ডলত তলত দিয়া ধৰণে কাম কৰা হৈছে।

| | খোৱা পানী ব্যৱস্থা | মন্তব্য |
|---|---|---|
| ১। | (ক) পকী নাদ ৩৫ গোট | কাৰ্য্যকৰী কৰা হৈছে। |
| | (খ) নলী নাদ ৩১ গোট | ,, ,, ,, |
| ২। | যাতায়তৰ ব্যৱস্থা ২১ কিঃ মিঃ | ,, ,, ,, |
| ৩। | বজাৰ উন্নয়ন ২ গোট | ,, ,, ,, |
| ৪। | গ্ৰাম্য বৈদ্যুতিকৰণ ৪ কিঃ মিঃ | ,, ,, ,, |
| ৫। | স্বাস্থ্যকেন্দ্ৰ ১ গোট | ঘৰ বনোৱা হৈছে। |
| ৬। | পশুপালন চিকিৎসা কেন্দ্ৰ ১ গোট | ,, ,, ,, |
| ৭। | শিক্ষাকেন্দ্ৰ ১ গোট | হস্তান্তৰ কৰা হৈছে। |
| ৮। | গোবৰ গেছ ১ গোট | কাৰ্য্যকৰী কৰা হৈছে। |

| ব্যক্তিগত উন্নয়ন আঁচনি | মন্তব্য |
|---|---|
| ১। গাহৰি পালন ৩০ গোট | বিতৰণ কৰা হৈছে। |
| ২। কুকুৰা পালন ৪৫ গোট | ,, ,, ,, |
| ৩। হালোৱা গৰু ৩০ গোট | ,, ,, ,, |
| ৪। পাট-পলু পালন ৩০ গোট | ,, ,, ,, |
| ৫। কৃষি সজুলি ১০০ গোট | ১ গোট বিতৰণ কৰা হৈছে। |
| ৬। ফল-মূলৰ বাগান ৩০ গোট | কাৰ্য্যকৰী কৰা হৈছে। |
| ৭। হাহঁ পালন ৬০ গোট | ,, ,, ,, |
| ৮। বোৱা-কটা সজুলী ৩০ গোট | ১ গোট বিতৰণ কৰা হৈছে। |
| ৯। মৌ পালন ২০ গোট | বিতাৰণ কৰা হৈছে। |
| ১০। দোকান ৪ গোট | কাৰ্য্যকৰী কৰা হৈছে। |
| ১১। যান্ত্ৰিক হাল ৪ গোট | ১ গোট বিতৰণ কৰা হৈছে। |
| ১২। চিলাই মেচিন ১০০ গোট | ,, ,, ,, ,, |
| ১৩। উল গোঠা মেচিন ২০ গোট | ,, ,, ,, ,, |
| ১৪। ৰেচম শিল্প ৩০ গোট | কাৰ্য্যকৰী কৰা হৈছে। |
| ১৫। মীন পালন ২০ গোট | ,, ,, ,, |
| ১৬। বাহঁ-শিল্প ৫০ গোট | বিতৰণ কৰা হোৱা নাই। |
| ১৭। ছাগলী পালন ২৫ গোট | যোগান ধৰা হোৱা নাই। |

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যিখিনি কৰা হৈছে বুলি জনাইছে সেইখিনি গম পাইছো। কিন্তু এতিয়াও বহুতখিনি কাম কাজ কৰা হোৱা নাই আৰু হেমাহি কৰা হৈছে বুলি তাৰ ৰাইজে জনাইছে। মহিলা সকলৰ কাৰণে কিছুমান সা-সুবিধা গৈছে, কিন্তু তেখেত সকলক দিয়া নাই। তেখেত সকলে বিচৰা স্বত্বেও দিয়া হোৱা নাই। আমি জয়ৰামপুৰৰ ওচৰৰ গাওঁ এখনলৈ গৈছিলো। তাত এখন স্কুলত দেখিবলৈ পাইছিলো তালৈ শিক্ষক নাহে। এই কথাটো দি, আই, ক কৈ অহা হ'ল। তালৈ মানুহ নেযায়। নৈ সাতুৰি পাৰ হৈ আহিব লাগে। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে চৰকাৰৰ উন্নয়নমূলক আচনি আগ বঢ়োৱা হৈছে। কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ বিষয়া সকলে হেমাহি কৰিছে। বস্তু গৈ পাইছে কিন্তু বিতৰণ কৰা নাই। এইটোৰ ব্যৱস্থা লব নে আৰু নাগালেণ্ড বোৰ্ডাৰ অঞ্চলৰ যিবিলাক গাওঁ আছে, সেইবিলাকৰ অসুবিধা বিলাক চোৱাৰ ব্যৱস্থা

কৰিব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ): অধ্যক্ষ মহোদয়, ইয়াৰ লগত বিভিন্ন বিভাগ সংযুক্ত হৈ আছে। সীমাৰ ওচৰত যিবিলাক গাওঁ আছে সেইবিলাকৰ কাৰণে বোৰ্ডাৰ ডেভলাপমেণ্ট বুলি এটা বিভাগ খোলা হৈছে। তাত সুবিধা দিয়া হৈছে আৰু যিবিলাকত হোৱা নাই, সেইবিলাক চোৱা হব।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিছো যে অসমত ৪৫০ খন বনাঞ্চল গাওঁ আছে। বন বিভাগত যি বন নীতি ঘোষনা কৰা হৈছে, আইন সংগতভাবে যিসকলে বনাঞ্চলত বাস কৰিছে তেওঁলোকক ৰাজহ গাওঁ কৰাৰ সিদ্ধান্ত লব নেকি ? সেইবিলাক ৰূপান্তৰিত কৰিব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক মই জনাওঁ যে বনগাওঁ আৰু ৰাজহ গাওঁৰ পাৰ্থক্য আছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ এপ্ৰোভেল লাগিব।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, ১৯৮০ চনৰ আগতে যিবিলাক বনগাওঁ প্ৰতিষ্ঠিত হ'ল সেইবিলাকৰ ক্ষেত্ৰত ৰাজহ গাওঁলৈ ৰূপান্তৰিত কৰিবনেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ): অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে নিশ্চয় জানে যে দৈয়াং আৰু অন্যান্য অঞ্চলত কি হৈ আছে। এইটো কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিষয়।

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৪ চনতে ফৰেষ্টৰ বাবে আঢ়ৈ লাখৰ বেছি টকা দিয়া হৈছিল। সেইটো কি হ'ল তাক মই জানিব বিচাৰিছো। দ্বিতীয়তে ফৰেষ্ট ডিপাৰ্টমেণ্টৰ যি বিল্ডি বনোৱা হৈছিল সেইটো মেডিকেলেও লোৱা নাই আৰু ফৰেষ্ট বিভাগেও লোৱা নাই। বিল্ডিংবোৰ পৰি আছে আৰু নষ্ট হব ধৰিছে। এইক্ষেত্ৰত কি কৰা হব মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ): অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন হব। তেতিয়া গোটেই বিষয়টো চাই জনাব পাৰিম। এনেকুৱা বিভিন্ন সমস্যা হৈছে, সেইটো দূৰ কৰিবৰ কাৰণে প্ৰচেষ্টা হাতত লোৱা হব।

## Re: REPAIRING OF ROAD IN MANCACHAR CONSTITUENCY.

Sri Aminul Islam asked:

*342. Will the Minister, PWD be pleased to state:

(a) Whether flood damage repair grants have been granted to any roads damaged during the last years floods in Mancachar Constituency ?

(b) If yes, the name of the roads and amount sanctioned against each of the roads ?

(c) The total allocation made under F. D. R. head in the State during the year 1987-88.

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বানবিধ্বস্থ মেৰামতি শিতানত সমষ্টি ভিত্তিত কোনো অনুদান দিয়া নহয়।

(খ) গতিকে প্ৰশ্ন নুঠে।

(গ) ৭৯০ লাখ টকা।

তাৰাকিত প্ৰশ্ন নং ৩৪২

শ্ৰীআমিনুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, সমষ্টি ভিত্তিত টকা ঘূৰাই দিয়া কথাটো আচৰিত হৈছে। মোৰ প্ৰশ্ন আছিল মানকাছাৰৰ বান বিধ্বস্ত ৰাস্তাৰ এফ, ডি, আৰ, দিয়া হৈছিল নেকি আৰু যদি হৈছিল সেইটো কি কৰা হৈছে ? মানকাছাৰৰ ৰাস্তা যোৱা বান পানীত ক্ষতিগ্ৰস্ত হৈছিল। এই ৰাস্তা মেৰামতি কৰা হোৱা নাই কিয় ?

শ্ৰীঅতুল চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আচলতে সমষ্টি ভিত্তিত টকা দিয়া নহয়। কাৰণ এটা ৰাস্তা দুটা সমষ্টিৰ মাজেৰে যাব পাৰে। যদি কোনোবা এটা ৰাস্তাত দুই লাখ টকা দিয়া হৈছে, সেই ৰাস্তাটো তিনিটা সমষ্টিৰ মাজেৰে যাব পাৰে। এন, এন, পি, ৰ বাদে সমষ্টি ভিত্তিত ৰাস্তা দিয়া নহয় আৰু টকা দিয়াও নহয়।

শ্ৰীআমিনুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব বিচাৰিছো যে গোৱালপাৰা ডিভিজনৰ অন্তৰ্গত এই ৰাস্তাটো যোৱা বান পানীত ক্ষতিগ্ৰস্ত হৈছিল। সেইটো মেৰামতি নোহোৱাৰ কাৰণ কি ? মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীঅতুল চন্দ্ৰ বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমাৰ যি এফ, ডি, আৰ, ৰ টকা পাব লাগিছিল, কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা টকা বহুত কম পাইছো। আমাৰ ৪০ কোটি টকা বিচৰা হৈছিল, কিন্তু তাৰ ঠাইত ৮ কোটি টকাহে পাইছো। সেই টকাৰে কি কামত আহিব। গতিকে এফ, ডি. আৰ, ত কিছুমান ৰাস্তা

ইনক্লুড কৰিব পৰা নাই। মূঠতে পুঁজিৰ কাৰণে এই ৰাস্তাটো মেৰামতি কৰিব পৰা নাই।

Re : WOODEN BRIDGE OVER THE KHONGRA DARA.

Shri Maziruddin Ahmed asked :

*343. Will the Minister, P. W. D. be pleased to state :

(a) Is the Government aware that the wooden bridge over the "Khongra Dara" on the road leading from N.H.W. 37 at Karbala to Gobindapur is completely broken ?

(b) If so, what measure has been taken to re-construct the said brige ?

শ্ৰীঅতুল চন্দ্ৰ বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ৩৭ নং ৰাষ্ট্ৰীয় পথৰ কৰবালাৰ পৰা গোবিন্দপুৰলৈ যোৱা পথৰ "খঙ্গৰা দাৰা'ৰ কাঠৰ দলংখন গড়কাপ্তানী বিভাগৰ পথৰ ভিতৰত নপৰে।

(খ) প্ৰশ্ন নুঠে।

*Starred Question No. 344 was not called for. However, the written replies deemed to have been laid on the table as follows :—*

বিষয় : তিনিচুকীয়া বন সংমণ্ডলৰ ঘৰ।

শ্ৰীভবেন বৰুৱায়ে সুধিছে :

*৩৪৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) তিনিচুকীয়া বন সংমণ্ডলৰ গুইজান এলেকাৰ ডিব্ৰুনদীৰ দক্ষিণ পাৰে বন বিভাগে এটা পকীঘৰ কেইবা বছৰৰ আগতে নিৰ্মাণ কৰি ব্যৱহাৰ নকৰাকৈ পেলাই ৰখা কথাটো অবগত নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গুইজান এলেকাত এটা পকাঘৰ নিৰ্মাণ কৰা হৈছিল কিন্তু ঘৰটো একেবাৰে ব্যৱহাৰ কৰি নথকা কথাটো সঁচা নহয়।

বিষয় : মৰানত নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

*৩৪৫। মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় আৰু শিৱসাগৰ জিলা মধ্যস্থল মৰানত এটি নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰাটো সত্য নে ?

(খ) যদি সত্য, তেন্তে কেতিয়াৰ পৰা এই কেন্দ্ৰৰ কাম আৰম্ভ হৈছে ?

(গ) এই নিয়োগ বিনিময় কেন্দ্ৰৰ দ্বাৰা শিৱসাগৰ আৰু ডিব্ৰুগড় দুয়োখন জিলাৰ লোক উপকৃত হৈছে নে ?

(ঘ) যদি নহয় তেন্তে কোনখন জিলাৰ লোক উপকৃত হৈছে ?

(ঙ) জনসাধাৰনৰ সুবিধাৰ্থে দুয়োখন জিলাৰ লোক উপকৃত হোৱাৰ বাবে মৰানৰ সমীপৱৰ্ত্তী ঠাইত কেন্দ্ৰটো নিৰ্মান কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, সত্য ।

(খ) ইং ১৯৮৬ চনৰ ২৭ ডিচেম্বৰ তাৰিখৰ পৰা নিয়োগ বিনিময় কেন্দ্ৰটোৱে কাম আৰম্ভ কৰিছে ।

(গ) এই নিয়োগ বিনিময় কেন্দ্ৰৰ দ্বাৰা শিৱসাগৰ আৰু ডিব্ৰুগড় দুয়োখন জিলাৰ লোকে নিয়োগ সেৱাৰ সকলোখিনি সা-সুবিধা লাভ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে ।

(ঘ) প্ৰশ্ন নুঠে ।

(ঙ) যিহেতুকে দুয়োখন জিলাৰ মৰানবাসী আৰু কাষৰীয়া নিবনুৱা যুৱক-যুৱতীয়ে উক্ত নিয়োগ বিনিময় কেন্দ্ৰটোৰ দ্বাৰা সকলোবোৰ সা-সুবিধা পাব পৰা ব্যৱস্থা কৰা হৈছে তেনেস্থলত মৰানৰ সমীপৱৰ্ত্তী ঠাইলৈ উক্ত কেন্দ্ৰটো স্থানান্তৰিত কৰাৰ কথা চৰকাৰে ভৱা নাই ।

শ্ৰীকুসুম্বৰ টাই ৰাই ঃ মাননীয় অধ্যক্ষ মহোদয়, দুয়োখন জিলাৰ যুৱক-যুৱতীয়ে সমানে এই নিয়োগ বিনিময় কেন্দ্ৰৰ পৰা সা-সুবিধা পোৱাৰ দিহা কৰা হৈছে । মই জানিব বিচাৰিছো যে নিয়োগ বিনিময় কেন্দ্ৰ বিলাকৰ একোটা জুৰিচডিকচন থাকে । এইটো কথা সঁচা যে জুৰিচডিকচনে দুখন জিলা সামৰি লব নোৱাৰে । গতিকে মৰানত যিটো নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰা হৈছে এই কেন্দ্ৰটোয়ে দুখন জিলা কেনেকৈ সামৰি লব ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙা ( শ্ৰম মন্ত্ৰী ) ঃ এই নিয়োগ বিনিময় কেন্দ্ৰটোৱে মৰাণ পুলিচ থানাকে ধৰি ডিব্ৰুগড় আৰু শিৱসাগৰ এই দুয়োখন জিলাকে উপকৃত কৰিব । এই নিয়োগ বিনিময় কেন্দ্ৰটোৰ দ্বাৰা মৰাণ থানাকে ধৰি শিৱসাগৰ আৰু ডিব্ৰুগড় এই দুয়োখন জিলাকে উপকৃত কৰিছে ।

শ্ৰীকুমুম্বৰ টাই বাই : মাননীয় অধ্যক্ষ মহোদয়, মৰাণত দিয়াৰ দৰে তুলিয়াজানটো এটা নিয়োগ বিনিময় কেন্দ্ৰ দিয়া হৈছিল। এই কেন্দ্ৰটোৰ জুৰিচডিকচন বঢ়োৱাৰ কথা ভাবিব নোৱাৰিবনেকি ? নহলে নাহৰকটীয়াত এনে কেন্দ্ৰ দিব নোৱাৰিবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰমমন্ত্ৰী) : নাহৰকটীয়াত এনে কেন্দ্ৰ কৰিবলৈ পুঁজিৰ কথা আছে। এতিয়ালৈকে নাহৰকটীয়াত নিয়োগ বিনিময় কেন্দ্ৰ কৰাৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই।

শ্ৰীকুমুম্বৰ টাই বাই : মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ মোৰ এটা প্ৰশ্নোত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে এই অঞ্চলটো সামৰি লোৱা হব। মৰিয়নিয়ে তুখন জিলাৰ সামৰাৰ দৰে এই কেন্দ্ৰটোয়েও এই অঞ্চলটো সামৰি লব লাগে।

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী) : আগতে প্ৰশ্নোত্তৰ যেনেকৈ দিছো তেনেকৈয়ে কৰা হব।

*Starred Question No. 346 was not called for. However, the written replies deemed to have been laid on the Table as follows :*

Re : REVENUE EARNFD FROM JALENGA SAND MOHAL

Sri Digendra Purkayastha asked.

*346. Will the Minister, Forests be pleased to state :

(a) Total revenue earned from Jalenga Sand Mohal during the year 1985-86 and 1986-87 and 1987-88 ?

(b) Whether it is a fact that the said Mohal has been bifurcated ?

(c) If so, whether the bifurcated Mohals have been settled ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৫-৮৬— ২,৬৬,২১০.৫৫ টকা
১৯৮৬-৮৭— ২,২১,০০৬.৮৮ „
১৯৮৭-৮৮— ১,০৫,৯৬৮.০৬ „

(খ) হয়।

(গ) দুয়োটা মহলৰ ভিতৰত এটা মহল সাময়িক ভাবে বন্দৱস্তি দিয়া হৈছে। আনটো মহল বৰ্ত্তমানে বন্দৱস্তি দিয়া হোৱা নাই।

বিষয়ঃ বানপানীত ক্ষতিগ্ৰস্ত হোৱা বাট পথ ও দলং সমূহৰ মেৰামতি।

শ্ৰীগণেশ কুটুমে সুধিছে ঃ

*৩৪৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বান পানীত গহপুৰ বিধান সভা সমষ্টিত কিমান ৰাস্তা আৰু দলং ক্ষতি হ'ল আৰু ক্ষতিৰ পুনৰ মেৰামতিৰ বাবে প্ৰয়োজন কিমান টকাৰ বিপৰীতে এতিয়ালৈকে গড়কাপ্তানী বিভাগে মঞ্জুৰী দিছে ?

(খ) বিশ্বনাথ মহকুমাৰ অন্তৰ্গত চাৰিআলি গড়কাপ্তানী ( পথ ) সংমণ্ডলৰ অধীনত চতিয়া, বিশ্বনাথ, বিহালী আৰু গহপুৰ সমষ্টিৰ কোনো কোনো বান-বিধস্ত পথ পুনৰ মেৰামতিৰ বাবে মঞ্জুৰী দিয়া হৈছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীঅতুল চন্দ্ৰ বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা বানপানীত গহপুৰ সমষ্টিত ক্ষতি হোৱা পথৰ সংখ্যা ১৬ টা দলং ১১ খন আৰু পকাপুল ৪ টা। এই পুলৰ পুনৰ নিৰ্মাণ আৰু মেৰামতিৰ বাবে প্ৰাক্কলিত অংক ৫২'১১ লাখ টকা ধাৰ্য্য কৰা হয়।

সমষ্টি হিচাবে কোনো মঞ্জুৰী দিয়া নহয়। চাৰিআলি সংমণ্ডলত ১৯৮৭-৮৮ চনৰ বাবে ২৬'০০ লাখ টকাৰ অনুদান দিয়া হয়।

(খ) মঞ্জুৰী দিয়া পথৰ তালিকা সংমণ্ডল ভিত্তিত বিধান সভাৰ মেজত ৰখা হৈছে। ( তালিকা অনুবন্ধ—I চাওক )

শ্ৰীগণেশ কুটুম ঃ মাননীয় অধ্যক্ষ মহোদয়, এফ, ডি, আৰ,ৰ কাৰণে এখন তালিকা কৰা হয় আৰু এই তালিকাৰ অন্তভুক্ত ৰাস্তা বিলাকতহে মেৰামতিৰ কাৰণে টকা দিয়া হয়। কিন্তু এইটো কথা কেনেকৈ হব পাৰে যে এফ, ডি, আৰ,ৰ কাৰণে দিয়া টকা পকীকৰণৰ কাৰণে কেনেকৈ ব্যৱহাৰ কৰিব পাৰে। লোহিতমুখৰ প্ৰায় ডেৰ লাখ লোক তাৰ ৰাস্তাটো নোহোৱাৰ কাৰণে যাতায়ত কৰিব পৰা নাই আৰু এই ৰাস্তাটোও অব্যবহৃত হৈ আছে। তেনে ক্ষেত্ৰত সেই ৰাস্তাটোত এফ, ডি, আৰ,ৰ টকা নিদি বেলেগ লিষ্টভুক্ত নোহোৱা ৰাস্তাত পকীকৰণ কৰাৰ কাৰণে টকা কেনেকৈ দিছে।

শ্ৰীঅতুল চন্দ্ৰ বৰা ( গড়কাপ্তানী মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা কালি কৈছোৱেই এফ, ডি, আৰ,ৰ পইচা পকীকৰণত দিব নালাগে। মই মেৰামতি

কৰিব লগা ৰাস্তা পকীকৰণৰ ব্যৱস্থা লৈছো আৰু তেতিয়ালে ৰাস্তা বেছি ভাল হব পাৰে। সেয়ে এতিয়া কৰবাত ১শ কিলোমিটাৰ আৰু কৰবাত ৮শ কিলোমিটাৰ পকীকৰণ কৰা হৈছে। পকীকৰণ কৰিলে ৰাইজে চেটিচফেকচন পায়। শিলগুটি চটিওৱা আদিত আচলতে দুৰ্নীতি হব পাৰে বুলি ভাবো। শ্ৰীকুটুম ডাঙৰীয়াই যিটো কথা কৈছে মই ভিতৰুৱাকৈ গম পাইছো যে মাননীয় সদস্য শ্ৰীৰবীন শইকীয়াই তেখেতৰ সমষ্টিত ব্লেকটপিং কৰিবৰ কাৰণে ১৬ লাখ টকা নিয়া বুলি কৈছে। কিন্তু তেখেতে ১ লাখ টকা নিয়া বুলি কৈছে। মাননীয় সদস্য ৰবীন শইকীয়াই নিজৰ সমষ্টিত এফ, ডি, আৰ, টকাৰে পকীকৰণ কৰিছে। গোটেই বিশ্বনাথ চাৰিআলিৰ বাবে ৫২ লাখ টকাৰ প্ৰাক্কলন কৰা হৈছে। শ্ৰীকুটুমৰ সমষ্টিত দেমেজৰ বাবে ২৬ লাখ টকা নিব লাগে। গহপুৰ সমষ্টিৰ টকা চতিয়া সমষ্টিলৈ আহিছে বুলি ভবা নাই। একেটা দিভিজনতে গোটেই কেইটা কাম কৰিব। মোৰ উত্তৰটো সন্তোষজনক হৈছে বুলি ভাবিছো।

বিষয়ঃ বন বিভাগৰ হাম্মাৰ ব্যৱহাৰ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

*৩৪৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বন বিভাগে যিবোৰ হামাৰ ব্যৱহাৰ কৰে সেই হামাৰবোৰ দিয়া লোৱাৰ কিবা বিভাগীয় নীতি নিয়ম আছে নেকি ?

(খ) যদি আছে নীতি নিয়মবোৰ জনাব নে ?

(গ) এইটো সত্য নেকি যে খাটাং পানীৰ P. T. D. 1-2 হামাৰটো বিষয়াজন বদলি হোৱাৰ এমাহৰ ভিতৰতে পুনৰ সেই একে খণ্ডত দিয়া হ'ল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, বন-সংমণ্ডলত হামাৰ দিয়া লোৱাৰ কিছুমান কাৰ্য্য প্ৰণালী আছে।

(খ) বন বিভাগত বন-পালকৰ পৰা উৰ্দ্ধতম সকলো বন বিষয়াকে আৱশ্যক অনুযায়ী হামাৰ ব্যৱহাৰ কৰিবলৈ দিয়া হয়। উক্ত হামাৰ আৱশ্যক অনুযায়ী ঘূৰায়ো অনা হয়। এই দিয়া লোৱাটো বন-সংমণ্ডল কাৰ্য্যালয়ত নথিভুক্ত কৰা হয় আৰু ঘূৰাই লোৱা হাতুৰিবোৰ সুৰক্ষিত ভাবে ৰখা হয়।

(গ) আংশিক ভাবে সত্য।

শ্ৰীৰামেশ্বৰ ধানোৱাৰঃ পি, টি, ডি, ১-২ হামাৰ কোন বিষয়াই কেতিয়া বন প্ৰাধিকাৰীক দিছিল ? হামাৰ দিয়া সময়ত বন প্ৰাধিকাৰীয়ে নথিখন লিখিছিলে

নে কাৰ্যালয় সহকাৰীয়ে নথিখন লিখিছিল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ): माननীয় সদস্য গৰাকীয়ে উল্লেখ কৰা নম্বৰটো শুদ্ধ নহয়।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ: মুখ্যমন্ত্ৰীৰ (গ) ৰ প্ৰশ্নোত্তৰ আংশিকভাৱে সত্য। মই জানিব পাৰো নে যে পি, টি, ডি, ১-২ হামাৰ বিভাগে লোৱাৰ পিচত খাটাংপানী হামাৰ দিয়া হৈছে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : পি, টি, ডি ১-২ নম্বৰৰ কোনো বিভাগীয় হামাৰ নাই। কিন্তু পি, টি, ডি, সৰু দি ২ নম্বৰৰ এটা হামাৰ আছে। উক্ত হামাৰটো খাটাংপানী ৰেঞ্জ অফিচাৰ বদলি হোৱাৰ ১ মাহৰ ভিতৰত পুনৰ সেই ৰেঞ্জত দিয়া নাছিল। উক্ত হামাৰটো ১ মাহ ২৪ দিনৰ পাচত খাটাংপানীৰ নতুন ৰেঞ্জ অফিচাৰক দিয়া হৈছিল।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ: বন বিভাগৰ আইনমতে এটা হামাৰ এজন বিষয়াই চমজাই দিয়াৰ পিচত চেফকাষ্টডিদিত কিমান দিন থাকিব লাগে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ): বন বিভাগৰ হামাৰ ব্যৱস্থাৰ সম্পৰ্কে অসম ফৰেষ্ট ৰেগুলেচনত ২য় খণ্ডৰ ৩২ নং দফাত নিয়মাৱলী আছে। কিন্তু ব্যৱহাৰৰ বাবে বন বিষয়াক দিওতে আৰু ব্যৱহাৰৰ পিচত বন বিষয়াৰ পৰা ঘূৰাই লওতে কি নীতি বা নিয়ম অনুসৰণ কৰিব লাগে সেই বিষয়ে কোনো নিয়মাৱলী অথবা বিভাগীয় নিৰ্দ্দেশাৱলী লিখিত ভাৱে নাই।

বিষয় ঃ পথ পকীকৰণ

শ্ৰীঅকন চন্দ্ৰ ৰাভায়ে সুধিছে ঃ

*৩৪৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনৰ ভিতৰত তুধনৈ সমষ্টিৰ কিমানটি গড়কাপ্তানী বিভাগৰ পথত পকীকৰণ কৰা হৈছে জনাবনে ?

(খ) ৰংজুলি সাৰাপাৰাৰ পৰা টিপলাইলৈ যোৱা গড়কাপ্তানী পথ, দলং, গিৰিৰ পৰা কুচধোৱা হৈ গোৱালপাৰালৈ যোৱা গড়কাপ্তানী বিভাগৰ পথ কেইটা পকীকৰণ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছেনেকি ?

শ্ৰীঅতুল চন্দ্ৰ বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৬-৮৭ চনত ৪ ( চাৰি ) টা ( ১'৬৪ কিলোমিটাৰ ) আৰু ১৯৮৭-৮৮ চনত ২ ( দুই ) টা ( ১'২৯ কিলোমিটাৰ ) ৰাষ্টাৰ পকীকৰণ কৰা হৈছে।

(খ, গড়কাপ্তানী বিভাগৰ নথিত তেনে কোনো ৰাস্তা নাই। গড়কাপ্তানী বিভাগৰ পথৰ পকীকৰণৰ কাম পৰিকল্পনা শিতানত পোৱা পুঁজি আৰু ৰাস্তাৰ গুৰুত্ব অনুযায়ী হাতত লোৱা হয়।

শ্ৰীঅকন চন্দ্ৰ ৰাভা: ১৯৮৬-৮৭ চনৰ চাৰিটাৰাস্তা আৰু ১৯৮৭-৮৮ চনৰ যি দুটা ৰাস্তা লোৱা হৈছিল নাম কেইটা কব লাগে। 'খ' ৰ প্ৰশ্নোত্তৰত কলে ৰংজুলি সাৰাপাৰাৰ পৰা টিপলাই গড়কাপ্তানী পথ নাই। তাৰোপৰি দৰংগিৰিৰ পৰা কুচধোৱা হৈ গোৱালপাৰালৈ যোৱা গড়কাপ্তানি পথ নাই বুলি কোৱাটোও দুৰ্ভাগ্যজনক কথা। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি চাবনে যে উক্ত পথ দুটা আছে নে নাই? এই পথ দুটা মটৰেবল কৰিবৰ কাৰণে জনোৱা হৈছিল কিন্তু কাৰ্য্যকৰী ব্যৱস্থা লোৱা হোৱা নাই। আজিৰ সদনত উক্ত পথ দুটা গড়কাপ্তানি পথ নহয় বুলি কোৱাত উদ্বেগ প্ৰকাশ কৰিছো।

শ্ৰীঅতুল চন্দ্ৰ বৰা ( গড়কাপ্তানি মন্ত্ৰী ): মই আগতেই কৈছো যে মাননীয় সদস্যই যদি ভুল প্ৰশ্ন কৰে মই শুধৰাই লওঁ। গড়কাপ্তানি বিভাগৰ ৰেজিষ্টাৰত ৰংজুলি সাৰাপাৰাৰ পৰা টিপলাই পথ আৰু দৰংগিৰিৰ পৰা কুচধোৱা হৈ গোৱালপাৰালৈ যোৱা পথ নাই। পথ দুটাৰ আচল নাম হল সাৰাপাৰা টিপলাই ৰড আৰু দৰং গিৰি নন্দেশ্বৰ ৰড। গতিকে শুদ্ধ নামেৰে প্ৰশ্নটো কৰা হলে গড়কাপ্তানী পথ আছে বুলি কলোহেতেন।

শ্ৰীহলিৰাম টেৰাঙ: মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন কৰিব খুজিছো যে এটা ৰাস্তাই যদি কেইবা ঠাইলৈ যোৱা হয়, ধৰক জাগীৰোডলৈও যায়, ডিব্ৰুগড়লৈও যায়, নগাওঁলৈও যায়, নে গুৱাহাটীৰ পৰা যাবনে জাগীৰোডৰ পৰাই যাব সেইটো ভালধৰণে ধৰিব নোৱাৰি। নে ৩৭ নং ৰাস্তা বুলি কয় সেইটো ক্ষেত্ৰত অসুবিধা আছে।

শ্ৰীঅতুল চন্দ্ৰ বৰা ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তাবিলাক বিধায়ক সকলে চিনি পালে বা সম্পূৰ্ণকৈ নাম দিব পাৰিলে বিষয়া সকলৰ সুবিধা হয়। এতিয়া ধৰক গুৱাহাটী, নগাওঁ, ডিব্ৰুগড়ৰ ৰাস্তা বুলি নকৈ ৩৭ নং ৰাষ্ট্ৰীয় পথ বুলি কলে নিৰ্ভুল হব। তেখেত সকলে কৈছে যে পি, ডব্লিউ, ডি ৰাস্তা এটা বুলি কলে আমাৰ ক্ষেত্ৰত অলপ অসুবিধা হয়, কিজানিবা সেইটো ৰাস্তাৰ কথা সোধাই নাই। অন্য ৰাস্তাৰ কথাই কৈছে। ফলত স্পষ্ট উত্তৰ দিয়াত অসুবিধা হয়। তথাপি অনুমানিক সেই ৰাস্তাটো হব বুলি সাধাৰণভাৱে 'ইনফৰমেচন' দিয়ে।

**বিষয় ঃ কলাইগাওঁ হৰিশিঙাৰ ৰাস্তাৰ দলং ।**

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ

*৩৫০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কলাইগাওঁ হৰিশিঙা ৰাস্তাৰ ৩ নং দলংখন আজি কেইবা বছৰ ধৰি বেয়া হৈ থকা কথাটো সচানে ?

শ্ৰীঅতুল চন্দ্ৰ বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) নহয় ।

Shri Binai Khungur Basumatary : Mr. Speaker Sir, the road has been closed for the last 15 year, May I Know when it will be opened.

শ্ৰীঅতুল চন্দ্ৰ বৰা ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, আচলতে মাননীয় বিধায়কজনে সুধিছে যে কলাইগাওঁ হৰিশিঙা ৰাস্তাৰ ৩ নং দলংখন বেয়া হৈ আছে। কিন্তু যিবিলাক দলং বেয়া হৈ আছে সেইবিলাক টকা-পইচাৰ অসুবিধাৰ কাৰণে মেৰামতি কৰিব পৰা নাই, সেইবিলাকৰ হিচাপ নিকাচ ইতিমধ্যে কৰা হৈছে আৰু পুঁজি হলেই তাৰ ব্যৱস্থা লোৱা হব।

**বিষয় ঃ মৰিগাওঁত উদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ ।**

শ্ৰীহৰেন্দ্ৰ বৰাই সুধিছে ঃ

*৩৫১। মাননীয় শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমগ্ৰ মৰিগাওঁ মহকুমাত কোনো ধৰণৰ উদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ নথকা হেতুকে মৰিগাওঁ নগৰত এটা উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমানলৈকে মৰিগাওঁ নগৰত এটা উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰাৰ কোনো প্ৰস্তাৱ নাই ।

শ্ৰীহৰেন্দ্ৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে মৰিগাওঁ মহকুমাত উদ্যোগিক প্ৰশিক্ষণৰ প্ৰতিষ্ঠান স্থাপন কৰাৰ কোনো প্ৰস্তাৱ লোৱা হোৱা নাই। এই ক্ষেত্ৰত কি কি অসুবিধা আছে বা কি কাৰণত লব নোৱাৰে তাক মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক

উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহ জিলা ভিত্তিত কৰে যিহেতু মৰিগাঁৱৰ কথাটো নাহে কিয়নো নগাওঁ জিলাত মৰিগাওঁ অন্তভূ্‌ৰ্ক্ত কাৰণে তাত আই, টি, আই দিয়াৰ কথাটো প্ৰশ্ন নাহে। চৰকাৰৰ তেনেকুৱা কোনো প্ৰস্তাৱ নাই।

শ্ৰীহৰেন্দ্ৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, জনসংখ্যাৰ ওপৰত ভিত্তি কৰি বিশেষকৈ মৰিগাওঁ মহকুমা পিচপৰা অঞ্চল তথা এচ, টি-এচ, চি মানুহ বেচি আছে। গতিকে অহা বিত্তীয় বছৰত মৰিগাৱত আই, টি, আই দিয়াৰ বাবে এনে ধৰণৰ এটি প্ৰস্তাৱ লবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, জিলা ভিত্তিতহে এইটো কৰা হয়। টকা-পইচাৰ অসুবিধাৰ কাৰণে বৰ্ত্তমান যিবিলাক জিলাত এই প্ৰশিক্ষণ কেন্দ্ৰ আছে তাকো সম্পূৰ্ণ কৰিব পৰা নাই। তথাপি এইটো পৰীক্ষা কৰি চোৱা হব।

## Re : SITTING OF THE STANDING LABOUR COMMITTEE

Sri Dileswar Tanti asked :

*352. Will the Minister, Labour and Employment be pleased to state :

(a) When the last sitting of the Standing Labour Committee ( under plantation ) took place ?

(b) What were the items of Agenda of the meeting ?

(c) Will the Minister lay a copy of Proceedings of the meeting before the House ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰম মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১৯৮৭ চনৰ ১১ আগষ্টত স্থায়ী শ্ৰম কমিটিৰ শেষতীয়া বৈঠক অনুষ্ঠিত হৈছিল।

(খ) কাৰ্য্যসূচীৰ প্ৰতিলিপি সদনত পেছ কৰা হ'ল।

(গ) হয়। সমিটিৰ কাৰ্য্যবিৱৰণীৰ প্ৰতিলিপি সদনৰ মজিয়াত পেছ কৰা হ'ল। ( অনুবন্ধ II চাওক )

শ্ৰীদিলেশ্বৰ তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছিল যে ১৯৮৭ চনৰ ১১ আগষ্টত স্থায়ী শ্ৰম কমিটিৰ শেষতীয়া বৈঠক অনুষ্ঠিত হৈছিল। তাত ১৪ টা মান বিষয় অন্তভূ্‌ৰ্ক্ত কৰা হৈছিল আলোচনা কৰাৰ কাৰণে কিন্তু দেখা গৈছে যে প্ৰায়বিলাক আলোচনা বিষয় আধৰুৱা হৈ থাকিব। সেইবিলাক দেখা যায় পৰৱৰ্ত্তী বৈঠকত আলোচনা কৰা হব, পিচত

কৰা হব ইত্যাদি বুলি কৈ আলোচনা শেষ কৰাৰ উদাহৰণ বহুতো আছে। গতিকে ১৪ টা বিষয় তাত কি কি গুৰুত্বপূৰ্ণ বিষয়ে সিদ্ধান্ত লোৱা হল জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা (মন্ত্ৰী): সেই সকলোবিলাক 'প্ৰচিডিংচত' দিয়া আছে।

শ্ৰীদিলেশ্বৰ তাঁতী: মাননীয় অধ্যক্ষ মহোদয়, আজি মই এটা কথা জনাব বিচাৰিছো যে অসম গণ পৰিষদ গঠন হোৱাৰ লগে লগে চাহ বাগানৰ শ্ৰমিক সকলৰ জাতীয় উৎসৱ হিচাপে 'জাকীৰ' 'ঝুমুৰ' পালন কৰাৰ সিদ্ধান্ত ঘোষনা কৰিলে। সেইকাৰণে চাৰকুলাৰ দিয়া হ'ল কিন্তু চাহ বাগান বিলাকত এতিয়ালৈকে পালন কৰা হোৱা নাই। শ্ৰম কমিটিত আলোচনা হোৱা নাই। এই কথাটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এইটো ঘোষনা কৰাৰ পিচত কাৰ্য্য ব্যৱস্থা লোৱা হব। পৰৱৰ্ত্তী বৈঠকত এইটো আলোচনা কৰা হব।

শ্ৰীচিলিভিয়াচ কন্দপান: মাননীয় অধ্যক্ষ মহোদয়, 'ষ্টেনডিং লেবাৰ কমিটি'ৰ এই নীতি নিয়ম মতে বছৰত কেইবাৰ বহুওৱা হয় জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই কমিটি ১৯৮২ চনৰ পৰা মাত্ৰ এবাৰহে বহুওৱা হৈছিল। অৱশ্যে ১৯৮৮ চনৰ পৰা ছুবাৰ পতাৰ ব্যৱস্থা কৰা হৈছে।

Shri Altaf Hussain Majumdar: Honourable Mr. Speaker Sir, I crave the indulgence to ask a few supplementaries and first of all I would like to refer a few points regarding the replies of the honourable Labour Minister. It appears from the proceedings of the meeting that there are large number of dispensaries in the garden areas which are going without doctors. Apart from the proceedings we have also got our own knowledge that many gardens are going without doctors. So, what the honourable Minister is going to do in this respect and what penal action Government is going to take against the offending tea estate owners. My Second question is about the electricity. There was also

discussion but there was no conclusive discussion IN THE STANDING LABOUR COMMITTEE and there is no decision. The labour people are agitating for all these years. Now-a-days electricity is no longer a luxury, it is essential of daily life. Will the Minister if neceesary get the sitting of the Standing Labour Committee again to have a clear-cut decision that no garden management can object to electricity connection to the houses of the labourers ? My third supplementary is that the garden management are not supplying water in the true sense of the terms. Just in only one or two connections are there in a Labour hne. long Labour lines are without connection. I have been raising this point repeatedly before the House and the Honourable Minister came up with a reply that Water supply is there. So, will the Minister kindly see within a reasonable time that the garden authorities allow clectric connection to Labourers. House and comply with these minimum requirements for the welfare and benefit of the labourers ?

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰথম প্ৰশ্নটো হ'ল চাহ বাগিছাৰ ডিচপেনচাৰী বিলাকত ডাক্তৰ, নাৰ্চ, কম্পাউণ্ডাৰৰ অভাবৰ কথা। বাগিছাৰ আইনমতে মালিকসকলে সময়মতে বাতৰি কাকতত জাননি দিয়ে যে ডাক্তৰ, নাৰ্চ, কম্পাউণ্ডাৰ ডিচপেনচাৰী বিলাকত লাগে। কিন্তু বাগিছাত যদি তেওঁলোকে চাকৰি কৰিবলৈ নাযায় তেওঁলোকৰো উপায় নোহোৱা হৈছে। এই বিষয়টো লৈ চৰকাৰো চিন্তিত।

২য়তে ইলেকট্ৰিচিটিৰ কথা কৈছে। এইখিনিতে মই কওঁ চাহ বাগিছাৰ যিটো স্থায়ী সমিতি আছে, সেইখন এখন উপদেষ্টা সমিতিহে। এইবোৰ সমিতিত যিবিলাক কথা আলোচনা কৰা হয় সেইবিলাক আইনমতে নহয়। তাৰোওপৰি প্লেনটেচন লেবাৰ এক্টত ইলেকট্ৰিচিটিৰ কথা নাই। চাহ বাগিছা সমূহত কোনোবাই যদি ইলেকট্ৰিচিটি লব বিছাৰে তাৰ মেনেজমেণ্টে কোনো প্ৰকাৰৰ বাধা দিব নোৱাৰে। যদি কোনো মেনেজমেণ্টে বাধা দিয়ে তেতিয়াহলে তাৰ

আমি ব্যৱস্থা লব পাৰিম।

তৃতীয়তে পানীৰ ব্যৱস্থা। এনেকুৱা বহুত ঠাই আছে যত দমকল, নলী নাদ বহুৱাইও পানী পোৱা নাযায়। সদনৰ মজিয়াত আমাৰ জনস্বাস্থ্য বিভাগৰ মন্ত্ৰী আছেই। তেওঁৰ বাবদ আমি খোৱা পানীৰ বিষয়টো আলোচনা কৰিব পাৰিম। माननीय সদস্য গৰাকীয়ে কৰা প্ৰশ্নৰ উত্তৰত এইখিনিয়েই মোৰ কৰলগীয়া।

*Starred Question No: 353 was not called for. However, the written replies deemed to have been laid on the Table as follows :*

**Re : AMOUNT ALLOTTED FOR GOSSAIGAON AND KACHUGAON:**

Shri Mithius Tudu asked :

*353. Will the Minister, P.W.D. be pleased to State :

(a) The amount allocated for the following items for Kokrajhar District for the year 1986-87 and 1987-88 ?

1. Minimum Needs Programme.
2. Improvement of few standard roads.
3. R. C. C. Bridges.
4. Metalling and Blacktopping.
5. New Roads.
6. Annual Repairs.
7. Flood Damage repairs.
8. Emergent Works.

(b) The amount of allocation for Gossaigaon and Kachugaon P. W. D. Sub-Divisions on the above items ?

শ্ৰীঅতুল চন্দ্ৰ বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কোকৰাঝাৰ জিলাৰ বাবে আবণ্টন কৰা ধনৰ পৰিমান এনে ধৰণৰ আছিল :

| | | ১৯৮৬-৮৭ | ১৯৮৭-৮৮ |
|---|---|---|---|
| ১) | নূন্যতম চাহিদা আঁচনি | ২৬.৭০ লাখ টকা | ২৪.৮৯১ লাখ টকা |
| ২) | নিম্নমান পথৰ উন্নতিকৰণ | ১১.৯১ লাখ টকা | ৫.২২ লাখ টকা |

| | | | |
|---|---|---|---|
| ৩) | পকী দলং নিৰ্ম্মান | ২১.২৫ লাখ টকা | ১০৩.৬৭২ লাখ টকা |
| ৪) | পথ পকীকৰণ | ২৯.২৫ লাখ টকা | ৩৪.২৬ লাখ টকা |
| ৫) | নতুন পথ নিৰ্ম্মান | ২৮.৫০ লাখ টকা | ২৭.০৭৫ লাখ টকা |
| ৬) | বছেৰেকীয়া মেৰামতি | ৮৯.০০ লাখ টকা | ৯০.০০ লাখ টকা |
| ৭) | বানবিধ্বস্ত মেৰামতি | ১৪.৫০ লাখ টকা | ৪৪.২৫ লাখ টকা |
| ৮) | জৰুৰী কাম | — | ১৪.২৯ লাখ টকা |

(খ) গড়কাপ্তানী বিভাগৰ উপসংমণ্ডল ভিত্তিত কোনো ধনৰ আৱণ্টন দিয়া নহয়।

**বিষয় ঃ অসম নাগাল্যেণ্ড সীমাৱৰ্ত্তী পথ সমূহৰ মেৰামতি।**

শ্ৰীবিনোদ গোৱালায়ে সুধিছে ঃ

*৩৫৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম নগালেণ্ড সীমাৱৰ্ত্তী পথ সমূহ তথা দলং সমূহৰ জৰাজীৰ্ণ অৱস্থাৰ বিষয়ে চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত তেন্তে মেৰামতি কৰাৰ কিবা সিদ্ধান্ত লৈছে নে ?

(গ) অসম নগালেণ্ডৰ একমাত্ৰ সীমাৱৰ্ত্তী পথ চিলনীজানৰ পৰা চুঙাজানলৈ পথটোৰ অৱস্থা জৰাজীৰ্ণ হোৱা কথা চৰকাৰৰ অৱগত নে ?

(ঘ) যদি অৱগত তেন্তে পথটো মেৰামতি কৰাৰ কিবা আঁচনি লৈছে নে ?

(ঙ) যদি লোৱা নাই কিয় লোৱা নাই, চৰকাৰে জনাবনে ?

শ্ৰীঅতুল চন্দ্ৰ বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰ অৱগত।

(খ) অনুদান অনুপাতে মেৰামতিৰ কাম হাতত লোৱা হৈছে।

(গ) হয়, অৱগত।

(ঘ) মুঠ ৪১.৮৬ কিঃ মিটাৰৰ ভিতৰত ৩০.৭৬ কিঃ মিঃ পথৰ মেৰামতিৰ বাবে আঁচনি হাতত আছে।

(ঙ) বাকী ১৯.১০ কিলোমিটাৰ পথৰ আঁচনি প্ৰয়োজনীয় ধনৰ অভাৱত লব পৰা হোৱা নাই।

শ্ৰীঅতুল চন্দ্ৰ বৰা ( মন্ত্ৰী ) ঃ মাননীয় সদস্য সকলে প্ৰশ্ন আনিলে সদনত উপস্থিত থাকিব লাগে।

Mr. speaker : Honourable Minister will have to be present in the House because ministers are answerable to the House. Honourable members are to put questions and

they are not answerable.

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, এই ৰাষ্ট্ৰীয় পথটো অতি গুৰুত্বপূৰ্ণ পথ। এই পথটো ১৯৬৯ চনতে মেৰামতি কৰা হৈছিল। তাৰ পাচৰ পৰা মেৰামতি কৰা হোৱা নাই মন্ত্ৰী মহোদয়ে বিশেষ ভাৱে এই ক্ষেত্ৰত ব্যৱস্থা লবনে ?

শ্ৰীঅতুল চন্দ্ৰ বৰা ( মন্ত্ৰী ): ৯ বছৰ ধৰি এইবিলাক কাম হোৱা নাই। এই বছৰৰ ভিতৰত ব্যৱস্থা লোৱা হৈছে। পুঁজিৰ অভাৱত একেলগে লোৱা হোৱা নাই যদিও পৰ্য্যায়ক্ৰমে লৈছে। হবগৈ।

*Starred Quesiton No. 355 was not called for. However the written replies deemed to have been laid on the Table as follaws :*

Re : LETTER OF PRESIDENT, DISTRICT TRIABL SANGHA.

Shri Manilal Gowala asked :

* 355. Will the Minister, Welfare of Plain Tribes and Welfare of Scheduled Castes be pleased to State :

(a) Whether the Government (Chief Minister) was in receipt of a letter No. DTS/KX/G/1/86/70 dated 18th August, 1986 from the President, District Tribal Sangha, Karimganj ?

(b) If so, the action taken so far in the light of the above letter ?

Shri Thaneswar Boro (Minister, Welfare of Plains Tribes etc.) replied :

(a) The relevant records have been searched but the said letter could not be traced out.

(b) Does not arise.

বিষয় : শাৰীৰিক ভাৱে অক্ষম শিক্ষিত নিবনুৱা যুৱক সকলৰ কৰ্ম্ম সংস্থাপনৰ আঁচনি।

শ্ৰীদিলীপ কুমাৰ শইকীয়ায়ে সুধিছে :

*৩৫৬। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত কিমান জন শাৰীৰিক ভাৱে অক্ষম শিক্ষিত নিবনুৱা যুৱক আছে ?

(খ) উক্ত শাৰীৰিক ভাৱে অক্ষম শিক্ষিত নিবনুৱা যুৱক সকলৰ কৰ্ম সংস্থাপনৰ বাবে চৰকাৰে কেনে ধৰণৰ আঁচনি গ্ৰহণ কৰিছে ?

(গ) শাৰীৰিক ভাৱে অক্ষম যুৱক-যুৱতীক প্ৰকৃত শিক্ষিত কৰিবৰ বাবে চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে ?

(ঘ) বিভিন্ন চৰকাৰৰ চাকৰিৰ ক্ষেত্ৰত শাৰীৰিক ভাৱে শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰমমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) শাৰীৰিক ভাৱে অক্ষম শিক্ষিত লোকৰ পৰিসংখ্যা সুকীয়াকৈ যুগুত কৰা নাযায়। ৰাজ্যৰ সমূহ নিয়োগ বিনিময় কেন্দ্ৰত ইং ৩১।১২।৮৭ তাৰিখলৈকে পঞ্জীভুক্ত থকা সকলো প্ৰকাৰৰ ( শিক্ষিত-অশিক্ষিত ) শাৰীৰিক ভাবে অক্ষম লোকৰ সংখ্যা ২৬৬৫ জন।

(খ) কেন্দ্ৰীয় চৰকাৰৰ বিভাগ সমূহত সংৰক্ষিত থকাৰ দৰে অসম চৰকাৰৰো সকলো বিলাক বিভাগতে ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ খালী পদ পূৰণৰ বাবে তিনি শতাংশ পদ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

(গ) শাৰীৰিক ভাৱে অক্ষম লোকক প্ৰশিক্ষণ দিয়াৰ কোনো আঁচনি বৰ্ত্তমানলৈকে শ্ৰম বিভাগে গ্ৰহণ কৰা নাই।

(ঘ) শাৰীৰিক ভাবে অক্ষম লোক সকল যাৱতীয় সাহায্য প্ৰদানৰ বাবে নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকায়ৰ সৈতে সংযোজিত থকা বিশেষ নিয়োগ বিনিময় কেন্দ্ৰৰ ওপৰিও এনে ধৰণৰ লোক সকলৰ নিযুক্তিৰ বিষয়টো চোৱা-চিতা কৰিবৰ বাবে অলপতে যোৰহাটৰ জিলা নিয়োগ বিনিময় কেন্দ্ৰৰ সৈতেও এটি বিশেষ শাখা খোলা হৈছে। ইয়াৰ ওপৰিও তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদ সমূহত এনে ধৰণৰ লোক সকলক নিযুক্তি দিয়াৰ ক্ষেত্ৰত ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ সকলো প্ৰতিষ্ঠানৰ কৰ্ত্তৃপক্ষই যাতে প্ৰয়োজনীয় তালিকা প্ৰস্তুত কৰি সেই অনুসৰি নিযুক্তিৰ ব্যৱস্থা কৰে তাৰ বাবে বিভাগৰ তৰফৰ পৰা যথোচিত কাৰ্য্য ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত শাৰীৰিক ভাৱে কিমান অক্ষমলোক আছে তেখেত সকলৰ পৰিসংখ্যা যুগুত কৰাৰ চেষ্টা কৰিবনে ? দ্বিতীয়তে, মাননীয় মন্ত্ৰী মহোদয়ে যি ২৬৬৫ জন অক্ষম লোকৰ

কথা কলে সেইসকলক পৰ্য্যায়ক্ৰমে নিযুক্তি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে এইবিষয়ে কৈছোৱেই যে, এই বিষয়ে চেষ্টা কৰা হৈছে। ইয়াৰ কাৰণে যোৰহাটত এটা বিশেষ নিয়োগ বিনিময় কেন্দ্ৰীয় শাখা খোলা হৈছে। দ্বিতীয় প্ৰশ্নৰ উত্তৰত কওঁ যে, কেন্দ্ৰীয় চৰকাৰৰ বিভাগ সমূহত সংৰক্ষিত থকাৰদৰে অসম চৰকাৰৰো সকলোবিলাক বিভাগতে ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ খালি পদ পূৰণৰ বাবে তিনি শতাংশ পদ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পতিষ্ঠান সমূহলৈও এই বিষয়ে লিখা হৈছে আৰু তিনি শতাংশ পদ খালি ৰাখিবলৈ অনুৰোধ কৰা হৈছে।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কোৱা তিনি শতাংশটো পাচ শতাংশলৈ বৃদ্ধি কৰাৰ চেষ্টা কৰিবনে ? আৰু লগতে এই লোকসকলৰ কাৰণে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙ্গা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে এই বিষয়ে এতিয়া চিন্তা কৰা নাই।

Re : MICRO WATER SHADE SCHEME FOR THE LUMDING CONSTITUENCY.

Shri Ardhendu Kumar Dey asked :

* 357 Will the Minister, Agriculture be pleased to state.

(a) Whether it is within the knowledge of the Government that Lumding Constituency is within the rain-shadow area ?

(b) If so, will the Government take some Micro Water Shade Schemes for the Lumding Constituency for the benefit of the Agriculturists.

Shri Podmeswar Doley ( Minister of State, Agriculture ) replied :

(a) As per information available, Nagaon District appears to be a medium rainfall area. Specific data for Lumding Constituency is not available.

(b) No such proposal is under consideration of the Government at present.

Dr. Ardhendu Kumar Dey : Mr. Speaker, Sir. I am very sorry that the Government does not know the average rainfall of Lumding. Now, the Government in its Budget Speach so also the Minister for Agriculture has said that this year will be the Agriculture Year. In view of this will the Government take some Micro water Shade schemes for the Lumding Constituency to boost up the agricultural production there ?

Shri Padmeswar Doley ( Minister of State ) : Sir, Micro water shade does not relate to rainfall but it relates to conservation of irrigation. The micro water shade scheme is not applicable in Lumding Constituency.

Dr. Ardhendu Kumar Dey : It is not a fact, Sir. Micro water shade schemes are generally taken in those areas where there are rainshadow areas. When there are rainfall the water get stagnant in canals and tributories and by constructing artificial water tank by the side of the stagnant water the irrigation will be undertaken under the micro water shade schemes. This is the procedure.

Mr. Speaker : What is your Question ?

Dr. Ardhendu Kumar Dey : Whether this scheme will be taken up ? It is very much feasible at Lumding Constituency.

Shri Padmeswar Doley ( Minister of State ) : Sir, this scheme is applicable in case of Rajasthan, etc, places where the rainfaill is very scanty. The scheme is applicable in Kaki under Hojai Subdivision. But it is not applicable in Lumding.

বিষয় ঃ মৰানৈ বেবেজীয়া ৰাজ্যিক চিকিৎসালয় পুনৰ নিৰ্মাণ ।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ

*৩৫৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰনৈ ৰেবেজীয়া ৰাজ্যিক চিকিৎসালয়খনৰ ঘৰ দুৱাৰ, খিৰিকি, বেৰ ইত্যাদি যোৱা দহ বছৰে বছৰেকীয়া পুনৰ নিৰ্মাণ আঁচনিত এবাৰো পুনৰ নিৰ্মাণ নকৰা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে বছৰেকীয়া পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

(গ) যদি লোৱা নাই, কিয় লোৱা নাই আৰু অনুগ্ৰহ কৰি পুনৰ নিৰ্মাণ কৰিবলৈ ব্যৱস্থা লবনে ?

শ্ৰীঅতুল চন্দ্ৰ বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বছেৰেকীয়া পুনৰ নিৰ্মাণ আঁচনি নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) মেৰামতিৰ আঁচনি লোৱাৰ কাৰণে প্ৰাক্কলন খোজা হৈছে।

বিষয় ঃ বনগাওঁ সমূহত জনকল্যাণমূলক আঁচনি।

শ্ৰীফনী টায়েঙে সুধিছে ঃ

*৩৫৯। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বনগাওঁ সমূহত জনকল্যানমূলক আঁচনি বা উন্নয়ন মূলক আঁচনি লোৱা হৈছে নেকি ?

(খ) যদি হৈছে জোনাই মহকুমাৰ বিজয়পুৰ বন গাওঁত ১৯৭৯-৮০ চনতে জনস্বাস্থ্য বিভাগে মঞ্জুৰী দিয়া খোৱা পানী যোগান আঁচনিখন কাৰ্য্যকৰী কৰণত বন বিভাগে হস্তক্ষেপ কৰাতো জানেনে ?

(গ) যদি জানে উক্ত বনগাওঁ সমূহত খোৱা পানী যোগানৰ ব্যৱস্থা কেনেকৈ কৰা হব জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰীয়ে ) উত্তৰ দিছে ঃ

(ক) হয়, বন বিভাগৰ ফালৰ পৰা ১৯৮৪-৮৫ চনত এনে এখন আঁচনি লোৱা হৈছিল।

(খ) যোৱা ১৫-১০-৮৭ তাৰিখে জনস্বাস্থ্য বিভাগে এখন চিঠি যোগে দুবিঘা বনভূমি বিছাৰিছিল। কিন্তু ভাৰত চৰকাৰে প্ৰণয়ণ কৰা ১৯৮০ চনৰ বন সংৰক্ষণ আইনমতে তেনে মাটি হস্তান্তৰত বাধা থকা হেতু, সেই মৰ্ম্মে জন স্বাস্থ্য বিভাগক জনাই দিয়া হয়।

(গ) বন বিভাগৰ হাতত বৰ্ত্তমান খোৱা পানী যোগানৰ তেনে কোনো

আঁচনি নাই।

শ্ৰীফণি টায়েং : মাননীয় অধ্যক্ষ মহোদয়, তাত খোৱা পানী যোগান দিয়াৰ আচনি কৰিবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগত খোৱা পানী যোগান আচনি নাই।

বিষয় : গোলাঘাট সমষ্টিত ভূমি সংৰক্ষন আঁচনি।

শ্ৰীদেবেশ্বৰ বৰায়ে সুধিছে :

*৩৬০। মাননীয় ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰে ভূমি সংৰক্ষনৰ নামত গোলাঘাট জিলাৰ গোলাঘাট সমষ্টিত ভূমি সংৰক্ষনৰ বাবে কিকি আচনি ১৯৮৫ চনৰ পৰা ১৯৮৮ চনলৈকে গ্ৰহণ কৰিছে?

(খ) উক্ত আচনিৰ বাবে কিমান টকাৰ মঞ্জুৰী প্ৰদান কৰিছে?

(গ) যিবোৰ মঞ্জুৰী পোৱা আচনিৰ কাম আৰম্ভ হোৱা নাই তাৰ কাৰণ অনুসন্ধানৰ বাবে কোনো ব্যৱস্থা পোৱা হবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( ভূমি সংৰক্ষন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৫ চনৰ পৰা ১৯৮৮ চনলৈকে অসম চৰকাৰে ভূমি সংৰক্ষনৰ বাবে গোলাঘাট মহকুমাত তলত উল্লেখিত ধৰনৰ আঁচনিৰ কাম কাৰ্য্যকৰি কৰিছে।

১। পথাৰ উন্নয়ন আঁচনি।

২। নদী নিয়ন্ত্ৰন আঁচনি।

৩। সংৰক্ষন বনানীকৰন আঁচনি।

৪। গৃহ নিৰ্ম্মান আৰু উপ-পথ আঁচনি।

(খ) উক্ত আঁচনিৰ বাবে ধাৰ্য্য কৰা চৰকাৰী মঞ্জুৰী প্ৰদান কৰা ধন তলত উল্লেখ কৰা হ'ল।

১। পথাৰ উন্নয়নমূলক আঁচনি ( সাধাৰণ আঁচনি )

| উৎপাদন বছৰ | খৰচৰ খতিয়ান | কামৰ অগ্ৰগতি | মন্তব্য |
|---|---|---|---|
| ১৯৮৪-৮৫ | ১৬,৫৪৬/- | ৩০ হেক্টৰ | — |
| ১৯৮৫-৮৬ | ৩৯,০০০/- | ৪০ হেক্টৰ | উৎপাদন ১টা মেৰামতি। |

| উৎপাদন বছৰ | খৰচৰ খতিয়ান | কামৰ অগ্ৰগতি | মন্তব্য |
|---|---|---|---|
| ১৯৮৬-৮৭ | নাই | নাই | — |
| ১৯৮৭-৮৮ | ৯৪,২০০/- | ১০৫ হেক্টৰ | উৎপাদন ২ টা মেৰামতি। |
| | | | ( জনজাতীয় আঁচনি ) |
| ১৯৮৪-৮৫ | ৬৫,৭১৮/- | ৯০ হেক্টৰ | উৎপাদন ৪ টা মেৰামতি। |
| ১৯৮৫-৮৬ | ১,২৬,৪১৬/- | ১১৬ হেক্টৰ | উৎপাদন ৪ টা মেৰামতি। |
| ১৯৮৬-৮৭ | ৫২,২৫০/- | ৪০ হেক্টৰ | উৎপাদন ৮ টা মেৰামতি। |
| ১৯৮৭-৮৮ | ৭৩,২২৫/- | ৪১ হেক্টৰ | উৎপাদন ১১ টা মেৰামতি। |
| | | | ( অনুসূচিত জাতি আচনি ) |
| ১৯৮৪-৮৫ | ৩৭,৫১৭/- | ৫০ হেক্টৰ | — |
| ১৯৮৫-৮৬ | ৫৩,৪৪৫/- | ৭১ হেক্টৰ | উৎপাদন ৩ টা মেৰামতি। |
| ১৯৮৬-৮৭ | ১২,২০০/- | — | উৎপাদন ৪ টা মেৰামতি। |
| ১৯৮৭-৮৮ | ৪৭,৬৩০/- | ৪৮ হেক্টৰ | উৎপাদন ৪ টা মেৰামতি। |
| | | | ( কেন্দ্ৰীয় সাহাৰ্য্যপ্ৰাপ্ত আচনি ) |
| ১৯৮৪-৮৫ | নাই | — | — |
| ১৯৮৫-৮৬ | নাই | — | — |
| ১৯৮৬-৮৭ | ১৭,০০০/- | ২০ হেক্টৰ | উৎপাদন |
| ১৯৮৭-৮৮ | নাই | — | — |
| ২। নদী নিয়ন্ত্ৰন আঁচনি | | | ( সাধাৰণ আঁচনি ) |
| ১৯৮৪-৮৫ | নাই | — | — |
| ১৯৮৫-৮৬ | নাই | — | — |
| ১৯৮৬-৮৭ | ১,০০,০০০/- | ৩৭৫ কিউবিক মিটাৰ উৎপাদন | |
| ১৯৮৭-৮৮ | ১,৩১,০০০/- | ৫৬০ কিউবিক মিটাৰ ২ টা মেৰামতি | |
| | | | ( জনজাতীয় আঁচনি ) |

| | | | |
|---|---|---|---|
| ১৯৮৪-৮৫ | নাই | — | — |
| ১৯৮৫-৮৬ | নাই | — | — |
| ১৯৮৬-৮৭ | ৪৮,০০০/- | ১৯২ কিউবিক মিটাৰ উৎপাদন | |
| ১৯৮৭-৮৮ | নাই | — | — |

(অনুসূচিত জাতি আঁচনি)

| | | | |
|---|---|---|---|
| ১৯৮৪-৮৫ | নাই | — | — |
| ১৯৮৫-৮৬ | নাই | — | — |
| ১৯৮৬-৮৭ | নাই | — | — |
| ১৯৮৭-৮৮ | নাই | — | — |

৩। সংৰক্ষন বনানীকৰণ আচনি (সাধাৰণ আঁচনি)

| | | | |
|---|---|---|---|
| ১৯৮৪-৮৫ | নাই | — | — |
| ১৯৮৫-৮৬ | ৩২,০০৯/- | ১০ হেক্টৰ | উৎপাদনৰ ১টা ঘৰ মেৰামতি |
| ১৯৮৬-৮৭ | ৫৩,৫৬২/- | ১৪ হেক্টৰ | উৎপাদন ১টা খেৰি ঘৰ |
| | | ১০ হেক্টৰ | নিৰ্ম্মান আৰু মেৰামতি। |
| ১৯৮৭-৮৮ | ৫৫,০০০/- | ১০ হেক্টৰ | উৎপাদন ৩৬ হেক্টৰ মেৰামতি |

(জনজাতীয় আঁচনি)

| | | | |
|---|---|---|---|
| ১৯৮৪-৮৫ | নাই | — | — |
| ১৯৮৫-৮৬ | নাই | — | — |
| ১৯৮৬-৮৭ | ৪২,০৭০/- | ৩৪ হেক্টৰ | উৎপাদন ১ টা খেৰি ঘৰ |
| ১৯৮৭-৮৮ | নাই | — | — |

৪। গৃহ নিৰ্ম্মান আচনি (সাধাৰণ আঁচনি)

| | | | |
|---|---|---|---|
| ১৯৮৪-৮৫ | ২৮,১৭০/- | ১টা | উৎপাদন |
| ১৯৮৫-৮৬ | নাই | — | — |
| ১৯৮৬-৮৭ | ৭১,২৫০/- | ১টা | উৎপাদন |
| ১৯৮৭-৮৮ | ৮,০০০/- | ১টা | বিজুলী বাতি সংযোগ। |

(গ) এতিয়ালৈকে সকলোবোৰ কামৰে মজুৰী পোৱা হৈছে আৰু সেইমতে

সম্পূৰ্ণ কৰা হৈছে গতিকে অনুসন্ধানৰ প্ৰশ্ন নুঠে।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, যিবোৰ মঞ্জুৰ হোৱা আঁচনিৰ কাম আৰম্ভ হোৱা নাই তাৰ কাৰণে অনুসন্ধানৰ কোনো প্ৰশ্ন নুঠে বুলি মাননীয় মন্ত্ৰী মহোদয়ে কৈছে। আমি জনাত ভূমি সংৰক্ষণৰ যিবিলাক আঁচনি লোৱা হৈছে সেইবিলাক ফলপ্ৰসূ হৈ উঠা নাই যাৰ কাৰণে এই বিষয়ে বিধান সভাতো প্ৰশ্ন উঠিছে। গতিকে এইবিলাক কাৰ্য্যক্ষম হৈ উঠিছে নে নাই সেইটো পৰীক্ষা কৰি চাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বিভাগৰ ফালৰ পৰা কাম আৰম্ভ হৈছে বুলি কৈছে আৰু তাৰ ভিত্তিতেই মই কৈছো। যদি মাননীয় সদস্য জনে কোৱাৰ দৰে কাম আৰম্ভ হোৱা নাই তেতিয়াহলে, মই সেইটো চাবলৈ কম।

Re : The quantity of cement allotted by the Government of India.

Shri Muktar Hussain asked :

656. Will the Minister, P. W. D. be pleased to state :

(a) The quantity of cement allotted by Government of India through its agencies line cement corporation of India for the P. W. D projects of Assam from 1980-81 to 1986-87 and the quantity lifted by the Department ?

( Please furnish yearwise breakup of allotment and lifting ).

(b) The total allotment of cement for 1987-88 and the quantity lifted so far ?

( Please furnish cuarter wise figure of allotment and lifting )

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮০-৮১ ৰ পৰা ১৯৮৬-৮৭ চনলৈ প্ৰতি বছৰত চি, চি, আই আদি বিভিন্ন প্ৰতিস্থানৰ যোগে ভাৰত চৰকাৰে কৰা আবণ্টন আৰু বিভাগৰ দ্বাৰা আহৰণ কৰা বিলাতী মাটিৰ হিচাবৰ প্ৰ-পত্ৰ (ক) এখন সংলগ্ন কৰা হ'ল।

(খ) ১৯৮৭-৮৮ চনত তিনিমহীয়া কিস্তিত পোৱা বিলাতী মাটিৰ প্ৰ-পত্ৰ (খ) সংলগ্ন কৰা হ'ল।

(ক)

| বছৰ | চি, চি, আই আদি বিভিন্ন প্ৰতিস্থানৰ যোগেদি ভাৰত চৰকাৰে কৰা আবণ্টন ( মেট্ৰিক টন ) ) | মুঠ আহৰণ ( মেট্ৰিকটন ) |
|---|---|---|
| ১৯৮০-৮১ | ৫২,৮৪৬,০০ | ৩৫,৪৯৬,৭৫ |
| ১৯৮১-৮২ | ৫৩,১৫৩,৫৫ | ৩৩,৯৬১,৮৫ |
| ১৯৮২-৮৩ | ৫৪,৭৩৮,০০ | ৩৯,৭৯৯,৯৫ |
| ১৯৮৩-৮৪ | ৬৪,৩৬৩,৯৯ | ৫৩,১৩১,৫৫ |
| ১৯৮৪-৮৫ | ৪৬.৭৮০,৮৪ | ২৩,৪৫০,৫৯ |
| ১৯৮৫-৮৬ | ৬৫,২৮৭,৩৫ | ৫১,২২০,০০ |
| ১৯৮৬-৮৭ | ৬১,৭৫৬,০০ | ২৪,৩৩৯,৪৫ |

(খ)

| বছৰ-তিনিমাহ | মুঠ আৱণ্টন ( মেট্ৰিকটন ) | মুঠ আহৰ ( মেট্ৰিকটন |
|---|---|---|
| ১৯৮৭-৮৮ | | |
| ১ম তিনিমাহ | ১০,৮০০ | ৮২৫০,৬০ |
| ২য় তিনিমাহ | ৮,৯৩৫ | ৪৬৯৪,০৫ |
| ৩য় তিনিমাহ | ৬,৩৬৫ | ২৫৮৮,৪০ |
| ৪ৰ্থ তিনিমাহ | ৭,০৪৫ | — |

Re : Quantity of Bitumen allotted to Public Works Department.

Shri A. F. Golam Osmani asked :

657. Will the Minister, Public works Department be

pleased to state :

(a) Quantity of Bitumen allotted to Publie works Department in between 1980-81 to 1984-85 and Quantity lifted thereof ?

( Please state allotment and lifting year-wise )

(b) Quantity of Bitumen allotted to the Department in 1985-86, 1986-87 and 1987-88 Quarter-wise and lifted quarter wise ).

(c) Quantity utilized in between 1985-86 to 1987-88 ?

( Please state year-wise )

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

[ ক ]

| বছৰ | আবণ্টনৰ পৰিমান ( মেঃ টন ) | প্ৰাপ্তিৰ পৰিমান ( মেঃ টন ) |
|---|---|---|
| ১৯৮০-৮১ | ১৪,০০০ | ১৩,৬৬০ |
| ১৯৮১-৮২ | ২৪,০০০ | ২০,৯৭৮ |
| ১৯৮২-৮৩ | ২৫,০০০ | ২২,৪৪১ |
| ১৯৮৩-৮৪ | ৪১,০০০ | ৪০,৬৫৫ |
| ১৯৮৪-৮৫ | ৩০,০০০ | ১৬,০২৯ |

(খ)

আলকাতৰা ( Bitumen ) তিনিমহীয়া হিচাবত আবণ্টন কৰা নহয়। ভাৰত চৰকাৰে বছৰেকীয়া হিচাবত হে আবণ্টন কৰে আৰু সেই হিচাবতেই আলকাতৰা আহৰণ কৰা হয়। আবণ্টন আৰু প্ৰাপ্তি এনেধৰণৰ :—

| বছৰ | আবণ্টনৰ পৰিমান (মেঃ টন) | প্ৰাপ্তিৰ পৰিমান (মেঃ টন |
|---|---|---|
| ১৯৮৫—৮৬ | ২০,০০০ | ৩,৮১৪ |
| ১৯৮৬—৮৭ | ১৮,০০০ | ১০,৪২০ |
| ১৯৮৭—৮৮ | ২১,০০০ | ৯,৭১৩ |

(গ) প্ৰাপ্ত আলকাতৰাবোৰ পৰ্য্যায় ক্ৰমে বিভিন্ন কামত সম্পূৰ্ণ ভাবে

ব্যৱহাৰ কৰা হৈছে।

**বিষয় ঃ অভয়াপুৰীৰ পৰা লেংটিছিগা বৰপেটা হৈ গুৱাহাটীলৈ পি, ডব্লিউ, ডি ৰাস্তা নিৰ্ম্মান কৰা ব্যৱস্থা।**

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :

৬৫৮। মাননীয় গড়কাপ্তনী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা আৰু বৰপেটা জিলাৰ চৰচাপৰিৰ ৰাইজে কম সময়ৰ ভিতৰত গুৱাহাটীলৈ আহিবলৈ গোৱালপাৰা জিলাৰ অভয়াপুৰীৰ পৰা লেংটিছিগা বৰপেটা হৈ গুৱাহাটীলৈ পি, ডব্লিউ, ডি ৰাস্তা এটা নিৰ্ম্মান কৰাৰ ব্যৱস্থা কৰিছেনে ?

(খ) যদি কৰিছে, তেন্তে কেতিয়াৰ পৰা এই কাম আৰম্ভ কৰিব ?

(গ) উক্ত ৰাস্তাটো কৰাত চৰকাৰৰ কিমান টকাৰ প্ৰয়োজন হব পাৰে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান বৰপেটাৰ পৰা গুৱাহাটীলৈ হাজো দৌলাশাল হৈ এটি পকী ৰাজিাক পথ আছে। জনীয়া আৰু লেংটিচিঙাৰ মাজৰ পথছোৱা গোটেই বছৰৰ বাবে উপযুক্ত পথ নহয়।

বৰপেটা নাগৰিক সন্থাৰ আবেদনৰ ভিত্তিত ৩১ নং ৰাষ্ট্ৰীয় পথৰ বিভিন্ন পথ উত্তৰ শালমাৰাৰ পৰা অভয়াপুৰী লেংটিচিগা বৰপেটা হৈ গুৱাহাটীলৈ নিৰ্ম্মানৰ বাবে এখন প্ৰাৰম্ভিক প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা হৈছিল কিন্তু কেন্দ্ৰীয় চৰকাৰে সেইটো নাকচ কৰিছে।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰাৰম্ভিক প্ৰকল্প প্ৰতিবেদন মতে এই বিকল্প ৰাষ্ট্ৰীয় পথটো নিৰ্ম্মানত প্ৰায় ৭৯·৩৩ কোটি টকাৰ আৱশ্যক হব।

**বিষয় ঃ উত্তৰ শালমাৰা ৰাখালডুবি N. H. Way ৰ পৰা বৰপেটালৈ দ্বিতীয় বিকল্প পথ নিৰ্ম্মানৰ বাৱস্থা।**

শ্ৰীমকবুল হুচেইনে সুধিছে ঃ

৬৫৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ শালমাৰা, ৰাখালডুবি N. H: Way ৰ পৰা বৰপেটালৈ বিকল্প N. H. Way নিৰ্ম্মাণ কৰাৰ ব্যৱস্থা লব নে ?

(খ) উক্ত ৰাস্তাটো হলে উল্লেখিত ঠাইৰ পৰা গুৱাহাটীলৈ কিমান কিলোমিটাৰ ৰাস্তাৰ দূৰত্ব কমি যাব জনাব নে ?

শ্ৰীঅতুল্য বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে) উত্তৰ দিছে:

(ক) উত্তৰ শালমাৰাৰ পৰা বৰপেটালৈ গুৱাহাটী পৰ্য্যন্ত এটা বিকল্প ৰাষ্ট্ৰীয় পথ নিৰ্ম্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিয়া হৈছিল। প্ৰস্তাৱটো কেন্দ্ৰীয় চৰকাৰে পোনতে অগ্ৰাহ্য কৰে যদিও ইয়াক পুনৰ বিবেচনাৰ কাৰণে ভাৰত চৰকাৰলৈ আকৌ প্ৰেৰণ কৰা হৈছে।

(খ) ৫৩ (তেৱান্ন) কিলোমিটাৰ ৰাস্তা চমু হব।

Re: Rubber Estates in Assam

Shri Nilamoni Das, asked:

660. Will the Chief Minister be pleased to state:

(a) The number of rubber estates so far established in Assam?

(b) What would be estimated production of rubber from those estates at the end of year 1990?

(c) Is there any action programme for developing facilities for utilization of rubber so produced?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ১৯৮৭-৮৮ চনৰলৈকে ১১ (এঘাৰ) খন ৰবৰ বাগিছা স্থাপন কৰা হৈছে।

(খ) ১৯৯০ চনৰ শেষ ভাগত এই বাগিছাবোৰৰ পৰা কেচা ৰবৰ অনুমানিক ৩০০ মেট্ৰিক টন উৎপাদন কৰাৰ আশা কৰা হৈছে।

(গ) স্থানীয় আগ্ৰহী ব্যৱসায়িক সুবিধা দিবৰ বাবে ৰবৰ ভিত্তিক উদ্যোগ গঢ়ি তুলিবলৈ চৰকাৰে কাৰ্য্যকৰী আঁচনি যুগুত কৰিছে।

বিষয়ঃ নখোলা ভকতগাওঁ মৰিগাওঁ পথৰ ওপৰত থকা কাঠৰ দলং।

শ্ৰীমতি দাসে সুধিছেঃ

৬৬১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) নখোলা ভকতগাওঁ মৰিগাওঁ পথৰ ওপৰত থকা কাঠৰ দলং কেইখনৰ বহন ক্ষমতা হ্ৰাস হোৱা কথাটোৰ বিষয়ে চৰকাৰে অৱগত নে?

(খ) যদি অৱগত তাৰ প্ৰতিকাৰৰ কিবা ব্যৱস্থা লোৱা হৈছে নে?

(গ) যদি লৈছে তেন্তে পুনৰ কাঠেৰে নে পকি কৰাৰ ব্যৱস্থা লৈছে?

(ঘ) উক্ত নখোলা ভকতগাওঁ পথৰ ওপৰত থকা দলং কেইখন বিদ্যুত

বৰ্ডৰ অধিক বোজাই কঢ়িওৱা ট্ৰাক চলাচল কৰিব পৰাকৈ বহন ক্ষমতা বঢ়োৱাৰ বাবে অধিক পৰিমাণৰ ধন মঞ্জুৰ কৰা কথা সঁচানে?

(ঙ) যদি সঁচা, ধনৰ পৰিমান কিমান আৰু ইতিমধ্যে সেই ধন দিছে নেকি?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে ) উত্তৰ দিছে :

(ক) নখোলা ভকতগাওঁ মৰিগাওঁ পথৰ কাঠৰ দলং কেইখন যি বহল ক্ষমতাৰ নিমিত্তে নিৰ্ম্মান কৰা হৈছিল সেই ক্ষমতা হ্ৰাস হোৱা নাই।

(খ) সাময়িক মেৰামতিৰ প্ৰয়োজন হলে, সেই মেৰামতিৰ ব্যৱস্থা লোৱা হয়।

(গ) কাঠৰ দলংৰ মেৰামতি পুনৰ কাঠেৰেই কৰা হয়।

(ঘ) বিদ্যুৎ বৰ্ডৰ অধিক বোজাই কঢ়িওৱা ট্ৰাক চলাচল কৰিব পৰাকৈ বহন ক্ষমতা বঢ়োৱাৰ বাবে বিদ্যুত বৰ্ডে ধন মঞ্জুৰী দিছে।

(ঙ) সেই ধন মঞ্জুৰীৰ পৰিমাণ ন লাখ ছয়সত্তৰ হাজাৰ আঠশ টকা বিদ্যুৎ বৰ্ডে ২—৩—৮৮ তাৰিখত বেংক ড্ৰাফট যোগে টকাখিনি জমা দিছে।

**বিষয় ঃ নখোলা ভকতগাওঁ মৰিগাওঁ পথৰ ওপৰত থকা কাঠৰ দলং।**

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে :

৬৬২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ওৰাং অভয়াৰণ্যাই ৰামদাস চাপৰিৰ লগত থকা ৰাজহ গাওঁ বেলশিৰি চাপৰিও নিহলামাৰী গাওঁ বন বিভাগৰ অন্তৰ্গত লোৱা হৈছে নেকি?

(খ) যদি হৈছে উক্ত অভয়াৰণ্যৰ গাওঁৰ ৰাইজক জাননী দিয়া হৈছিলনে আৰু যদি হোৱা নাই কিয়?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, কিছু অংশহে ওৰাং অভয়াৰণ্য অন্তৰ্ভূক্তি কৰাৰ প্ৰস্তাৱ এটা আছে।

(খ) বন আইনৰ নিয়ম অনুসৰি জাননী জাৰী কৰা হৈছিল। বিষয়টো এতিয়াও বন বন্দোৱস্তি বিষয়াৰ ( Forest settlement officer বিচৰাধীন হৈ আছে।

**বিষয় ঃ ডিক্ৰুংনৈৰ ওপৰত Cause wap Bridge.**

শ্ৰীজগত হাজাৰিকায়ে সুধিছে :

৬৬৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ডিক্ৰুং নৈ ওপৰত Cause was bridge দিয়াৰ বাবে বৰ্ত্তমান বছৰত পৰিকল্পনা আছে নে?

(খ) যদি আছে, উক্ত পৰিকল্পনাত কিমান ধন ধাৰ্য্য কৰা হৈছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) নাই।

(খ) প্ৰশ্ন নুঠে।

Re : Number of officers and staff is Labour Community working under the Board of Trustees.

Shri Silvius Condpan asked :

664. Will the Minister, Labour & Employment be pleased to state :

(a) The number of officers and staff belonging to Tea and Ex-Tea garden Labour community working under the Board of Trustees, Assam Tea Plantation provident Fund and Pension Schemes ?

(b) Whether the Board of Trustees has any definite policy to reserve some percentage of vacancies to recruit candidates belonging to Tea and ex-tea garden Labour community of Assam exclusively ?

(c) If not, why ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা : ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ন্যাসৰক্ষা মণ্ডলীৰ কাৰ্য্যালয়ত কাম কৰি থকা চাহ আৰু প্ৰাক্তন চাহ সম্প্ৰদায়ৰ লোকৰ সৰ্ব্বমুঠ সংখ্যা ৭২ জন। এই ৭২ জনৰ ভিতৰত।

বিষয়া মুঠ ১০ জন।

অন্যান্য কৰ্ম্মচাৰী মুঠ ৬২ জন।

(খ) চাহ আৰু প্ৰাক্তন চাহ সম্প্ৰদায়ৰ লোকৰ বিভিন্ন পদত নিযুক্তি সম্বন্ধে ন্যাস ৰক্ষা মণ্ডলীৰ নিজস্ব কোনো নিৰ্দ্দিষ্ট নীতি নাই, কিয়নো অসম চৰকাৰৰ লোক নিযুক্তি আদেশমতে চাহ আৰু প্ৰাক্তন চাহ সম্প্ৰদায়ক বেচি অন্যান্য পিচপৰা জাতি হিচাবে গন্য কৰা হৈছে। ন্যাস ৰক্ষা মণ্ডলীয়ে চাহ আৰু প্ৰাক্তন চাহ সম্প্ৰদায়ৰ বাবে পদ সংৰক্ষণ আৰু নিযুক্তি সম্পৰ্কত অসম চৰকাৰৰ নীতিকে অনুসৰণ কৰে। ন্যাস ৰক্ষা মণ্ডলী অসম চৰকাৰৰ প্ৰশাসনীয়

নিয়ন্ত্ৰণাধীন এক স্বায়ত্বশাসিত অনুষ্ঠান হেতুকে এনে সকলো ক্ষেত্ৰতে অসম চৰকাৰৰ নীতিকে সদায় অনুসৰণ কৰে।

(গ) ওপৰোক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

বিষয় ঃ ডিব্ৰুগড় বন সংমণ্ডলৰ অন্তৰ্গত বালি আৰু শিলৰ মহলৰ আবন্টন।

শ্ৰীকুসুম্বৰ টাইৰাই ( গগৈ )য়ে সুধিছে ঃ

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় বন সংমণ্ডলৰ অন্তৰ্গত কিমানটা বালি আৰু শিলৰ মহল নিবিদা অনুসৰি নতুনকৈ আবন্টন দিয়া হ'ল।

(খ) কিমানজনক পোনপটীয়াকৈ অতিৰিক্ত সময়ৰ বাবে Extension দিয়া হ'ল ?

(গ) ডিব্ৰুগড় বন সংমণ্ডলৰ অন্তৰ্গত জয়পুৰ ( Forest Range ) এলেকাৰ শিল মহলৰপৰা কেইজন আবেদনকাৰীক পোনপটীয়াকৈ শিল উঠাবৰবাবে অনুজ্ঞাপত্ৰ দিয়া হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) ডিব্ৰুগড় বন সংমণ্ডলৰ অন্তৰ্গত ৩ ( তিনি ) টা বালি মহল আৰু ১ ( এটা ) শিলৰ মহল নিবিদা অনুসৰি নতুনকৈ আবন্টন দিয়া হ'ল।

(খ) মুঠ ৫ ( পাঁচ ) জনক অতিৰিক্ত সময়ৰ বাবে দিয়া হ'ল।

(গ) ডিব্ৰুগড় বন সংমণ্ডলৰ অন্তৰ্গত জয়পুৰ ( Forest Range ) এলেকাৰ শিল মহলৰ পৰা পোনপটীয়াকৈ শিল উঠাবৰ বাবে কোনো আবেদনকাৰীক অনুজ্ঞাপত্ৰ দিয়া হোৱা নাই।

বিষয় ঃ সৎনামী সমাজক অন্যান্য পিচপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত।

শ্ৰীগুনীন হাজৰিকায়ে সুধিছে :

*৬৬৬। মাননীয় ভৈয়াম জনজাতি ও পিচপৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসমৰ চাহ ও প্ৰাক্তন চাহ জনজাতিৰ লগতে সদৌ অসম সৎনামী সমাজ কল্যান পৰিষদে জনোৱা দাবী অনুসৰি, এই সম্প্ৰদায়ক অন্যান্য পিচপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত চৰকাৰে লৈছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো ( ভৈয়াম জনজাতি ও পিচপৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

অন্যান্য পিচপৰা শ্ৰেণীত অন্তৰ্ভুক্ত কৰাৰ বাবে সদৌ অসম সংনামী সমাজ কল্যান পৰিষদে জনোৱা দাবী চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Unstared Question No. 667 was disallowed.

Re : NUMBER OF BLACKTOPPING ROAD CONNECTED WITH THE DISTRICT HEAD QUARTER:

Shri Mosiruddin Sheikh asked :

668. Will the Minister, P. W. D. be pleased to state :

(a) The number of blacktopping road connected with the district headquarter town Dhubri ?

(b) Will the Government consider the Dhubri Binnacharra Road for blacktopping in the next financial year ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এটা।

(খ) পৰিকল্পনা শিতানত প্ৰয়োজনীয় পুঁজি পালে পৰ্য্যায়ক্ৰমে পথটো পকা কৰিব পৰা যাব।

Re : NUMBER OF AGRICULTURAL CORPORATION.

Shri Amritlal Basumatary asked :

669. Will the Minister, Agriculture be pleased to state :

(a) The total number of Agricultural Corporations in Assam ?

(b) Whether Government propose to create more such Corporation ?

Shri Padmeswar Doley ( Minister of State Agriculture ) replied :

(a) There are twelve Agricultural Farming Corporations in addition to Assam Seeds Corporation and Assam Agro-Industries Development Corporation.

(b) There is no such proposal at present.

বিষয় ঃ আই, টি, আই কেন্দ্ৰ স্থানান্তৰ

কুমাৰ দীপক দাসে সুধিছে-

৬৭০। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰপেটা আই, টি, আই কেন্দ্ৰটো এই কেন্দ্ৰ কাৰণে ঠিৰাং কৰা ঠাইলৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত আছে নেকি?

(খ) যদি নাই এনে সিদ্ধান্ত সোনকালে লোৱাৰ ব্যৱস্থা লব নেকি?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰমমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা আই, টি, আইটো ইতিমধ্যে নিৰ্ব্বাচিত কৰা ঠাই গনককুছিলৈ স্থানান্তৰিত কৰাৰ বৰ্ত্তমান কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(খ) মাটিৰ দখল চমজি লোৱাৰ পিছত আৰু ভৱন নিৰ্মানৰ বাবে আৱশ্যকীয় ধন মঞ্জুৰী হলেহে স্থানান্তৰৰ সিদ্ধান্ত সোনকালে লোৱা হব।

বিষয় ঃ অঞ্চলী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত গৃহ নিৰ্ম্মান ।

শ্ৰীসুৰেণ স্বৰ্গীয়াৰীয়ে সুধিছে ঃ

৬৭১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰপেটা জিলাৰ অঞ্চলীত প্ৰস্তাৱিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ গৃহসমূহৰ নিৰ্ম্মান কাৰ্য্য লেহেম গতিত চলা কথাটো সঁচানে?

(খ) যদি জানে, কাৰণ কি?

(গ) কিমান দিনৰ ভিতৰত গৃহসমূহৰ নিৰ্ম্মান কাৰ্য্য সমধা কৰা হব?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অঞ্চলী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কাম লেহেম গতিত চলাটো সঁচা।

(খ) ঠিকাদাৰ জনৰ কামৰ গতি হেলেম হোৱাৰ কাৰণে তেখেতৰ ওপৰত বিভাগীয় বিহিত ব্যৱস্থা লোৱা হৈছে।

(গ) চলিত বছৰৰ ভিতৰত কামটো শেষ কৰিব পৰা যাব, যদিহে পুঁজিৰ অভাৱ নহয়।

বিষয় ঃ সামাজিক বনানীকৰণ আঁচনিত টকা খৰচ।

শ্ৰীকুলবাহাদুৰ ছেত্ৰীয়ে সুধিছে ঃ

৬৭২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

যোৱা দুটা বছৰত ৰাজ্যত সামাজিক বনানীকৰণ আঁচনিত মুঠ কিমান টকা খৰচ হ'ল আৰু মুঠ কিমান গছপুলি লগোৱা হ'ল?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

সামাজিক বনানীকৰণ আঁচনিৰ যোৱা দুটা বছৰত হোৱা খৰচৰ তালিকা ঃ-

| আঁচনিৰ নাম | ১৯৮৬—৮৭ খৰচৰ হিচাপ | ১৯৮৭—৮৮ খৰচৰ হিচাব (আনুমানিক) |
|---|---|---|
| (১) সামাজিক বনানীকৰণ (সাধাৰণ) আঁচনি | ৪৮০'৩০৪ লাখ টকা | ৪৪১'৫৭ লাখ টকা |
| (২) জনজাতীয় উন্নয়ন আঁচনি | ১৭৭'২৫ লাখ টকা | ১৮৯'৬৩ লাখ টকা |
| (৩) অনুসূচিত উন্নয়ন আঁচনি | ৫'৩৭ লাখ টকা | ১১৩'৭৭ লাখ টকা |
| (৪) গ্ৰাম্য খৰি যোগান আঁচনি | ১০০'১৮ লাখ টকা | ৯৫'০০ লাখ টকা |
| মুঠ= | ৭৬৩'১০ লাখ টকা= | ৮৩৯'৯৭ লাখ টকা |

মুঠ ৰোপন কৰা

গছপুলিৰ হিচাব= ৩৩৩'১২ লাখ = ২২৫'২৫ লাখ

গছপুলিৰ হিচাব

বিষয় ঃ অসমত নিবনুৱাৰ সংখ্যা আৰু চৰকাৰী ভাটা দিয়াৰ ব্যৱস্থা ।

শ্ৰীশ্বহীদুল ইছলামে সুধিছে ঃ

৬৭৩। মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) শিক্ষিত নিবনুৱা সকলক চৰকাৰী ভাটা দিয়াৰ ব্যৱস্থা আছেনে ?

(খ) উক্ত শিক্ষিত নিবনুৱা সকলক কৰ্ম্মৰত কৰিবলৈ অসম গণ পৰিষদ চৰকাৰে কি আঁচনি লৈছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা (শ্ৰমমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অকল একাংশ নিবনুৱা স্নাতককহে চৰকাৰী সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আছে।

(খ) বিভিন্ন পৰিকল্পনাৰ যোগেদি আৰু স্বনিয়োজন নীতিৰে কৰ্ম্মৰত কৰিবলৈ চেষ্টা কৰা হৈছে। কিন্তু ই ৰাষ্ট্ৰীয় সমস্যা গতিকে ই ৰাষ্ট্ৰীয় ভিত্তিত সমাধান হোৱাতো দৰ্কাৰ।

বিষয় ঃ জনজাতি ছোৱালী হোষ্টেল নিৰ্মান কৰিবৰ বাবে টকা অনুদান।

শ্ৰীৰামেন্দ্ৰ দে, সুধিছে ঃ

৬৭৪। মাননীয় জনজাতি কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কেন্দ্ৰীয় চৰকাৰে ১৯৭৯-৮০ চনতে গুৱাহাটীত কেন্দ্ৰীয় ভাৱে এটা জনজাতি ছোৱালী হোষ্টেল নিৰ্মান কৰিবৰ বাবে ১২ লাখ টকা দিয়াৰ কথাটো চৰকাৰে জানেনে ?

(খ) ১৯৮৩ চনত আৰু ২ (দুই) লাখ টকা অনুদান দিয়াৰ কথাও সচানে ?

(গ) হোষ্টেলটো নিৰ্মান হৈছে নেকি আৰু যদি হৈছে কিমান টকা খৰচ হল ?

(ঘ) কিমান ছাত্ৰ-ছাত্ৰী তাতে থাকিব পাৰে ?

(ঙ) তাত খোৱা পানীৰ ব্যৱস্থা আছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো ( মাননীয় ভৈয়াম জনজাতি কল্যান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে। উক্ত ছোৱালী হোষ্টেলটো অনুসূচীত জাতি আৰু জনজাতি ছাত্ৰীসকলৰ বাবে নিৰ্মানৰ আঁচনি লোৱা হৈছে।

(খ) ১৯৮৩-৮৪ চনত সৰ্বমুঠ ৬.২৫ লাখ টকা উক্ত হোষ্টেলৰ বাবে মঞ্জুৰী দিয়া হৈছে।

(গ) নিৰ্মানৰ কাম বৰ্ত্তমান চলি আছে আৰু বৰ্ত্তমানলৈকে ১৯.৫০ লাখ টকা ব্যয় কৰা হৈছে। অতিৰিক্ত ধন ১৯৮৪-৮৫ চনৰ পৰা ১৯৮৭-৮৮ চনলৈকে মঞ্জুৰী দিয়া হৈছে।

(ঘ) সম্পুৰ্ণ হলে তলৰ স্তৰ ( Ground floor ) ত ৫০ জনী ছোৱালী থাকিব পাৰিব।

(ঙ) নিৰ্মান কাৰ্য্য সম্পূৰ্ণ হলে খোৱাপানীৰ ব্যৱস্থা কৰা হব।

বিষয় ঃ কাজলগাওঁ মুলাগাওঁ ৰাস্তা নিৰ্মান।

শ্ৰীফনী ভূষণ চৌধুৰীয়ে সুধিছে :

৬৭৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাওঁ সমষ্টিৰ কাজলগাওঁ মুলাগাওঁ ৰাষ্টাটো কিমান চনত নিৰ্মান কৰা হৈছিল ?

(খ) ৰাষ্টাটো নিৰ্মানৰ সময়ত কিমানজন মানুহৰ আৰু কিমান পৰিমানৰ মাটি অধিগ্ৰহন কৰিছিল ?

(গ) অধিগ্ৰহন কৰা মাটিৰ ক্ষতিপূৰণ দিয়া হৈছিল নে ?

শ্ৰীঅতুল ৰৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) কোকৰাঝাৰ সংমণ্ডলৰ নথি 'পত্ৰমতে ৰাস্তাটোৰ নিৰ্মান কাৰ্য্য ইং

১৯৬০ চনৰ ভিতৰত সম্পূৰ্ণ হৈছিল।

(খ) কোকৰাঝাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত থকা ভূমি অধিগ্ৰহন প্ৰাক্কলন মতে ১৭৭ জন মানুহৰ পৰা মাটি অধিগ্ৰহন কৰা হৈছিল। উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত অংশৰ কিমান মানুহৰ মাটি অধিগ্ৰহন কৰা হৈছিল নথিপত্ৰ পোৱা হোৱা নাই। ৰাস্তাটোৰ কোকৰাঝাৰ জিলা অংশৰ অধিগ্ৰহন তলত লিখা ধৰনে—

(১) ব্যক্তিগত মাটি—২৭ বিঃ ১ কঃ ১৯ লোচাঃ

(২) চৰকাৰী মাটি—১০৩ বিঃ ১ কঃ ৮ লেচা।

কোকৰাঝাৰ জিলাৰ ব্যক্তি অনুসৰি মাটিৰ তালিকা ইয়াৰ সৈতে গাঠি দিয়া হৈছে। (তালিকা অনুবন্ধ—III চাওক)

(গ) কোকৰাঝাৰ উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা আৰু উত্তৰ শালমাৰা মহকুমাধিপতিৰ কাৰ্য্যালয়ৰ পৰা জনামতে অধিগ্ৰহন কৰা মাটিৰ ক্ষতিপূৰণ দিয়া হোৱা নাই।

বিষয় ঃ চাহ আৰু প্ৰাক্তন চাহ জনজাতি সকললৈ টকা অনুদান।

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে ঃ

৬৭৬। মাননীয় জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

Tea and Ex-Tea Director Board ৰ পৰা চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ লোকলৈ ১৯৮৬-৮৭ চনত কিমান টকা অনুদান হিচাপে দিয়া হৈছে জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

যোৱা ১৯৮৬-৮৭ চনত চাহ আৰু প্ৰাক্তন চাহ জনজাতি লোকলৈ বিভিন্ন কল্যানমূলক আঁচনিৰ জৰিয়তে সৰ্বমুঠ ৪১,৩৫,০০০,০০ টকা অনুদান হিচাপে দিয়া হয়।

Re : Length of kalapani Sadullabari Road.

Shri Aminul Islam asked :

677. Will the Minister, P. W. D. be pleased to state :

(a) The total length of Kalapani Sadullabari road ?

(b) How much length of the road is already comple-

ted and the amount will be required for completion of the remaining portion of the road ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) কালাপানী চড়ুল্লাবাৰী ৰাস্তাৰ মুঠ দৈৰ্ঘ্য ১.৫ কিঃমিঃ।

(খ) নিম্নতম চাহিদা আঁচনিত ( M. N. P. ) ১৯৮৬-৮৭ চনত ইতিমধ্যে ০.৪৩ কিঃ মিঃ ৰাস্তা সম্পূৰ্ণ কৰা হৈছে। বাকী থকা ৰাস্তাৰ বাবে দলং, পুল আৰু শিলগুটি দিয়াকে ধৰি আনুমানিক ৩.৪০ লাখ টকাৰ আৱশ্যক হব।

Re. Length of Machadamized Road Constructed in Goalpara:

Shri Maziruddin Ahmed asked :

678. Will the Minister, P. W. D. be pleased to State :

(a) The Length ( in Km. ) of Machadamized road Constructed in Goalpara District from 1983-84 to 1987-88 (names of the roads be stated) ?

(b) The cost of construction of machadamized road per k. m. as per latest P. W. D. Scheduled rate ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৮৩-৮৪ চনত — ৩.২০ কিলোমিটাৰ
১৯৮৪—৮৫ চনত — ৫.৩৯৬ ,,
১৯৮৫—৮৬ চনত — ৫.৭৫৫ ,,
১৯৮৬—৮৭ চনত — ৭.৩৫৪ ,,

১৯৮৭—৮৮ চনত ৯.৬৯৭ কিলোমিটাৰ ৰাস্তাৰ কাম হাতত লোৱা হৈছে। ৰাস্তাৰ নাম আৰু দৈৰ্ঘ্যসহ এখন তালিকা অনুবন্ধ—iv চাওক।

খ) ৩.৬ মিটাৰ বহল ( Single Lane ) পথ পকীকৰণৰ বাবে গড় হিচাপে প্ৰতি কিলোমিটাৰত প্ৰায় ৪ লাখ টকাৰ দৰ্কাৰ হয়।

Re : Construction of Nidanpur Fakirganj NEC Road.

Shri Maziruddin Ahmed asked :

679. Will the Minister, P. W. D. be pleased to state :

(a) Is it a fact that construction of Nidanpur Fakirganj NEC road under NEC Division of P. W. D. Assam was

taken up in 1984 and completed in 1985 ?

(b) Is it a fact that the road could not be made fit for vehiculr traffic for non-construction of 3 ( three) wooden bridges though sanctioned along with the road ?

(c) The reasons for non-construction of the sanctioned bridges ?

(d) Who are the Contractors entrusted with the construction of the bridges ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) নিদানপুৰ ফকিৰগঞ্জ পথৰ নিৰ্ম্মান কাৰ্য্য ১৯৮৪ চনত আৰম্ভ কৰি ১৯৮৬ চনত শেষ কৰা হৈছিল।

(খ) নহয়। তিনিখন দলং দুখনৰ কাম সম্পূৰ্ণ কৰি আৰু তৃতীয়খনৰ উপপথৰ দলঙৰ কাম শেষ কৰি পথটো যানবাহনৰ বাবে খুলি দিয়া হৈছিল।

(গ) প্ৰশ্ন নুঠে।

(ঘ) দলঙৰ কাম কৰা ঠিকাদাৰ সকলৰ নাম, ঠিকনা আৰু কাৰ্য্যাদেশৰ তাৰিখ যথাক্ৰমে এনেধৰণৰ ঃ

১। শ্ৰীবচ্‌ৰাজ সিংহী পোঃ আৰু গাওঁ মানকাচাৰ, ধুবুৰী- ১০-২-৮৭

২। শ্ৰীপি, কে, আগৰৱালা পোঃ আৰু গাওঁ দুধনৈ, গোৱালপাৰা ১০-২-৮৭

৩। শ্ৰীআৰ, জি, বেবাচিয়া পোং আৰু গাওঁ দুধনৈ, গোৱালপাৰা ১০-২-৮৭

৪। শ্ৰীমতিলাল হৰলালকা পোঃ আৰু গাওঁ মানকাচৰ, ধুবুৰী ১০-২-৮৭

Re: Bad condition road from Matia to Sunlitola.

Shri Maziruddin Ahmed. asked :

680. Will the Minister, P. W. D. be pleased to state.

(a) Whether it is a fact that the road from Matia to Sunlitola under Goalpara P. S. is in a very bad condition ?

(b) If so, will the Government take measures to blacktop this road ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) এই নামৰ কোনো পথ এই বিভাগৰ নথীত নাই।

(খ) প্ৰশ্ন নুঠে।

বিষয় ঃ— ডিগবৈ বন সংমণ্ডলৰ হাবিত চিকাৰীৰ দ্বাৰা নিহত হাতী

শ্ৰীভবেন বৰুৱাই সুধিছে ঃ

৬৮১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ইং ১১-৩-৮৮ তাৰিখে ডিগবৈ বন সংমণ্ডলৰ হাবিত চিকাৰীয়ে চোৰাংভাবে দুটা দঁতাল হাতী মাৰি দাঁত:কইটা কাটি নিব নোৱাৰি দুয়োটা হাতীৰ ডিঙি কাটি নিয়াৰ কথাটো চৰকাৰৰ অৱগত হৈছেনে ?

(খ) যদি অৱগত হৈছে, এই বিষয়ে কি ব্যৱস্থা হাতত লোৱা হৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

( ক ) অৱগত হৈছে।

( খ ) থানাত গোচৰ তৰা হৈছে আৰু তদন্ত চলি আছে।

বিষয় ঃ— মৰাণ পৰিদৰ্শন ভৱনৰ সম্প্ৰসাৰণ।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ

৬৮২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয় জনাবনে ঃ—

(ক) শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ মধ্যস্থলত থকা গড়কাপ্তানী বিভাগৰ মৰান পৰিদৰ্শন ভৱনটি সম্প্ৰসাৰণ কৰাৰ বাবে চৰকাৰে আঁচনি লৈছে নেকি ?

(খ) যদি লৈছে চলিত বিত্তীয় বছৰত সম্প্ৰসাৰণৰ কাম আৰম্ভ হোৱাৰ আশা কৰিব পাৰিনে ?

(গ) যদি লোৱা নাই, দুয়োখন জিলাৰে উপকাৰলৈ লক্ষ্য ৰাখি উক্ত ভৱনটি সম্প্ৰসাৰণৰ ব্যৱস্থা লবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) পুঁজি অনুসৰি বিবেচনা কৰা হব।

বিষয় ঃ— মৰাণ কৃষি বীজ পাম বীজ উৎপাদন ।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ

৬৮৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় জিলাৰ মৰান সমষ্টিৰ অন্তৰ্গত মৰান কৃষি বীজ পামত কি কি বীজ উৎপাদনৰ ব্যৱস্থা আছে ?

(খ) পামখনত কিমান বিঘা মাটি আছে ?

(গ) পামখন পৰিচালনাৰ বাবে কিমান জন কৰ্মচাৰী আছে ?

(ঘ) পামখনৰ পৰা বছৰি চৰকাৰৰ কিমান টকা আয় হয়?

(ঙ) পামখন উন্নয়নৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি?

(চ) যদি লৈছে, কেনে ধৰনৰ ব্যৱস্থা লোৱা হৈছে?

শ্ৰীপদ্মেশ্বৰ দলে (কৃষি বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) মৰান কৃষি বীজ পামত ঘাইকৈ অধিক উৎপাদনক্ষম জাতৰ ধান আৰু সৰিয়হৰ বীজ উৎপাদন কৰাৰ ব্যৱস্থা আছে।

(খ) পামখনত মুঠ ৬০ বিঘা মাটি আছে।

(গ) পামখন পৰিচালনাৰ বাবে এজন কৰ্মচাৰী আছে।

(ঘ) প্ৰাপ্ত তথ্য অনুসৰি পামখনৰ পৰা ১৯৮৫-৮৬ চনত ৫৩৬৩.১২ টকা আৰু ১৯৮৬-৮৭ চনত ৩৩৭৮.৫০ টকা আয় হয়।

(ঙ+চ) পামখনৰ উন্নয়নৰ কাৰণে চাৰিওপিনে কাটা তাৰৰ বেৰ, অগভীৰ নলীনাদ আৰু বীজ ভড়াল সজাৰ আঁচনি আদি লোৱা হৈছে।

Re: Cases Detected by the Forest Department.

Shri Digendra Purkayastha, asked:

684. Will the Chief Minister, be pleased to state:

(a) The total number of cases datected by the Forest Departmeat and the Police Department while extracting sand without valid permit from the Jalenga sand quarry in Cachar district during the year 1987-88.

(b) Is it a fact that sand is being smuggled everyday from the said quarry of Mohal?

(c) If so, what Steps the Government have taken to stop it?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) আৰক্ষী বিভাগৰ জৰিয়তে কোনো গোচৰ ধৰা হোৱা নাই। বন বিভাগৰ জৰিয়তে ৩১ টা বালি চুৰি গোচৰ ধৰা হৈছে।

(খ) বালি দুস্কৃতিকাৰীয়ে চোৰাং ভাবে কেতিয়াবা নিয়ে। কিন্তু প্ৰতিদিনে নহয়।

(গ) চুৰিকাৰ্য্য ধৰা পেলোৱা আৰু বন্ধ কৰাৰ কাৰণে নিৰীক্ষণ চকীত

বন কৰ্ম্মী আৰু গৃহৰক্ষী বাহিনী মকৰল কৰা হৈছে। চুৰিকাৰ্য্য ধৰা পেলোৱাৰ অৰ্থে মাটিছৰিত এটা নতুন পৰীক্ষা চকী বহুৱা হৈছে।

Re: Bridge Over Salgonga.

Shri Digendra Purkaystha asked :

685. Will the Minister, P. W. D. be pleased to state :

(a) Whether it is a fact that the bridge over Salgonga on the Narsingpur Banshkhal road under Silchar P. W. D. Division is unfit for any sort of traffic ?

(b) If so, what steps have so far been taken by the Government for restoring the bridge ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) দলং খনৰ মেৰামতি, লাগতিয়াল পুঁজি পোৱাৰ ওপৰত নিৰ্ভৰ কৰিছে।

Re: Closure of Amaraghat Nagikhal and Mohankhal Road.

Shri Digendra Purkayastha asked :

686. Will the Minister P. W. D. be pleased to State :

(a) Whether it is a fact that the Amraghat Nagabhal and Nagakhal Mohankhal road is closed for any sort of vehicular traffic for the last few years ?

(b) If so, the reasons for the closure of the roads ?

(c) Whether Government will take any step for restoring these roads ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) পথটোৰ অৰ্থ স্থায়ী কাঠৰ দলংবোৰ বানপানীত ক্ষতিগ্ৰস্ত হোৱা বাবে বন্ধ হৈ আছে।

(গ) পৰ্য্যাপ্ত পৰিমাণৰ ধনৰ যোগাৰ হলেই মেৰামতিৰ কাম হাতত লব পৰা হব।

বিষয় ঃ বানপানীত উটি অহা কুণ্ডা জব্দ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৬৮৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৱা বানপানীত উটি অহা কুন্দা ধলাত কোন কোন বিষয়াই কিমান জব্দ কৰিছিল ?

(খ) উক্ত জব্দ কৰা কুন্দা কি পদ্ধতিত বিতৰণ বা মুকলি কৰিছিল ?

(গ) বিতৰণ বা মুকলি কৰিবলৈ বন প্ৰাধিকাৰীয়ে কোনো আদেশ দিছিল নেকি ?

(ঘ) যদি দিছিল আসাম ফৰেষ্ট ৰেগুলেশ্বন চেভেন অফ ১৯৮১ আৰু ইণ্ডিয়া ফৰেষ্ট এক্ট ১৯২৭ ৰ কোন বিধিমতে দিছিল জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধলাত কোনো কুন্দা জব্দ কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ— পুৰণি আই, টি, আই আধুনিকীকৰণ কৰাৰ ব্যৱস্থা

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৫৮৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ পুৰণি আই, টি, আই, বোৰ আধুনিকীকৰণ কৰাৰ কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি ?

(খ) যদি লৈছে, কোন কিখন লৈছে (নাম সহ জনাব) আৰু যোৱা দুই বছৰত উক্ত আধুনিকৰণ কামৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়। লোৱা হৈছে।

(খ) যোৰহাট, গুৱাহাটী, তিনিচুকীয়া, নগাওঁ, শ্ৰীকোনা, বঙ্গাইগাওঁ, ডিফু, তেজপুৰ, বৰপেটা।

যোৱা দুই বছৰত আধুনিকীকৰণৰ বাবে আই, টি, আই, বিলাকত তলত উল্লেখিত টকা ধাৰ্য্য কৰা হৈছে।

১। যোৰহাট —৩৭০০০:০০ টকা

২। গুৱাহাটী —১০৫৩০০০:০০ টকা

৩। তিনিচুকীয়া —১৩২১২৬·০০ টকা

৪। নগাওঁ —১৩৪২৯১·০০ টকা

৫। বঙ্গাইগাওঁ —১২৪৬০৫·০০ টকা

৬। ডিফু —৩৬৪১৭৬·০০ টকা

৭। বৰপেটা —২৩৩৮৪৮·০০ টকা

২০৭৯০৪৬·০০ টকা

বিষয় ঃ মালিক বিহীন সম্পত্তি জব্দ ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৬৮৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডুমডুমা বনসংমণ্ডলৰ প্ৰটেকচন বিষয়াই মালিক বিহীন সম্পত্তি হিচাবে ১৬৭ টা কুন্দা ২।৯।৮৭ তাৰিখে জব্দ কৰিছিল নেকি ?

(খ) যদি কৰিছিল, তেন্তে চৰকাৰী নথিত কোন পৃষ্ঠাত কিমান কুন্দা জব্দ কৰাৰ উল্লেখ আছে ?

(গ) মালিক বিহীন কুন্দাবোৰ লট কৰি বিক্ৰি কৰা হৈছিল নেকি আৰু যদি নাই কৰা তেন্তে বন আইনৰ কোন বিধিমতে কাক দিয়া হল আৰু কিমান ৰাজহ পোৱা হ'ল ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৬৭ টা কুণ্ডা জব্দ কৰা হোৱা নাছিল। জব্দ কৰা কুণ্ডাৰ সংখ্যা হল ৬৪ টা।

(খ) উক্ত নথি পত্ৰবোৰ বহী নং ৩৫২৫১-৩৫২৫৭/৩৫৩, ২।৯।৮৭ তাৰিখত উল্লেখ আছে।

(গ) প্ৰশ্ন নুঠে।

বিষয় ঃ—গড়কাপ্তানী সংমণ্ডলৰ কাৰ্য্যালয় স্থাপনৰ নিয়মাৱলী।

শ্ৰীহৰেন্দ্ৰ বৰাই সুধিছে ঃ-

৬৯০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) এটা গড়কাপ্তানী সংমণ্ডল কাৰ্য্যালয় স্থাপনৰ বাবে কি কি নিয়মাৱলী আছে জনাবনে ?

(খ) সেই নিয়মাৱলীৰ ভিতৰত নগাওঁ পশ্চিম গড়কাপ্তানী সংমণ্ডলটো পৰা নাই নেকি ?

(গ) যদি পৰিছে, তেন্তে সেই কাৰ্য্যালয়টো মৰিগাওঁ মহকুমাৰ সদৰলৈ কিয়

অনা হোৱা নাই জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কামৰ পৰিমান বছৰেকীয়া এক কোটি টকা বা ততোধিক হলেহে এটা সংমণ্ডল কাৰ্য্যালয় স্থাপন কৰাৰ কথা বিবেচনা কৰা হয়। প্ৰশাসনিক আৱশ্যকতা আৰু অন্যান্য আনুসঙ্গিক সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি সংমণ্ডল কাৰ্য্যালয় স্থাপনৰ ঠাই নিদ্ধাৰণ কৰা হয়।

(খ) পৰিছে।

(গ) সংমণ্ডল কাৰ্য্যালয় মহকুমাৰ সদৰ ভিত্তিত স্থাপন কৰা নহয়।

বিষয় :— মৰিগাওঁ মহকুমাত গড়কাপ্তানী বিভাগৰ কলা পৃষ্ট পথ কৰাৰ আঁচনি :

শ্ৰীহৰেন্দ্ৰ বৰায়ে সুধিছে :

৬৯১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মৰিগাওঁ মহকুমাৰ গড়কাপ্তানী বিভাগৰ অধীনত মৰিগাওঁ সমষ্টিত কিমান দৈৰ্ঘ্যৰ কলা পৃষ্ঠ পথ আছে জনাবনে ?

(খ) উক্ত সমষ্টিত ৰাইজৰ সুবিধাৰ্থে অধিক পথ কলা পৃষ্ঠ কাৰৰ আঁচনি লবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মৰিগাওঁ মহকুমাৰ গড়কাপ্তানী বিভাগৰ অন্তৰ্গত মৰিগাওঁ সমষ্টিৰ কলা পৃষ্ঠ পথৰ দৈৰ্য্য মুঠ ২৯.২৭ কিলোমিটাৰ।

(খ) ১৯৮৮-৮৯ বিত্তীয় বছৰত কলা পৃষ্ঠ কৰাৰ আঁচনিৰ শিতানৰ ধন মঞ্জুৰীৰ ওপৰত ভিত্তি কৰি সমানুপাতিক ভাবে মৰিগাওঁ সমষ্টিতো তেনে আঁচনি লোৱাৰ ব্যৱস্থা লোৱা হব।

Re : Ceased and Deceased Members of P. F. of the Gombhira T. E.

Shri Manilal Gowala asked :

692. Will the Minister, Labour be pleased to state :

(a) Whether it is a fact that some of the Ceased and deceased members of P. F. of the Gombhira T. E. ( Karimganj District ) have not yet been paid their P. F. benefit for eight or nine years ?

(b) If so, what are the reasons for non-payment ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰমমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) গুমবিৰা চাহ বাগিছাৰ কামত নথকা মৃত ১৬২ জন সভ্যৰ ভবিষ্যনিধি হিচাব নিষ্পত্তি কৰণৰ বাবে টকাৰ চাহিদা বাগিছাৰ মেনেজাৰৰ পৰা ন্যায় ৰক্ষক মণ্ডলীৰ শিলচৰ সংমণ্ডল কাৰ্য্যালয়ৰ যোগেদি ১৯৮৬ চনৰ জানুৱাৰী মাহত পোৱা হৈছিল। গতিকে আঠ-ন বছৰ ধৰি ভবিষ্যনিধি হিচাব নিষ্পত্তি নকৰাৰ কথা সঁচা নহয়। কৰ্তৃপক্ষই আলোচ্য সভ্য সকলৰ শুদ্ধ হিচাব প্ৰস্তুত কৰি প্ৰাপ্য টকা প্ৰেৰণ কৰা ব্যৱস্থা হাতত লৈছে।

(খ' ওপৰোক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

Re : Divert the Lowairpoa Kanhmun Road.

Shri Manilal Gowala asked :

693. Will the Minister, P. W. D. be pleased to state :

(a) Whether the Government considers to divert the Lowairpoa Kanhmun Road ( taken up by the NEC ) under Karimganj district at the first K. m. ?

(b) If so, the reason for such diversion ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বিবেচনাধীন হৈ আছে।

(খ) লঙ্গাই নদীৰ গড়াখহনীয়াৰ কাৰণে এই পথ ছোৱাৰ বিকল্প পথৰ কথা চিন্তা কৰা হৈছে। সম্পূৰ্ণ জৰীপ আদি হোৱাৰ পিচতহে এই বিষয়ত খাটাং সিদ্ধান্ত লব পৰা হব।

বিষয় ঃ—জোনাই মহকুমাত পথ নিৰ্মাণৰ কামত বন বিভাগৰ হস্তক্ষেপ।

শ্ৰীফনি টায়েংয়ে সুধিছে :

৬৯৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মিলামৰা গড়কাপ্তানী পথ ডিভিজনৰ অধীনত জোনাই মহকুমাত পথ নিৰ্ম্মানৰ কামত বন বিভাগে হস্তক্ষেপ কৰাতো জানেনে ?

(খ) যদি জানে বন বিভাগৰ লগত আলোচনা কৰি পথ নিৰ্ম্মানৰ সু-বন্দোবস্ত কেতিয়া কৰিব ?

(গ) উক্ত অঞ্চলত কিমানটা পথ নিৰ্ম্মানত বন বিভাগৰ দ্বাৰা বাধাগ্ৰস্ত হৈছে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয় জানে।

(গ) ইতিমধ্যে দুটা ৰাস্তাৰ কাম মাটিৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে আৰু মাত্ৰ আন এটা ৰাস্তাৰ কাম বন বিভাগৰ হস্তক্ষেপৰ কাৰণে বন্ধ হৈ আছে। বন বিভাগৰ আৰু গড়কাপ্তানী বিভাগৰ উৰ্দ্ধতম বিষয়াৰ মাজত যুটীয়া বৈঠক এখন অতি সোনকালে পাতি বিষয়টো মীমাংসা কৰা হব।

(ঘ) জোনাই মহকুমাত মুঠতে ৬ টা পথ নিৰ্ম্মানত বন বিভাগৰ দ্বাৰা বাধাগ্ৰস্ত হৈছে।

বিষয়ঃ—জনজাতি অঞ্চলত উপ-আঁচনিৰ দাবী।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছেঃ

৬৯৫। মাননীয় জনজাতি আৰু অনুসূচীত জাতি উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত লোকপিয়ল নোহোৱাৰ পৰিপ্ৰেক্ষিতত যিবোৰ অঞ্চল জনজাতি পৰিপূৰ্ণ তেনে ঠাইবোৰ জনজাতি উপ-আঁচনিৰ অধীনলৈ আঁচনিলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(খ) গোলাঘাট সমষ্টিৰ দৈয়াং অঞ্চলৰ জনজাতি সকলে সমগ্ৰ দৈয়াং অঞ্চল জনজাতি উপ-আঁচনিৰ অধীনলৈ আনিবলৈ যি দাবী জনাইছে সেই বিষয়ে চৰকাৰে কিবা কাৰ্যাকৰী ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

শ্ৰীথানেশ্বৰ বড়ো (জনজাতি আৰু অনুসূচীত জাতি উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) ১৯৭১ চনৰ লোকপিয়ল অনুসৰি ৰাজ্যৰ অধিকাংশ জনজাতিপূৰ্ণ অঞ্চল ইতিমধ্যে জনজাতি উপ-আঁচনিৰ অধীনলৈ অনা হৈছে আৰু অন্যান্য জনজাতি পূৰ্ণ অঞ্চল জনজাতি উপ-আঁচনিৰ অধীনলৈ অনাৰ প্ৰশ্নটো পৰীক্ষা কৰি চাবলৈ এখন ৪ (চাৰি) জনীয়া কমিটি গঠন কৰি দিয়া হৈছে।

(খ) বিষয়টো বৰ্ত্তমান চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

Re. Expenditure for repairing works in Sarbhog P. W D.
Shri A. F. Golam Osmani, asked :

696. Will the Minister P. W. D. be pleased to state:

(a) Total expenditure except M. N. P. made both an original and repair works in Sorbhog P. W. D. (R) Sub-Division of Barpeta district in 1985-86 and 1986-87?.

(b) The schemes on which above expenditure were?

(please name the Schemes blockwise with respective expenditure involved).

(c) Total K. m length road menhadamised in the period ? (Please specify the roads with the respective length of mechadamization).

শ্ৰীঅতুল বৰা, গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে :—

(ক) বিত্তীয় বছৰ অনুসৰি খৰছৰ পৰিমান এনে ধৰণৰ—১৯৮৫-৮৬ মেৰামতিৰ শিতানত ১৭·৩৬ লাখ টকা আৰু মৌলিক কামত ১·৫৩ লাখ টকা। ১৯৮৬-৮৭ মেৰামতিৰ শিতানত ১৭·৪৩ লাখ টকা আৰু মৌলিক কামৰ শিতানত ৫·৪১ লাখ টকা।

(খ) উন্নয়ণ খণ্ড ভিত্তিত কোনো খৰছৰ তালিকা গড়কাপ্তানী বিভাগে নেৰাখে। সংমণ্ডলত মৌলিক আৰু মেৰামতি। কামৰ খৰছৰ তালিকা V চাওক

(গ) উল্লেখিত সময়ৰ মেকাডেমাইল্ড কৰা ৰাস্তাৰ দৈৰ্ঘ্য এনেধৰণৰ ১৯৮৫-৮৬ চনত ১·৩৭ কিঃ মিঃ ৰ ( চকুচকা বজাৰৰ পৰা সৰভোগ কলগাচিয়া পথ -০·৭২ কিঃমিঃ আৰু গোৱৰ্দ্ধনা সাউদৰভিঠা পথ ০·৬৫ কিঃ মিঃ ) ১৯৮৬-৮৭ চনত ০·৪২ কিঃ মিঃ ( গোৱৰ্দ্ধনা-সাউদৰভিঠা পথৰ ১ম আৰু ২য় কিঃ মিঃ )

Re : ASSAM BANGLADESH BORDER.

Shri A. F. Golam Osmani asked :

697. Will the Minister, P. W. D. be pleased to state :

(a) How many kilometer of roads required to be constructed to guard the Assam Bangladesh Border in persuance of the Assam Accord ?

(b) The total length of the fencing to be constructed on the Assam Bangladesh Border ?

(c) The estimated cost of construction both on account of a) Border Roads and b) Border Fencing ?

(d) From which source the cost of construction of both the projects are being met ?

(e) When the construction of road and fencing started

and since then the extent of progress made?

(f) The amount of money allotted and actual expenditure made on both the projects?

শ্ৰীঅতুল বৰা, গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে :

(ক) আনুমানিক ১৬৭ কিলোমিটাৰ।

(খ) আনুমানিক ১৬৬ কিলোমিটাৰ।

(গ) পথ নিৰ্ম্মাণৰ কাৰণে আনুমানিক ১৯'০০ কোটি টকা ( দলংৰ বাদে ) আৰু কাইটীয়া তাৰৰ বেৰ নিৰ্ম্মাণৰ কাৰণে আনুমানিক ২৫'৩০ কোটি টকা দৰকাৰ হব।

(ঘ) ভাৰত চৰকাৰৰ পুঁজিৰ পৰা।

(ঙ) ইং ১৯৮৭ চনৰ এপ্ৰিল মাহৰ পৰা পথ নিৰ্ম্মাণৰ কাম আৰম্ভ কৰা হয়। এতিয়ালৈকে ৩০ কিলোমিটাৰ পথত মাটিৰ কাম হৈছে। কাইটীয়া তাৰৰ বেৰৰ কাম এতিয়ালৈ আৰম্ভ হোৱা নাই।

(চ) বিত্তীয় বছৰ ইং ১৯৮৭-৮৮ চনত ভাৰত চৰকাৰৰ পৰা ২৬৩ লাখ টকা পথ নিৰ্ম্মাণৰ কামত খৰচৰ কাৰণে পোৱা হৈছে। এই টকা সম্পূৰ্ণ খৰছ হৈছে। কাইটীয়া তাৰৰ বেৰ নিৰ্ম্মাণৰ খৰছৰ বাবে কোনো অনুমোদন আজিলৈ পোৱা নাই।

বিষয় ঃ অনুসূচীত জাতি/জনজাতিৰ উন্নয়ন বোৰ্ড গঠন।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :

৬৯৮। মাননীয় অনুসূচীত জাতিৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰত্যেক মহকুমাত অনুসূচীত জাতি অনুসূচীত জনজাতিৰ উন্নয়ন বোৰ্ডৰ বাবে বিধায়কৰ দ্বাৰা অনুমোদন কৰা সদস্যৰ দ্বাৰা অনুসূচীত জাতি/অনুসূচীত জনজাতিৰ উন্নয়ন বোৰ্ডবোৰ গঠন কৰা হল নে?

শ্ৰীথানেশ্বৰ বড়ো ঃ জনজাতি আৰু অনুসূচীত জাতি বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে।

(ক) প্ৰত্যেক মহকুমাত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ উন্নয়ন বোৰ্ডৰ বাবে সংশ্লিষ্ট বিধায়কৰ দ্বাৰা অনুমোদন কৰা সদস্যৰে বোৰ্ড সমূহ গঠন কৰাৰ ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

বিষয় ঃ কৃষি অভিযান্ত্রিক মহাবিদ্যালয় স্থাপনৰ স্থান নিৰূপন।

শ্ৰীনীলমণি দাসে সুধিছে ঃ

৬৯৯ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত স্থাপন কৰিবলগীয়া কৃষি অভিযান্ত্রিক মহাবিদ্যালয়খন কি পৰ্য্যায়ত আছে ?

(খ) উক্ত মহাবিদ্যালয় খনৰ বাবে কোনো স্থান নিৰূপণ কৰা হৈছে নেকি ?

শ্ৰীপদ্মেশ্বৰ দলে ( কৃষি বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ভাৰতীয় কৃষি অনুসন্ধান পৰিষদে ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহত এখন কৃষি অভিযান্ত্রিক মহাবিদ্যালয় স্থাপন কৰাৰ বাবে কাৰিকৰী অনুমোদন জনাইছে।

(খ) উক্ত মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে অদ্যপৰিমিত স্থান নিৰ্ণয় কৰা হোৱা নাই।

Re : PROPOSAL PREPARED FOR ESTABLISHMENT OF COLLEGE OF HORTI CULTURE.

Shri Nilamoni Das asked :

700 Will the Minister, Agriculture be pleased to state :

(a) Is there any proposal for establishment of College of Horticulture under Assam Agricultural University ?

(b) If so, the present stage of such proposal and when such a college is expected to be established ?

(c) Will the Government mention the place of the proposed college for establishment under consideration ?

Shri Padmeswar Doley : ( Minister of State Agriculture ) replied :

(a) As per record available with the Govt. no such proposal appears to have been received.

(b) Does not arise.

(c) Does not arise.

বিষয় ঃ পবিতৰা বিশ্ৰাম ভৱনৰ কাষত গড় হত্যা।

শ্ৰীমতি দাসে সুধিছে ঃ

৭০১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পবিতৰা বিশ্ৰাম ভৱনৰ নিচেই কাষতে কেইদিন মানৰ আগতে এটা গড় হত্যা কৰা অপৰাধত শ্ৰীগোলোক শৰ্ম্মা নামৰ বন বিষয়া জনক গ্ৰেপ্তাৰ কৰাটো সঁচানে ?

(খ) উক্ত বিষয়াজন ১৯৮৭ চনৰ মে মাহত একে লগে মাইকী পোৱালী দুটা গড় হত্যাৰ অপৰাধ সংক্ৰান্তত যোৱা ফেব্ৰুৱাৰী মাহত গ্ৰেপ্তাৰ হোৱা স্বত্বেও এদিনৰ পিচত জামিনত খালাচ কৰি অনা কথাটো সঁচানে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰীয়ে উত্তৰ দিছে ঃ

(ক) সঁচা নহয়।

(খ) একেলগে পোৱালী সহ মাইকী গড় দুজনীৰ চোৰাং চিকাৰীৰ হাতত ১৯৮৭ চনৰ জুলাই মাহতহে মৃত্যু হৈছিল। উল্লেখ কৰামতে মে মাহত নহয়। বন বিষয়া শ্ৰীগোলোক শৰ্ম্মাক এই গড় দুটাৰ হত্যাৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা হোৱা নাছিল। অভিযোগ কৰামতে তেওঁক মনেসজা চুৰি আৰু বিশ্বাস ভঙ্গৰ মিছা অভিযোগতহে গ্ৰেপ্তাৰ কৰা হৈছিল বুলি সংশ্লিষ্ট বিষয়াই জনাইছে। সেই বাবে গ্ৰেপ্তাৰ হোৱাৰ পিছ দিনাই তেওঁক জামিনত খালাচ কৰা হৈছিল।

বিষয় ঃ কলং নদীৰ কাঠৰ দলং পকা কৰাৰ ব্যৱস্থা।

শ্ৰীমতি দাসে সুধিছে ঃ

৭০২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৰিগাওঁ তেলাহী হৈ ৩৭ নং ৰাষ্ট্ৰীয় পথৰ লগত সংলগ্ন পথৰ কলং নদীৰ ওপৰত থকা আৰু ১৯৮৬ চনত ক্ষতি হোৱা কাঠৰ দলংখন ভৱিষ্যতৰ নিৰাপত্তাৰ বাবে পকা কৰাৰ ব্যৱস্থা কৰিছেনে ?

(খ) যদি কৰিছে অহা ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰৰ ভিতৰতে কৰা হবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমানলৈকে পকীকৰণৰ ব্যৱস্থা লোৱা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

বিষয় ঃ অনুসূচীত জাতিৰ কল্যান দপ্তৰৰ বাবে সুকীয়া সঞ্চালকালয়।

শ্ৰীমতি দাসে সুধিছে ঃ

৭০৩। মাননীয় ভৈয়াম জনজাতি কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ

কৰি জনাবনে :

(ক) অনুসূচীত জাতিৰ কল্যাণ দপ্তৰৰ বাবে এটা স্বকীয়া সঞ্চালকালয় প্ৰতিষ্ঠা কৰাৰ কথা সঁচানে ?

(খ) যদি সঁচা, কেতিয়াৰ পৰা আৰম্ভ কৰা হৈছে আৰু ক'ত কৰিছে ?

(গ) ইয়াৰ বাবে কিমানজন কৰ্ম্মচাৰী নিযুক্তি দিয়া হৈছে ?

(ঘ) যদি নাই হোৱা কিয় হোৱা নাই ?

(ঙ এই চলিত বিত্তীয় বছৰত পূৰ্ণাঙ্গ সঞ্চালকালয় হিচাবে কাম চলোৱা হবনে ?

শ্ৰীথানেশ্বৰ বড়ো ( ভৈয়াম জনজাতি কল্যান বিভাগৰ মন্ত্ৰী মহোদয় ) য়ে উত্তৰ দিছে :

(ক) হয়, সঁচা।

(খ) যোৱা মাৰ্চ মাহৰ ১৫ তাৰিখৰ পৰা আৰম্ভ কৰা হৈছে আৰু বৰ্ত্তমানে ভৈয়াম জনজাতি আৰু অনুন্নত শ্ৰেণীসমূহৰ কল্যান বিভাগৰ সঞ্চালকায়ৰ পৰাই কাম চলাই থকা হৈছে।

গ) ইয়াৰ বাবে বৰ্ত্তমান এজন সঞ্চালক, এজন উচ্চ বৰ্গ সহায়ক, দুজন নিম্ন বৰ্গৰ সহায়ক আৰু দুজন চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী পদ সংমোদন ( CREATE ) হৈছে যদিও কেৱল সঞ্চালকৰ পদত এজনক অস্থায়ী ভাবে যোৱা ১৫।৩।৮৮ তাৰিখৰ পৰা নিযুক্তি দি তেওঁৰ নিজা দায়িত্বৰ উপৰিও এই কাৰ্য্যালয়ৰ কাম চলাই যাবলৈ দিয়া হৈছে। বাকী পদত নিযুক্তি হোৱা নাই।

(ঘ) নিযুক্তিৰ ক্ষেত্ৰত ল'বলগীয়া নিয়ম নীতিৰ কাৰণে নিযুক্তি দিব পৰা হোৱা নাই যদিও অনতি পলমে এই পদ সমূহত নিযুক্তি দিয়া হব।

(ঙ) হয়, হব।

Re : Number of officer and staff belonging to tea & ex-tea garden labour community working in the Directorate.

Shri Silvius Condpan, asked :

704. Will the Minister, W. P. T. & B. C. be pleased to state :

(A) The numbers of officers and staffs belonging to tea and ex-tea garden labour community working in the

Directorate for the Welfare of Tea & Ex-tea garden tribes of Assam.

(B) Is there any provision under the Directorate to reserve some percentage of vacancy for recruitment of candidates belonging to tea and ex-tea garden tribes of Assam.

Shri Thaneswar Boro, ( Minister WPT & BC. ) replied :

(a) There are 21 ( Twenty one ) grade III and grade IV staff belonging to Tea and Ex-tea Garden Tribes.

(b) No.

Re : The amount of money spent as subsidy to cultivators.

Shri Holiram Terang asked :

705. Will the Minister, Agriculture be pleased to state :

(a) The amount of money spent as subsidy or aids to cultivators by the Government in all the blocks of Karbi-Anglong and N. C. Hills in the year 1985-86, 1986-87 and 1987-88 ? ( Blockwise figures may please be given ).

(b) The itemwise quantum of materials given to cultivators through subsidy in the hill districts ?

( Blockwise figure may please be given ) ?

(c) The procedure of distributing such subsidised materials.

(d) The number of persons receiving such helps ?

( Names of persons may be place on the table of the House ).

Shri Padmeswar Doley ( Minister of State, Agriculture ) replied :

(a) Information is being collected and will be

(b) Placed in the House as soon as available.

(c) The subsidised materials are distributed through the Blocks after necessary approval from the District Council.

## VOTING ON DEMANDS FOR GRANTS

Mr. Speaker : How item No. 2—voting on Demands for Grants. Hon. Power minister will give his reply now.

শ্রীললিত চন্দ্র ৰাজখোৱা ( শক্তি মন্ত্রী ) : মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুৎ বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত বিৰোধী পক্ষৰ কেইবাজনো মাননীয় সদস্যই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে আৰু এই প্ৰস্তাৱৰ ওপৰত এই সদনত আলোচনা হৈছে। আলোচনাত শাসক দলৰো কেইবাজনো সদস্যই অংশ গ্ৰহণ কৰিছে আৰু সদস্য সকলে বিভিন্ন পৰামৰ্শ আগবঢ়াইছে আলোচনা কালত। এই পৰিপ্ৰেক্ষিতত বিদ্যুৎ বিভাগৰ বাবে যি মঞ্জুৰী বিচাৰে তাৰ সদ ব্যৱহাৰ আৰু এই বিভাগটো অধিক কাৰ্য্যক্ষম কৰি তোলাৰ বাবে লগতে পৰিষদৰ কামকাজ নিয়াৰিকৈ চলোৱাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে এই মঞ্জুৰী বিচৰা হৈছে। তাৰোপৰি এই গোটেই পৰিষদৰ কাম-কাজ উন্নত কৰিবৰ বাবে, ৰাইজৰ চাহিদা অনুপাতে কাম কৰিবৰ বাবে যিখিনি ব্যৱস্থাৰ প্ৰয়োজন, সেই মতে কাম কৰিবৰ বাবে পৰিষদক ইতিমধ্যে নিৰ্দ্দেশ দিয়া হৈছে। আমাৰ মাননীয় সদস্য সকলৰ বিভিন্ন পৰামৰ্শ আৰু বক্তব্যৰ উপৰিও আৰু যিখিনি কথাৰ প্ৰয়োজন সেইখিনি এনে ধৰণৰ। মই এইখিনি কোৱাৰ আগতে, জয়-জয়তে আলোচনাত অংশগ্ৰহণ কৰা মাননীয় সদস্য সকলক ধন্যবাদ জনাইছো।

মাননীয় বিধায়কসকলে বিদ্যুৎ পৰিষদৰ কাম কাজত উন্নতিৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে মই তেখেতসকলৰ শলাগ লৈছো। বিদ্যুৎ পৰিষদৰ কাম-কাজ গ্ৰাহক ৰাইজৰ মনোমত হোৱা যে দৰকাৰ সেই বিষয়ত মইও আপোনালোকৰ সৈতে একমত। পিছে পৰিষদে বিদ্যুতৰ উৎপাদন আৰু বিতৰণৰ নিচিনা গুৰু দায়িত্ব পালন কৰোতে সন্মুখীন হোৱা বাধা বিঘিনিৰ বিষয়ে আপোনালোক নিশ্চয় অৱগত আৰু পৰিষদৰ পৰা এনেবোৰ বাধা-বিঘিনি আতৰাবলৈ যথেষ্ট চেষ্টাও কৰা হৈছে। মাননীয় বিধায়কসকলে নিশ্চয় লক্ষ্য কৰিছে যে পৰিষদৰ কাম-কাজ কিছুপৰিমানে উন্নত হৈছে। বিজুলী যোগানৰ অৱস্থা ভাল হোৱাৰ লগে লগেই গ্ৰাহকসকললৈ সন্তোষজনক সেৱা আগবঢ়াৰ

পৰা হব বুলি আশা কৰিছো।

সদনে গঠন কৰি দিয়া তদন্ত কমিটিয়ে এই সম্পৰ্কত মূল্যবান পৰামৰ্শ আগবঢ়াব বুলি মোৰ দৃঢ় বিশ্বাস।

কেইবাগৰাকীও মাননীয় সদস্যই সদনত একে ধৰণৰ পৰামৰ্শ আগবঢ়াইছে। তেখেতসকলে বিদ্যুৎ যোগানৰ বিষয়ে কৰা সমালোচনা বহলাংশে সঁচা, বিশেষকৈ সৰ্বাধিক বিদ্যুৎ চাহিদাৰ সময়ত বিজুলীৰ বিজুতি। মাননীয় সদস্য সকলে জানে যে অসমৰ বিদ্যুতৰ প্ৰতিষ্ঠাপিত ক্ষমতা ৪৮৫ মেগাৱাটৰ বিপৰীতে বিজুলী উৎপাদন হয় গড়ে ২০০ মেগাৱাট। কিন্তু ৰাজ্যত চাহিদা হল ৩৪০ মেগাৱাট। গতিকে ঘাটি পৰা ১৪০ মেগাৱাট পূৰাবলৈ মেঘালয়ৰ পৰা ৭০ মেগাৱাট আৰু বাকীখিনি NEEPCO আৰু লোগটকৰ পৰা আমদানি কৰা হয়। কিন্তু NEEPCO আৰু লোগটক্‌ৰ পৰা যোগান সুস্থিৰ নহয়। গতিকে বিজুলীৰ ঘাটি অনুযায়ী কেতিয়াবা বিদ্যুৎ কৰ্তন কৰিবলগীয়া হয়।

মাননীয় সদস্যসকলে পৰিষদৰ লোকচানৰ কথা কৈছে। (পৰিষদৰ লোকচানৰ কথা কৈছে।) পৰিষদৰ লোকচানৰ প্ৰধান কাৰণ হল বিদ্যুতৰ মাচুলৰ নিৰিখ লাভজনক নোহোৱাতো। প্ৰতি ইউনিট বিজুলী শক্তিৰ উৎপাদন ব্যয় ২০৭ পইচাৰ বিপৰীতে পৰিষদে প্ৰতি ইউনিট বিক্ৰি কৰি পৰিষদে গড়ে পায় মাত্ৰ ১০০ পইচা। গতিকে প্ৰতি ইউনিট বিজুলী শক্তিৰ বাবদ পৰিষদৰ ১ টকাৰো বেছি লোকচান হয়। তদুপৰি কিছু সংখ্যক গ্ৰাহকক ৰেহাই মূল্যত বিজুলীও যোগান ধৰিব লাগে।

পৰিষদৰ মূলধনৰ গাঠনি ঋণ ভিত্তিক। আনুষ্ঠানিক ঋণৰ সুতৰ হাৰো বেছি। এনে ঋণৰ সুত সময়মতে আদায় দিব লাগে বাবে পৰিষদৰ ৰাজহৰ প্ৰায় এক তৃতীয়াংশ এই শিতানতে খৰছ হয়। তদুপৰি ইন্ধন কিনাৰ বাবেও যথেষ্ট খৰছ কৰিবলগা হয়। ৰাজহৰ বাকী থকা টকাৰে কৰ্মচাৰীৰ দৰ্মহা, যন্ত্ৰপাতিৰ মেৰামতি আৰু পৰিচালনাৰ খৰছ বহন কৰাৰ বাবে যথেষ্ট নহয়। এই কাৰণতে প্ৰত্যেক বছৰে পৰিষদৰ ৰাজহ শিতানত যথেষ্ট পৰিমানৰ ঘাটি হৈ আহিছে আৰু ফলস্বৰূপে লোকচানো হৈ আছে।

মাননীয় সদস্যসকলে নিশ্চয় মন কৰিছে যে ১৯৮৭-৮৮ বছৰত পৰিষদৰ ৰাজহ ১৯৮৬-৮৭ বছৰৰ প্ৰায় ৭১ কোটি টকাৰ বিপৰীতে ১২৪ কোটি টকা সংগ্ৰহ হৈছে। আনহাতে কিন্তু ১৯৮৬-৮৭ বছৰত ক্ষতিৰ পৰিমাণ ৩৭ কোটি টকাৰ বিপৰীতে ১৯৮৭-৮৮ বছৰত ৪১ কোটি টকা হয়।

পৰিষদৰ লোকচানৰ আন এটা কাৰণ হল পৰিষদৰ মূলধন গাঠনিৰ বাবে। পৰিষদৰ মূলধন হল ঋণ ভিত্তিক, পৰিষদে এতিয়ালৈকে বিনিয়োগ কৰা ১২০০ কোটি টকাৰ প্ৰায় আধা বিত্তীয় প্ৰতিষ্ঠানৰ পৰা লোৱা ঋণ।

মাননীয় সদস্যসকলে অনিয়মিত মিটাৰ ৰিডিং আৰু বিল দিয়া ব্যৱস্থাৰ বাবেই পৰিষদৰ ভালেখিনি ৰাজহ বাকী পৰি আছে বুলি সঠিক ভাৱেই উল্লেখ কৰিছে। পৰিষদে অৱশ্যে এই দুয়োক্ষেত্ৰতে উন্নতি সাধন কৰিবলৈ প্ৰচেষ্টা চলাইছে আৰু সেই প্ৰচেষ্টা যে ফলপ্ৰসূ হৈছে সেইটো প্ৰায় ৫২ কোটি টকা অধিক ৰাজহ সংগ্ৰহেই প্ৰতিপন্ন কৰে। আশা কৰা হৈছে যে মিটাৰ ৰিডিং আৰু বিল দিয়া ব্যৱস্থাৰ অধিক উন্নতি হব। যোৱা ৭-৮ বছৰত এই ব্যৱস্থা সমূহত যথেষ্ট শিথিলতা আহি পৰিছিল যদিও মই নিশ্চিত যে এই ক্ষেত্ৰত বৰ্ত্তমান অধিক মনোযোগ দিয়া হৈছে আৰু হব।

অনুৎপাদনমূলক ৰাজহ ব্যয় হ্ৰাস কৰাৰ অৰ্থে প্ৰচেষ্টা চলোৱা হৈছে, অৱশ্যে দক্ষতাত ক্ষতি নঘটাকৈ এনে ব্যয় কিমান হ্ৰাস কৰিব পৰা যাব সেইটো চাবলগীয়া। সংস্থাপনা ব্যয় হ্ৰাস কৰাতো সীমাবদ্ধতা আছে কাৰণ সঘনে মৰগীয়া বানচ বৃদ্ধি পাই আছে। তদুপৰি কয়লা আৰু ইন্ধন তেল আদিৰ মূল্য বৃদ্ধি প্ৰাপ্ত হোৱাত এই শিতানতো ব্যয় হ্ৰাসৰ সীমাবদ্ধতা আছে।

কেইবাগৰাকীও মাননীয় সদস্যই গাওঁ অঞ্চলত পইণ্ট ভিত্তিক বিদ্যুৎ মাচুল সংগ্ৰহৰ ব্যৱস্থাৰ কথা উল্লেখ কৰিছে। এইটো এটা সাময়িক ব্যৱস্থা মাথোন আৰু যথাসময়ত নিয়মিত বিল দিয়া ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা হব। এতিয়া ৰাজ্যত প্ৰায় ১½ লাখ গাঁৱলীয়া বিদ্যুৎ গ্ৰাহক আছে আৰু মিটাৰ ৰিডিং আৰু বিল দিয়াৰ নিৰ্দ্ধাৰিত মাফকাঠি অনুযায়ী মিটাৰ ৰিডাৰ আৰু বিলক্লাৰ্ক নিযুক্তি দিবলৈ হলে প্ৰায় তিনি কোটি টকা অধিক ব্যয় হব। আনহাতে ৰাজহ পোৱা যাব প্ৰায় ৫ কোটি টকা। পইণ্ট হিচাপত গাওঁ অঞ্চললৈ বিজুলী যোগানৰ বাবে বিল দিয়াৰ পদ্ধতি দেশৰ ভালে কেইখন ৰাজ্যতে আছে। পৰিষদৰ আৰ্থিক বোজা কম কৰিবলৈকে এনে ব্যৱস্থা সাময়িক ভাৱে লোৱা হৈছে। প্ৰতি পইণ্টত ২ টকা হলে গাওঁ অঞ্চলৰ গ্ৰাহকৰ বাবে ৬ টা পইণ্টত মাহে ১১ টকাহে হয়, কিন্তু মিটাৰ ৰিডিংৰ জৰিয়তে বিজুলীৰ প্ৰকৃত ব্যৱহাৰৰ পৰিমাণ ধৰিলে মাহেকত তাতোকৈ বেছি হব। ইয়াৰ পৰা গ্ৰাহকসকলৰো সুবিধা হব, কাৰণ তেখেতসকলে কাষৰ ডাকঘৰত পাছবুকৰ জৰিয়তে প্ৰতি

মাহে ধন জমাদিয়াৰ পদ্ধতি প্ৰবৰ্ত্তন কৰাৰ কথা চিন্তা কৰা হৈছে।

কেইবাজনো মাননীয় সদস্যই মেঘালয় আৰু নগালেণ্ডৰ সীমামুৰিয়া গাওঁত বিজুলী যোগানৰ পৰামৰ্শ দিছে। যোৱা বছৰতে এনে এখন আচনি লোৱা হৈছিল যদিও কাযত প্ৰবহন লাইন নথকা হেতু ৪০ শতাংশ এনে গাওঁলৈহে বিদ্যুৎ যোগান ধৰিব পৰা হল। অসম মেঘালয় সীমাৰ প্ৰায় সকলো গাওঁলৈকে বিদ্যুৎ যোগান ধৰা হৈছে আৰু যি কেইখন বাকী আছে সেই কেইখনো এই বছৰতে সম্পূৰ্ণ কৰা হব। অসম নগালেণ্ড সীমান্তত বিবাদমান এলেকাত থকা গাওঁবোৰলৈ এই বছৰতে বিজুলী সম্প্ৰসাৰণ কৰা হব। অসম অৰুণাচল সীমান্তৰ গাওঁলৈ বিজুলী যোগানত কিছু অসুবিধা আছে, কাৰণ সেইবোৰ অঞ্চললৈ প্ৰবহন ব্যৱস্থা সম্প্ৰসাৰিত হোৱাই নাই। গতিকে লক্ষীমপুৰ জিলাৰ সীমান্তবৰ্ত্তী গাওঁ আৰু চাপাখোৱা মহকুমাৰ সীমান্তবৰ্ত্তী গাওঁতো স্থানীয়ভাৱে বিদ্যুৎ উৎপাদন এই গাওঁবোৰলৈ এই বছৰতে বিজুলী যোগান ধৰা হব।

মাননীয় সদস্য দুগৰাকীয়ে জোনাই আৰু চাপাখোৱাত থকা স্থানীয় বিদ্যুৎ কেন্দ্ৰ দুটা শক্তিশালী কৰাৰ বাবে পৰামৰ্শ দিছে। মাননীয় সদস্য দুজনে জানি সুখী হব যে এই বিষয়ত বিদ্যুৎ পৰিষদে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু এইখিনি হৈ উঠিলে জোনাই আৰু চাপাখোৱাত বিজুলীৰ প্ৰয়োজন সম্পূৰ্ণকৈ পুৰাব পৰা হব। মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ দে'ই বৰাক উপত্যকাত পি-এচ-চি খুটা আৰু বিদ্যুৎ প্ৰবাহৰ তাঁৰ চুৰি হোৱাৰ কথা উল্লেখ কৰিছে। পি-এচ-চি খুটা চুৰি কৰাৰ কথা পৰিষদৰ দৃষ্টিগোচৰ হোৱা নাই, কিন্তু কেৱল বৰাক উপত্যকাতে নহয় সমগ্ৰ ৰাজ্যতে বিদ্যুৎৰ তাঁৰ চুৰি হোৱাৰ দৃষ্টান্ত আছে। এনেকুৱা ৪৫২ টা ঘটনা এতিয়া হয় পুলিচৰ তদন্তাধীন নহয় আদালতত বিচাৰাধীন হৈ আছে। মাননীয় সদস্য শ্ৰীৰামেশ্বৰ ধানোৱাৰে পৰিষদে এটা সুৰক্ষা বাহিনী গঠন কৰিবলৈ দিয়া পৰামৰ্শ বিজুলী বিতৰণৰ লাইনৰ ব্যাপকতাৰ পটভূমিত সম্ভৱ নহয়। এনে ধৰণৰ চুৰি কাৰ্য্য বাধা দিয়াৰ বাবে একমাত্ৰ উপায়টো হ'ল এনে দুস্কৃতিৰ বিৰুদ্ধে সবল জনমত গঢ়ি তোলা।

বিদ্যুৎৰ চুৰিও সাধাৰণতে কেৱল নগৰতহে হয়। এনে চুৰি ঘটনা পৰিষদৰ দৃষ্টিগোচৰ হলেই ততালিকেই বিদ্যুৎ যোগান বন্ধ কৰি দিয়া হয়।

মাননীয় সদস্য শ্ৰীমইদুল ইচলাম বৰাই বিদ্যুৎতৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ পৰামৰ্শ দিছে যদিও এনেকুৱা ৰাজ্য এখনো নাই। সকলোতে বিদ্যুতৰ

আদান-প্ৰদান চলে। গতিকে অসমৰ বিদ্যুৎ পৰিষদে মেঘালয়, নিপ'কো বা ৰাষ্ট্ৰীয় জলবিদ্যুৎ নিগমৰ পৰা বিদ্যুৎ আমদানী কৰাতো কোনো দোষৰ কথা নহয়।

কেইজনমান সদস্যই অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক ৰাজ্য চৰকাৰৰ পোন-পটীয়া নিয়ন্ত্ৰনাধীন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। মাননীয় সদস্যসকলে জানেই যে বিদ্যুৎ পৰিষদবোৰ ১৯৪৮ চনৰ ভাৰতৰ বিদ্যুৎ (যোগান) আইনৰ অধীনত গঠন কৰা হয়, এইখন কেন্দ্ৰীয় আইন আৰু এইখনৰ অধীনতে বিদ্যুৎ পৰিষদ সমূহক (স্বায়ত্ব শাসনৰ কৰ্তৃত্ব দিয়া হৈছে।

কেইগৰাকীমান মাননীয় সদস্যই কঠালগুৰি প্ৰকল্প নিপ'কোক দিয়াত আপত্তি জনাই বিদ্যুৎ উৎপাদনৰ বাবে এটা নিগম গঠন কৰি হলেও অসম চৰকাৰৰ অধীনত ৰখাৰ পৰামৰ্শ দিছে, এনে নিগম গঠনৰ বিষয়টো তুলনামূলকভাৱে নতুন ; কেৱল তুখনমান ৰাজ্যইহে এনে নিগম গঠন কৰিছে। পৰামৰ্শটো ৰিবেচনা কৰি চোৱা হব।

কেইবাজনো মাননীয় সদস্যই কঠালগুৰি প্ৰকল্পটো নিপকোক নিৰ্ম্মাণ কৰি-বলৈ দিয়াৰ বিৰুদ্ধে কৰা আপত্তি সম্পৰ্কত জনাব খোজো যে এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত বহুবাৰ আলোচনা কৰা হৈছে। অঃ ৰাঃ বিঃ পৰিষদৰ অভিজ্ঞতা আৰু অৰ্হতাৰ কথা বিবেচনা কৰিয়েই আমাৰ বিভাগৰ তৰফৰ পৰা আৰু মাননীয় মুখ্যমন্ত্ৰীয়েও এই বিষয়ে প্ৰধানমন্ত্ৰীৰ লগত আলোচনা কৰিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে এই প্ৰকল্পটো তেওঁলোকৰ নিজা প্ৰতিষ্ঠান নিপকো'ৰ হতুৱাই স্থাপন কৰাবলৈহে বেছি আগ্ৰহী। এইখিনিতে উনুকিয়াব পাৰি যে ৫৪০ মেগাৱাট ক্ষমতাৰ এটা বৃহৎ গেছ ভিত্তিক প্ৰকল্প বিশ্ব বেংকৰ সহায়ত আমগুৰিত স্থাপন কৰিবলৈ পৰিষদক দায়িত্ব দিয়া হৈছে আৰু ইয়াৰ ফিজি-বিলিটি ৰিপৰ্ট প্ৰস্তুত কৰা হৈছে। এইক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা লবলৈ পৰিষদক নিৰ্দ্দেশ দিয়া হৈছে। কেইজনমান মাননীয় সদস্যই বিদ্যুৎ পৰিষদে ৰাজহুৱা প্ৰতিষ্ঠান আদিৰপৰা পাবলগীয়া ৰাজহৰ টকাৰ বিষয়ে কৈছে। পৌৰ প্ৰতিষ্ঠান, চৰকাৰী বিভাগ আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান আদিৰপৰা প্ৰায় ২০ কোটি টকা ৰাজহ পাবলৈ আছে। অকল অসমৰ পৌৰ প্ৰতিষ্ঠান সমূহৰ পৰাই পাব লগা ধনৰ পৰিমাণ হব প্ৰায় ৪ কোটি টকা। মাননীয় বিধায়ক শ্ৰীধানোৱাৰে বিদ্যুৎ পৰিষদৰ দেনা আদায় কৰিবলৈ আগবঢ়োৱা পৰামৰ্শ চৰকাৰে বিবেচনা কৰি চাব পাৰে।

এজন মাননীয় সদস্যই ৰাজ্যখনত থকা জলবিদ্যুতৰ প্ৰকল্পৰ সম্ভাৱনা আহৰণ কৰাৰ পৰামৰ্শ আগবঢ়াইছে। মাননীয় সদস্যজনে নিশ্চয় জানেই যে ১০০ মেগাৱাট ক্ষমতাৰ কাৰ্বি লাংপি, ২০ মেগাৱাট ক্ষমতাৰ ধনশিৰি আৰু ৪ মেগাৱাট ক্ষমতাৰ দালাইমা প্ৰকল্পৰ কাম সম্প্ৰতি চলি আছে। ৬০ মেগা-ৱাট ক্ষমতাৰ কাৰ্বি লংপি উজনি স্তৰ, ৬ মেগাৱাট ক্ষমতাৰ লুংনিট প্ৰকল্পৰ প্ৰজেক্ট ৰিপৰ্ট অনুমোদনাৰ্থে কেন্দ্ৰীয় বিদ্যুৎ (CEA) প্ৰাধিকৰণক দাখিল কৰা হৈছে। ১৫০ মেগাৱাট ক্ষমতাৰ নামনি কপিলি, ৬০ মেগাৱাট ক্ষমতাৰ কাৰ্বি লাংপি মধ্যম স্তৰ আৰু ৩৩ মেগাৱাট ক্ষমতাৰ আমৰিং প্ৰকল্পৰ বাবে অনুসন্ধান কাৰ্য্য সমাপ্ত হৈছে আৰু প্ৰজেক্ট ৰিপৰ্ট প্ৰস্তুত কৰি থকা হৈছে।

মাননীয় সদস্য শ্ৰীনীলমণি দাস আৰু শ্ৰীৰমেন্দ্ৰ দে'ই অনুসূচীত জাতি আৰু জনজাতিৰ গাৱত বৈদ্যুতিকৰণৰ কাম মন্থৰ হোৱা বুলি উল্লেখ কৰিছে। আমাৰ ৰাজ্যত ৬৪৯৪ খন অনুসূচীত জনজাতিৰ আৰু ১০০৫ খন অনুসূচীত জাতিৰ গাওঁ আছে। ইয়াৰে ৩১৮৭ খন অৰ্থাৎ ৪৯ শতাংশ অনুসূচীত জনজাতিৰ গাওঁ আৰু ৫৯১ খন অৰ্থাৎ ৫৯ শতাংশ অনুসূচীত জাতিৰ গাঁৱলৈ ইতিমধ্যে বিদ্যুৎ সম্প্ৰ-সাৰণ কৰা হৈছে।

মাননীয় বিধায়ক শ্ৰীদেৱ কুমাৰ বৰাই বঙাইগাওঁ তাপ-বিদ্যুৎ কেন্দ্ৰলৈ ভাৰত হেভী ইলেকট্ৰিকেলচ লিমিটেডে আসোঁৱাহ যুক্ত যন্ত্ৰপাতিৰ যোগান ধৰাৰ কথা উল্লেখ কৰিছে। মাননীয় সদস্যসকলে জানে যে লাকুৱা তাপ বিদ্যুৎ কেন্দ্ৰৰ দ্বিতীয় স্তৰৰ বাবে যন্ত্ৰপাতি আমদানি কৰিবলৈ অসম চৰকাৰে দিয়া প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰে মানি লোৱা নাই আৰু BHEL ৰ পৰা যন্ত্ৰপাতি লৈয়ে এই প্ৰকল্পটো ৰূপায়িত কৰিব লাগিব বুলি কৈছে। [ প্ৰকল্পটো সোনকালে গঢ়ি উঠাৰ স্বাৰ্থতে অসম চৰকাৰেও BHEL ৰ যন্ত্ৰপাতি লোৱাতে অনুমোদন জনাইছে। ]

মাননীয় সদস্য সৰ্বশ্ৰীৰামেশ্বৰ ধানোৱাৰ, ৰমেন্দ্ৰ দে আৰু নৰেন তাঁতীয়ে গাঁৱত বিজুলী যোগান বিস্তৃতকৰণত মন্থৰ গতিৰ কথা উল্লেখ কৰিছে। ইতি-মধ্যে বৈদ্যুতিকৰণ কৰা ১৭ হাজাৰবো অধিক গাঁৱৰ কেৱল মুষ্টিমেয় সংখ্যকেহে বিজুলী যোগান লোৱাটো সঁচা। চাহিদামতে গাঁৱত বিজুলী বিস্তৃতকৰণ ব্যৱস্থা সম্প্ৰসাৰণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰিয়েই এখন গাঁৱৰ এজন গ্ৰাহকক বিদ্যুৎ যোগান ধৰিলেই গাওঁখন বৈদ্যুতিকৰণ কৰা হ'ল বুলি ঘোষণা কৰা হয়। কিন্তু ইতিমধ্যে বিদ্যুৎ পৰিষদক গাওঁত বিজুলী যোগান ব্যৱস্থা বৃদ্ধিতকৰণৰ বাবে উপযুক্ত ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে। কেইজনমান

সদস্যই চাহ বাগিচাৰ আবাসিক অঞ্চলত বিজুলী যোগানৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছে। বাগান কর্তৃপক্ষই এনে অঞ্চলত বিদ্যুৎ যোগানত সন্মতি জনালেই বিদ্যুৎ পৰিষদে বিজুলী যোগান ধৰে। অনেক ক্ষেত্ৰত অৱশ্যে বাগিচা কর্তৃপক্ষই সন্মতি নিদিয়াত পৰিষদে চাহ বনুৱাৰ ঘৰত বিজুলী যোগান ধৰিব পৰা নাই।

ৰাজ্যৰ বিদ্যুৎ পৰিস্থিতি উন্নত কৰাৰ বাবে মাননীয় বিধায়কসকলে বিভিন্ন পৰামর্শ যোগোৱাৰ বাবে মই তেখেতসকলৰ পুনৰবাৰ শলাগ লৈছো। কিন্তু শক্তি খণ্ডৰ আঁচনিৰপৰা ধন কর্তন কৰিলে ৰাজ্যখনত বিদ্যুতৰ পৰিস্থিতিৰ উন্নতি নহয় আৰু ৰাইজৰ দুর্যোগো থাকিব। মোৰ বিশ্বাস এই বিষয়ত মাননীয় বিধায়ক সকলো মোৰে সৈতে একমত। সেয়ে কর্তন প্ৰস্তাৱ উঠাই লবলৈ মই মাননীয় সদস্যসকলক অনুৰোধ জনালো।

এই বিদ্যুতৰ ওপৰত আলোচনা বিলোচনা অতি প্ৰয়োজনীয় হৈছে। মই নিজেও বিশ্বাস কৰো যে বিদ্যুৎ অবিহনে ৰাজ্যখনৰ প্ৰগতি আৰু উন্নতি কেতিয়াও আগবাঢ়ি যাব নোৱাৰে। বিশেষকৈ কৃষিৰ ক্ষেত্ৰত, উদ্যোগৰ ক্ষেত্ৰত বা অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠানৰ ক্ষেত্ৰত মই আশাবাদী যে লাহে লাহে ইয়াক সুস্থিৰ পৰিবেশত আনিব পাৰিম। যিহেতু ইয়াৰ অসুবিধাবিলাক সকলোৱে বুজি পাইছে প্ৰত্যেকেই এই অসুবিধাবিলাক কৈছেও তথাপি মই আশাবাদী পৰিষদৰ যিসকল বিষয়া বা অভিযন্তা আছে তেওঁলোকৰ নিষ্ঠা আৰু সততাৰে কাম কৰি গলে আৰু ৰাইজৰ সহায় সহযোগত আমি নিশ্চয় কিছু সুস্থিৰ হব পাৰিম। চুৰি তাৰৰ ঘটনা গাওঁ অঞ্চলত বা চহৰ অঞ্চলত হৈয়ে আছে। কেতিয়াবা বতাহ বা বৰষুণৰ কাৰণে বিজুলী লাইন বেয়া হৈ যায়, আমাৰ প্ৰজেক্টৰ ইঞ্জিনবিলাক বেয়া হৈ যায় কোনোবা ব্যক্তিৰ কাৰণেও লাইনত বিজুতি হয় গতিকে এই সকলোবোৰৰ কাৰণে ৰাইজৰ সহযোগ আৰু বিষয়া সকলৰ কর্ত্তব্যনিষ্ঠা থাকিলেহে পৰিষদখন আগবাঢ়িব পাৰিব। মই আলোচনা বিলোচনা আগবঢ়োৱা কাৰণে সকলো মাননীয় সদস্যলৈ ধন্যবাদ আগবঢ়াইছো। গতিকে বিদ্যুতৰ কাৰণে যিখিনি টকা বিচৰা হৈছে আৰু তাৰ ওপৰত বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে যি কেইটা কর্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই কর্ত্তন প্ৰস্তাৱ কেইটা উঠাই লৈ টকাখিনি মঞ্জুৰী দি আমাক কাম কৰিবলৈ সুবিধা দিব বুলি আশা কৰিলো। ধন্যবাদ।

Hon. Speaker : Now, Shri Basumatri to speak.

Shri Binai Khungur Basumatari : Sir, in my cut motion I have stressed that this ASEB is beyond the control of this House and the Government. We want at least a procedure so that this organisation is controlled by the Government. Hon. Minister has admitted that, but he has not innunciated any policy in this respect. Will he innunciate any policy on this ?

শ্রীললিত চন্দ্র ৰাজখোৱা, মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, বসুমতাৰী ডাঙৰীয়াই যিটো কথা কৈছে ১৯৪৮ চনৰ ইলেক্ট্ৰিচিটি এক্টমতে এই ব্যৱস্থা কৰা হৈছে, এই ব্যৱস্থাৰ সংশোধন নহোৱা পৰ্য্যন্ত তেখেতৰ পৰামৰ্শ মানি লব পৰা নহব।

Shri Binai Khungur Basumatari : Sir, will the House move a resolution in this House ?

( No. No. from the Treasury Benches )

শ্রীললিত চন্দ্র ৰাজখোৱা, মন্ত্ৰী : যিহেতু ইয়াত নীতিৰ কথা আছে মই এতিয়াই কব নোৱাৰো।

Hon. Speaker : Will you withdraw your cut Motion ?

Shri Binai Khungur Basumatari : Sir, I am very unhappy on the affairs of the Electricity Board, So, I donot want to withdraw.

শ্রীমুক্তাৰ হুচেইন : অধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্ৰীৰ বক্তব্যৰ ওপৰত ভিত্তিকৰি মন্ত্ৰী মহোদয়ৰ আশ্বাসমতে বিদ্যুত পৰিষদে মন্ত্ৰী মহোদয়ৰ আশ্বাস সমূহ সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰিব বুলি আশা কৰি কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

Hon'ble Speaker : Member Sri Abdul Jalil will you withdraw you cut Motion.

শ্রীঅব্দুল জলিল : মই উঠাই লৈছো

Hon. Speaker : So, the motion is that the total provisionr of Rs. 100, 35, 31, 000 under Grant No. 62 in respect of 'power ( Electricity )' at pages 17-21 of Volume II, Part

XVI of the Budget be reduced by Rs. 1.00 i.e. the amount of the whole grant of Rs. 100, 35, 31, 000 stand reduced to Rs. 1.00

( The Motion is put to voice vote and it lost )

( Hon members, Shri Muktar Hussain and Shri Abdul Jalil have withdrawn their Cut Motions )

Shri Ramendra Dey : Sir, I have covered the entire Scheduled Caste, Scheduled Tribes and the MOBCs of the State and the Minister has assured that he will take steps. So, I have withdrawn my cut motion.

Hon'ble Speaker : The Motion is passed and so the Grant is passed.

মাননীয় অধ্যক্ষ : এতিয়া মঞ্জুৰী নং ৫৫ "বনানী কৰণ আৰু বন্যপ্ৰাণী" মুখ্যমন্ত্ৰী মহোদয়ে উৎথাপন কৰিব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদনক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "বনানীকৰণ" আৰু বন্যপ্ৰাণী সম্পৰ্কীয় শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ৫২, ০৫, ৩৪, ০০০ পৰিমানৰ টকা সম্পন্ন কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৩৯, ০৪, ০০, ০০০ টকা মঞ্জুৰ কৰা হওক।

মাননীয় অধ্যক্ষ : এই মঞ্জুৰীটোৰ ওপৰত ৬ টা কৰ্ত্তন প্ৰস্তাৱ আছে। মই মাননীয় সদস্য সকলক এজন এজনকৈ প্ৰস্তাৱ উৎথাপন কৰিবলৈ অনুৰোধ কৰিলো।

Shri Binai Khungur Basumatari : Sir, I beg to move that the total provision of Rs. 52, 05, 34, 000 under Grant No. 55 in respect of "Forestry and Wild Life" at pages 30-66 of volume II, Part XIX of the Budget be reduced by Rs. 1.00 i.e. the amout of the whole grant of Rs. 52, 05, 34, 000 do stand reduced by Rs. 1.00.

Mr. Speaker : Shri Rameswar Dhanowar.

Shri Rameswar Dhanowar : Mr. Speaker, Sir, I beg to move that the total provision of Rs. 52, 05, 34, 000 under Grant No. 55 in respect of "Forestry and Wild Life" at pages 30-66 of Volume II, Part XIX of the Budget be reduced by Rs. 100.00 i.e. the amount of the whole Grant of Rs. 52, 05, 34, 000 do stand reduced by Rs. 100.00

Mr. Speaker : Now Shri Shahidul Islam.

Shri Shahidul Islam : Mr. Speaker, Sir, I beg to move that the total provision of Rs. 52, 05, 34, 000 under Grant No. 55 in respect of "Forestry and Wild Life" at pages 30-66 of Volume II, Part XIX of the Budget be reduced by Rs. 1.00 i.e. the amount of the whole Grant of Rs. 52, 05 34, 000 do stand reduced by Rs. 1.00.

Mr Speaker : Shri Amrit Lal Basumatari.

শ্ৰীঅমৃতলাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীত থকা "বনানীকৰণ আৰু বন্যপ্ৰাণী" শিতানত ধাৰ্য্য কৰা দাবীৰ ৫২ কোটি ৫ লাখ ৩৪ হাজাৰ টকাৰ কৰ্তন কৰি সমুদায় টকাৰ ১০০ টকালৈ হ্ৰাস কৰা হওক।

মাননীয় অধ্যক্ষ : এতিয়া শ্ৰীৰামেন্দ্ৰ দে।

Shri Hemen Das : I am moving it. Sir, I beg to move that the total provision of Rs. 52, 05, 34, 000 under Grant No. 55 in respect of "Forestry and Wild Life" at pages 30-66 of Volume II, Part XIX of the Budget be reduced to Rs. 100.00 i.e. the amount of the whole Grant of Rs. 52, 05, 34, 000 do stand reduced to Rs. 100.00

মাননীয় অধ্যক্ষ : এই মঞ্জুৰীৰ ওপৰত এতিয়া বিতৰ্ক আৰম্ভ হ'ব। মই আশা ৰাখিছো যদি ১২-৩০ মিঃ বজাৰ আগতে বিতৰ্ক শেষ হয় তেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চাৰে বাৰ বজাত উত্তৰ দিব পাৰিলে ভাল হয়।

নহলে গোটেই বিলাক মঞ্জুৰী আলোচনা কৰিবলৈ সময় নহব। সেই কাৰণে অন্ততঃ ১২ বাজি ৪৫ মিনিটৰ পৰা মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিব। যদি তাৰো আগতে বিতৰ্ক শেষ হয় তেতিয়াহলে তাৰ আগতেই দিব।

Shri Binai Khungur Basumatari : Honourable Mr. Speaker Sir, in support of my cut motion I wish to record some observation, because Sir, as we go to the details of this grant I find that there are serious problems in regard to the allocation of the grant under this head. Sir, the name of the grant is Forestry and Wild Life. But Sir, forestry exists where? In reply I want to say that forestry exists in the forest reserves or in the areas declared as forests. There are serious problems in those areas now known as forests. Sir, earlier predominant forests areas in the north bank of Brahmaputra were under the North East Frontier Agency which included Balipara frontier track; Lakhimpur track and Dooars areas. Historically those areas were inhabited by tribals. For instance, I have records with me that by Government notification dated 5.12.47 under No. RD.69/46/20, Bijni Tribal Block was de-reserved to constitute forest and to rehabilitate refugees: The original area of the Tribal Belt and Block was 3, 02, 545 bighas out of which 6786 bighas 1 K-11 lesas were de-reserved from the Tribal Belt to constitute reserve forest. Under the same order in the same Block 7252 B-1-8 L were de-reserved from the Bijni Block to constitute forest reserve. Again by Government notification No.AFR. 73/51, dated 21.5.52 in order to constitute Panbari and Kuklung reserve forests 44,691 B-4K-9L were de-reserved. Again Sir, under notification No. RSD. 28/51/4, dated 4.3.58 3489B-OK-14L were de-reserved. Again, by Government

notification No. RSD. 3/59/147, dated 29.7.64, 11,253 bighas have de-reserved to settle E. Pakistan refugees.

Then similarly the in eligible people have encroached upon an area of 9,841 bighas of land. In Kalaigaon area, 7882 bighas of land have been encroached. As for these details, I have proved beyond doubt that the ferest reserves situated today were in earlier years, the tribal belts and blocks. As per Clause 10 of the Assam Accord Signed on 15th August, 1985, the Government is bound to protect the tribal belts and blocks. The Government as a result, has decided also to clear the forest areas. Now the problem is, these people who have been living in these tribal belts and blocks have been converted into forest areas and their right of ownership was not recognised by the Government These people have today been termed technically and legally as encroachers. These people have been living in these areas for centuries, and overnight they have become encroachers due to Assam Accord and due to policy of the Government. What will be the fate of these people ? This is a serious problem. We have been moving heaven and earth to place our views to the State Government as well as the Central Government. So, when we met the Government, they stated that they have stopped eviction of tribal people from the forest reserves. But we have seen the eviction has not been totally stopped. There are officers who are still keen to uproot the tribal from the forest reserves. So, under Sub-head 796 of this Grant for Environmental Forestry and wild Life, the allocation was 2 crores 6 lakhs. But under General Head, the non plan allocation was not quoted. If we further scrutinise, we will find that

the entire amount of Rs. 2 crores 6 lakhs plus 10 lakhs under this Sub-head 796 will be spent on salaries and maintenance work. That means, the allocation on tribal sub-plan is going to be spent for the maintenance of the department. But what is the principle of Tribal Sub-plan ? Here is a book entitled "Annual plan 1987-88, Tribal Sub Plan" published by the Government of Assam. There is a heading Objective and Strategy-Srategy during Sixth Plan 1980-85, on page 8

( 1 ) The Tribal Sub-plan 1980-85 formulated with the basic aims and broad objectives of achieving an accelerated rate of development within the Sub-plan areas with a view to bringing up the level of development of these areas to that of other advanced areas within a reasonable time span:

( i ) To develop and provide adequate social, economic and infrastructure in the form of education, health, water supply, housing, nutrition, communication electrification etc;

( ii ) To develop local human resources ( i. e. skill formation ) through necessary vocational education, training for the purpose of diversifying the existing agricultural activities into other secondary and tertiary sectors.

( iii ) To modernise the traditional agriculture of the tribals by necessary infrastructure like irrigation facilities, power, extension services, credit and marketing facilities etc.

( iv ) To make special efforts to develop entrepreneurship among the tribal people and to set up small industries on a selective basis in the selected growth centres

with emphasis on development of villages and cottage industries by extending necessary assistance.

( v ) To provide various incentives and assistance to the small and marginal farmers to take to Animal Husbandary, poultry, fishery etc as subsidiary occupation.

( vi ) To remove the chronic indebtedness among the tribals and to ensure flow of institutional credit to them at low rates of interest.

( vii ) To strengthen and reorient the administrative machinery in sub plan areas for the purpose of effective implementation of the development programme to ensure that benefits of development accrue to the tribals in fuller measure.

Again at page 9, the objective and Strategy during Seventh Plan have been stated below.

( i ) The tribal Sub-plan embraces the family oriented programme infrastructure and human resources development programme. For the family oriented programme, family benficiary card like Vikas patrika have since been introduced. It has been objective of covering 50% of scheduled tribes families who are below poverty line to cross poverty line during the 7th Plan. It has also to include backlog if any of the Sixth Plan period.

( ii ) The emphasis has been given for infrastuctural facilities like drinking water, education, health centres, irrigation, soil conservation etc.

( iii ) Programme in production sectors like agriculture, animal husbandary, fisheries, small and cottage industries, sericulture & weaving have been included under Sub-plan.

( iv ) The efforts are constantly made to improve the

quality of implementation, supervision, monitoring and evalution of the plan programmes of the Sub-plan. Necessary measures are to be taken for gradual improvement of administrative structure and personnel policies in the Sub-plan areas.

So it has been the objective during the Sixth Plan and also during the Seventh Plan to introduce family oriented schemes and development schemes to improve the human resources of the tribals. The tribal Sub-plans are only for this purpose. Now the entire sub-plan money has been spent for the maintanance of the departmental office. As a result, what has happend,—the tribals are not benefitted. It is the officers who spend tribal sub-plan money for travelling, for purchasing of jeeps and also for building offices. Therefore, we have been opposing this for a long time and the State Government has failed to accept our complaints. They have not taken up this issue with the Central Government. That is our main problem which has been irritating our mind. Now, the sectoral allocation during the Seventh Plan for family oriented schemes, the Assam Government. in the Forest Department is using the whole amount for maintenace of different offices. This should be imediately stopped. For maintenance, other measures should be taken to locate fund for this purpose. Then Sir, there are other problems in the tribal areas and adjacent to tribal areas. There are certain movements going on The tribal people have always been living in the forest. The landless people have been moving into the forest reserves. I know, 190 people from Udalguri have moved to Beliori to occupy land. On an enquiry it is ascer-

tained, the PTCA has instructed them to occupy land. There are certain documents already with the Government in this regard. But the Government do not say who are inciting this encroachment to the forest. As soon as the people went to Belsiri, the Railway Police cordoned off the railway station area and the people were not allowed to enter the area. Many people were assulted and many people were in the jails. They were at a loss what to do. It is our information that the Government and the PTCA have some indirect understanding in regard to occupying the land. We want to ask the Hon'ble Chief Minister, who is incharge of this Department whether there is any secret understanding between the AGP and the PTCA to allow our tribal people to encroach within forests. We hope that the Government will come out with an open statement and the Government may prove if we are also involved in such activities. Sir, as a result of these things. Koklabari farm in Barpeta district near Manas sanctuary is proposed to be shifted. But there are only tribal people. Now the problem is whether the Government of Assam and the Government of India will give preference to the tigers of Manas Forest Reserves or they will give preference to a person like me. This is a serious problem for us. Assam Government should not submit to such things that humans should also be removed from forest areas in preference to tigers. We shall go against this and it is a matter of human right. So, we want a clear cut clean answer whether the wild lives of Manas Sanctuary and elephants of Kalingduar reserve forests are more important or the tribals are more important for the Government of Assam and the

Government of India. These are the reasons for which we are agitating for a separate State. If these things are not looked into properly, we say, there will be serious trouble. With this, Sir, I conclude my observation to the Cut Motion.

শ্ৰীগোলোক ৰাজবংশী : মাননীয় উপাধ্যক্ষ মহোদয়, ফৰেষ্ট শিতানত যি টকা ধৰা হৈছে সেই টকাটো খুউব বেছি হৈছে বুলি মই নকওঁ। কিন্তু কথা হৈছে যি টকা ধৰিহে এই টকা কেনেকৈ খৰছ কৰা হয়, কি শিতানত খৰছ কৰা হয় সেইটোহে গুৰুত্বপূৰ্ণ কথা। কাৰণ অসমৰ অৰ্থনীতি, সমাজ নীতি বা ৰাজনীতি জীৱনত চৰকাৰে লোৱা বন নীতি এটা গুৰুত্বপূৰ্ণ কথা, যাৰ কাৰণে অসমত হয়তো এনেকৈ শান্তি আৰু শৃঙ্খলা ব্যাহত হব পাৰে।

উপাধ্যক্ষ মহোদয়, এই চৰকাৰে যি ধৰণে মঞ্জুৰী শিতানত বিভিন্ন বিভাগত টকা খৰছ হোৱা দেখিছো, অ, গ, প, চৰকাৰৰ কিবা এটা নতুন কথা মঞ্জুৰীৰ মাজত যে দেখিব পাৰিছো সেইটো মোৰ বিশ্বাস নহয়। গতানুগতিক ভাবে তেখেতসকলে মঞ্জৰীৰ টকা বিতৰণ কৰিছে। আনহাতে আজি কিছুদিন আগতে এই চৰকাৰে এখন বননীতি ইয়াত ঘোষণা কৰিছিল।

উপাধ্যক্ষ মহোদয়, বননীতি আৰু বাজেট এই দুয়োখনৰ যদি তুলনা কৰা যায় তেনেহলে তাৰ সামাঞ্জস্য নাই। যি কথা ইয়াত গুৰুত্ব দিয়া হৈছে টকা ধৰোতে আৰু মঞ্জুৰী গ্ৰহণ কৰোতে গুৰুত্ব দিয়া হোৱা নাই। মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে আমাৰ বন নীতিৰ ২৭ নম্বৰত কৈছে এই বননীতি প্ৰধান সমস্যা হব নিবনুৱাক সহায় কৰা—বাট হাও ? ডেকা ল'ৰাক সংস্থাপন দিবৰ কাৰণে বন নীতিত এইখিনি কৰা হব কোনটো মঞ্জুৰীত আছে। কাজেই তেখেতসকলৰ নীতি আৰু মঞ্জুৰীৰ মিল নাই। যদি সেইটোৱে হয় তেনেহলে আমি কব পাৰিম আগৰ বন নীতিয়েই চলি আছে, নতুন একো কৰা নাই। আগৰ দৰেই চলি আছে।

উপাধ্যক্ষ মহোদয়, আমাৰ বনজ সম্পদ কেনেকৈ আহৰণ কৰিম, গছ বিলাক কেনেকৈ কটা যাব, মহলদাৰক পাৰমিট দিয়া ইত্যাদি কথা আগৰ চৰকাৰৰ দিনত যেনেকুৱা আছিল এতিয়াৰ চৰকাৰৰ একে কথা চলি আছে। যিসকলে কাঠৰ ব্যৱসায় কৰিছিল, তেওঁলোকক নতুনকৈ পাৰমিট দিয়া হৈছে। যাৰ কাঠৰ অভিজ্ঞতা নাই ৰাতাৰাতি গৈ ৫।১০ হেজাৰ টকা দি শৰণাপন্ন

* Speech not Corrected.

হৈছে। গতিকে আমাৰ নতুন চৰকাৰে নতুন নীতি একো কৰিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, আগতে শালকাঠ শেষ কৰা হৈছে আৰু লগতে অন্যান্য কাঠো শেষ কৰা হৈছে। চৰকাৰে বুজিব পাৰে কাঠ শেষ কৰা হৈছিল কিন্তু প্লেন্টেচনো শেষ কৰা হৈছে। মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক এখন চিঠি দিছিলো কিন্তু উত্তৰ নাপালো। মোৰ সমষ্টিৰ বালিপাৰা ৰিজাৰ্ভৰ পৰা কিছুমান মানুহে গছ কাটিছে। গছকটা মানুহ ধৰিবৰ কাৰণে দপদপী অঞ্চলত হোটেল কৰিলে। পিচত কাঠকাটি নিয়া লৰি ধৰা হ'ল মানুহো ধৰা হ'ল। তেওঁলোকে কেচ কৰিছে, পিচত লৰি, মানুহ সকলো মুক্ত হৈ আহিল। এনে ধৰণে গছকাটি অনাৰ ব্যৱস্থা কৰিছে। এই কথাটোৰ মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা আজিলৈকে উত্তৰ নাপালো।

উপাধ্যক্ষ মহোদয়, এই মঞ্জুৰী খৰছ কৰোতে আমি দেখিছো যে আমাৰ অসমত বন সম্পদৰ ক্ষেত্ৰত কোন কোন গছৰ খেতি কৰোতে জোৰ দিব লাগে তাৰ দূৰদৰ্শিতা থাকিব লাগে, কিন্তু সেইটো নাই। অসমত কাঠকল হৈছে, সেয়েহে কাঠৰ ওপৰত নিৰ্ভৰ কৰিব লাগে বাহ খেতি কৰাৰ কাৰণে মঞ্জুৰীত একো ধৰা নাই। বননীতিৰ ১১ নম্বৰত কোৱা হৈছে যে উৎকৃষ্ট ধৰণে কাম কাজ কৰা হব। এই নীতিৰ দ্বাৰা বন সম্পদৰ উন্নতি হবনে ইকোল'জি লোৱা হব।

উপাধ্যক্ষ মহোদয়, সময় বৰ কম—নহলে মই পুংখানুপুংখ ৰূপে দেখুৱাই দিলোহেঁতেন। চাকৰিয়ালক দৰমহা, অফিচৰ গাড়ী ইত্যাদিৰ নামত খৰছ কৰা হ'ল। কিন্তু যিমান ধৰিব লাগিছিল সিমান ধৰা হোৱা নাই। চাকৰি ৰাকৰি পোৱাৰ যিখিনি সুবিধা পাব লাগে সেই গোটেইখিনি ব্যৱস্থা আছে। অ, গ, প, চৰকাৰৰ কোনো ব্যৱস্থা নাই আৰু ১৯৮৮ চনত বননীতি ঘোষনা কৰা হ'ল।

মাননীয় উপাধ্যক্ষ মহোদয়, ১৯২৫ চনতেই যি বননীতি ঘোষণা কৰা হৈছিল সেই বননীতিৰ লগত আজি যি বননীতি ঘোষণা কৰিছে তাৰ লগত কিবা পাৰ্থক্য বা নতুনত্ব আছে বুলি মই নাভাবো। সামাজিক বনানীকৰণৰ কথা তেতিয়াও আছিল আৰু এতিয়াও আছে। সেইদৰে গছ-গছনি যথেমথে কাটিব নালাগে সেইবিলাক কথা তেতিয়াও আছিল আৰু এতিয়াও আছে। কিন্তু এটা কথা মই মুখ্যমন্ত্ৰীক সুধিব খুজিছো যে জংগলৰ পৰা যিবিলাক কাঠ কাটি অনা হৈছে সেইবিলাক বিক্ৰীৰ কি ব্যৱস্থা কৰিছে? এই বিষয়ত

মনে মনে থাকি যেনেকৈয়ে সুবিধা হয় তেনেকৈয়ে বেপাৰ চলাই যাব বিচাৰিছে-নেকি ? কিছুদিনৰ আগতে 'ফেনি কমিটি' এখন যে কৰি দিছিল সেইকথা ইয়াত উল্লেখ কৰা নাই কিয় ? চৰকাৰে এতিয়াও যাক ভাল পায় তাত তেনেকৈয়ে পাৰমিট, কোপ আদি দি থকাৰ নীতি বাহাল ৰাখিছে। এই সম্পৰ্কত আগৰ চৰকাৰে যি নীতি লৈছিল এতিয়াৰ চৰকাৰেও সেই নীতিকেই চলাই যোৱাৰ আগ্ৰহী। এইটো সাহসেৰে কিয় নকলে যে আমি এইনীতি চলাই যাব বিচাৰিছো বুলি। এতিয়া কৈছে যে কমিটিয়ে যেনেকৈ পৰামৰ্শ দিয়ে তেনেকৈয়ে চলাই যোৱা হব। মাননীয় উপাধ্যক্ষ মহোদয় এই চৰকাৰ আহিয়েই বৰ ডাঙৰ ডাঙৰ কথা কৈছিল, বৰ হুলস্থূল লগাইছিল যে অমুক কৰা হব, তমুক কৰা হব, এতিয়া কৰিছে কি ? বৰভাই যি পথে গৈছিল এতিয়া সৰু ভাইয়ো সেই পথকেই মাত্ৰ অনুসৰণ কৰিছে। এইখন যি বননীতি দিয়ে ইয়াত কোনো নতুনত্ব নাই কোনো বিশেষত্ব নাই।

( সময়ৰ সংকেট )

ইয়াত ৯ কোটি টকা বিয়োগ চিন দি দেখুৱা হৈছে। এইটো কেনেকৈ আনিব কব নোৱাৰো। আৰু এটা কথা যে বনজ সম্পদ বোলোতে অকল কাঠকে বা বন্য জন্তুকে নুবুজায়। বাহঁ, বেত, মাছ আদিকো বুজায়। মাছৰ মহল, বালিৰ মহল, বেতৰ মহল এইবিলাকৰ ক্ষেত্ৰত কি কৰিছে একো নাজানো।

( দীঘলীয়া সময়ৰ সংকেট। মাননীয় সদস্য বহি পৰে। )

শ্ৰীশ্বহিদুল ইচলাম: মাননীয় উপাধ্যক্ষ মহোদয়, বনজ সম্পদৰ দাবী মঞ্জুৰীৰ ওপৰত যিটো কৰ্তন প্ৰস্তাব আহিছে সেই কৰ্তন প্ৰস্তাবলৈ লক্ষ্য ৰাখি মই কব বিচাৰিছো যে ভাৰতবৰ্ষ তথা পৃথিবীৰ কোনো ঠাইতেই অসমৰ দৰে এশিঙীয়া গড় দেখিবলৈ পোৱা নাযায়। বনজ সম্পদ অসমৰ ৰাজহ যোগান ধৰাৰ এটা পদক্ষেপ। বনজ সম্পদৰ পৰা যি ৰাজহ সংগ্ৰহ হয় এই অৰ্থৰেই অসমক আগবঢ়াই দিব লাগিব। বুৰঞ্জীত পোৱামতে অশোকে যেনেকৈ ৰাস্তাৰ দুয়ো দাতিত মানুহে ছাঁ লবৰ বাবে আৰু ফল খোৱাৰ বাবে গছপুলি ৰুই দিছিল, যিদৰে নবাব চিৰাজউদৌলাই গছপুলি ৰোৱাই মুচিদাবাদক সৌন্দৰ্য্যৰ আকৰ হিচাবে গঢ়ি তুলিছিল সেইদৰে আজি অসম চৰকাৰেই বিভিন্ন ঠাইত গছপুলি ৰোৱাই অসমক সৌন্দৰ্য্যৰ আকৰ কৰি তুলিব লাগিব। আজি আমাৰ বন বিভাগে গছপুলি ৰোৱাৰ ক্ষেত্ৰত যিবিলাক ব্যৱস্থা লৈছে সেই

* Speech not Corrected

বিলাক দুখজনক। গছপুলি বোৱাৰ পিচতেই হয় শুকাই যাব, নহয় গৰুৱে খাব, তেনেকুৱা কিবা এটা হবই। এইবিলাকৰ পৰা অযথা পইচা খৰছ হোৱাৰ বাহিৰে কাম একো হোৱা নাই। সেই কাৰণে মই এটা পৰামৰ্শ দিও যে স্কুলীয়া ল'ৰা-ছোৱালীৰ দ্বাৰা 'ডমেচটিক ওৰ্ক' হিচাবে গছপুলি ৰোৱাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ লগে লগে ফলমূলৰ গছপুলি বোৱাৰ ব্যৱস্থা কৰিব লাগে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে যি জলবায়ু এই জলবায়ুত সকলো অঞ্চলতে সকলো ধৰণৰ গছেই হব পাৰে। এইটো কৰি আমাৰ অসমৰ জলবায়ুৰ ভাৰসাম্যও ৰক্ষা কৰিব পাৰি।

অগৰু গছ আজি নাইকীয়া হৈ গৈছে। অগৰু গছৰ দাম সোনতকৈয়ো বেচি। এতোলা সোনৰ দাম আজি ৪ হাজাৰ টকা, কিন্তু এতোলা অগৰুৰ দাম ১০ হাজাৰ টকা। গতিকে এই অগৰু গছৰ খেতি কৰাৰ ব্যৱস্থা কৰিব লাগে। অগৰু গছৰ দৰে আজি খৈয়া গছো নাইকীয়া হৈ গৈছে। খৈয়া গছে বিশেষ ভাবে ৰাজহ অৰ্জন কৰিব পাৰে। গতিকে খৈয়া গছৰ খেতি কৰাৰো ব্যৱস্থা কৰিব লাগে।

পশ্চিম অসম চাৰ্কোলত বিশেষকৈ শাল, তিতাচোপা, গমাৰি, চেগুন কাঠ বিলাক প্ৰায় নাইকীয়া হৈ গৈছে। এইবিলাকৰ ৰক্ষনাবেক্ষণৰ ব্যৱস্থা কৰিব লাগে। সেইদৰে মধ্য অসমৰ শিল আৰু বালিৰ মহলবিলাকত ভাল ধৰণে নজৰ দিব লাগে। বিশেষকৈ ঘৰ সজোৱাৰ কাৰণে ব্ৰহ্মপুত্ৰৰ বালি আৰু পাহাৰৰ শিল ব্যৱহাৰ কৰা হয়। আমাৰ পাহাৰৰ যিবিলাক শিল, সেই-বিলাক শিল ভালকৈ কাটি ঘৰৰ কামত লগালে মাৰ্বল পাথৰতকৈয়ো দামী যেন লাগিব। পূব অসমৰ হলং গছ, যি গছৰ পৰা প্লাইউড্ তৈয়াৰ কৰা হয়, সেইবিলাক গছ যধেমধে কটাৰ ফলত আজি নাইকীয়া হৈ গৈছে। এইবিলাকৰ প্লেনটেচনৰ কাৰনে ব্যৱস্থা কৰিব লাগে। কৰিমগঞ্জ আৰু হাইলা-কান্দিৰ যি বাহ বেতৰ কাম, অতি উন্নত। তাৰ গোফা চেট দিল্লীত বিক্ৰী হৈছে। গোটেই ভাৰততে বাহঁ বেতৰ বস্তু বিক্ৰী হয়। এতিয়া আমাৰ যি শাল, চেগুন গমাৰি আদি কাঠ, অগৰু, খৈয়া আদি ৰেভিনিউ অনা কাঠ, সেইদৰে প্লাইওডৰ কাৰণে হলং কাঠ, বাহ বেট আদিৰ সম্পৰ্কত ভাল প্লেনটেচনৰ ব্যৱস্থা কৰিব লাগে।

বিভিন্ন ফলমূলৰ গছ স্কুলীয়া লৰা-ছোৱালীৰ জড়িয়তে ৰুবৰ কাৰণে ব্যৱস্থা লব লাগে। বন বিভাগৰ যিকেইজন চাকৰিয়াল আছে তেওঁলোকে

৩-৪ বছৰৰ ভিতৰত লাখ লাখ টকা উপাৰ্জন কৰিছে। এনেকুৱা উদাহৰণ মোৰ হাতত বহুত আছে। গছপুলি ৰুইছে, কিন্তু গছ হোৱা নাই। গৰুৱে খাইছে বুলি কয়। এতিয়া গৰুৰ পেটৰ ভিতৰত কত অনুসন্ধান কৰিব। এই ক্ষেত্ৰত যদি চৰকাৰে গঠনমূলক ব্যৱস্থা নলয় তেনেহলে ৰাজহ আহৰণ কৰা সম্পদটো অদূৰ ভৱিষ্যতে নাইকিয়া হব। অসম প্ৰাকৃতিক সৌন্দৰ্য্যৰ লীলাভূমি। এই সৌন্দৰ্য্য অটুট ৰাখিব লাগিব। গুৱাহাটীৰ আশে-পাশে বহুত পাহাৰ আছে। সেইবিলাক পাহাৰত মূল্যৱান গছ ৰুলে কোনো বেদখল নহব। আজি কলিকতাৰ ইদেন গাৰ্ডেন আৰু বোটানিকেল্স গাৰ্ডেন চাবলৈ পৃথিবীৰ পৰা মানুহ আহে। গুৱাহাটীৰ আশে-পাশে পাহাৰবোৰত মূল্যৱান গছ ৰুলে ই কলিকতাৰ বোটানিকেল গাৰ্ডেনতকৈ কম বিখ্যাত নহব আৰু লগে লগে প্ৰাকৃতিক সৌন্দৰ্য্য ৰক্ষা কৰাৰ লগতে বেদখলৰ পৰা মুক্ত হব। সামাজিক বনানীকৰণ বিভাগে অসমৰ সৌন্দৰ্য্য অটুট ৰাখিব লাগিব। আজি আমাৰ গড় হত্যা কৰা সম্পৰ্কত বিশেষ দৃষ্টি ৰাখিব লাগিব। ফৰেষ্টৰ মহলদাৰে চোৰাং কাৰবাৰীৰ লগত লগলাগি গড় হত্যা কৰি লাখ লাখ টকা অৰ্জন কৰে। আমাৰ চোৰাংচোৱা বিভাগে গড় নিধন কাৰ্য্যত বাধা প্ৰদান কৰিব পাৰে। পৃথিবীৰ ভিতৰত আচৰিত জন্তু এই অসমৰ গড় বৰ্তমান গতিত বন্ধ হৈ থাকিলে চিৰদিনৰ বাবে অসমৰ হাবিৰ পৰা গড় নাইকিয়া হৈ যাব। আমাৰ চৰ অঞ্চলত বনানীকৰণ কৰি লাখ লাখ টকা অপচয় কৰা হৈছে। চৰ হ'ল অস্থায়ী বস্তু। চৰ ভাঙি আকৌ নতুনকৈ চৰ গঠিত হয়। গতিকে চৰ অঞ্চলত বনানীকৰণ নকৰি আনঠাইত বনজ সম্পদ ৰক্ষা কৰাত টকা খৰচ কৰিলে অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য ৰক্ষা পৰিব। চৰকাৰে যি বননীতি ঘোষণা কৰিছে তাক গঠনমূলক ভাৱে কাৰ্য্যকৰী কৰাৰ বাবে টকা ব্যয় কৰিব বুলি আশা ৰাখিছোঁ। এইখিনিকে কৈ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, বনৰ কথাটো যদি আলোচনা নকৰো তেনেহলে আমাৰ দায়িত্ব পালন কৰা নহব। এই কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি কেইটামান দৰকাৰী কথা আলোচনা কৰিব বিচাৰিছো। প্ৰকৃত উদ্দেশ্যত যিখিনি টকা এলটমেণ্ট কৰা হৈছে সেইটো কৰ্তন কৰা নহয়। গণতান্ত্ৰিক পদ্ধতিত এটা সুবিধা দিছে বাবে সেই হিচাপে আলোচনা কৰিবলৈ ওলাইছো। বনৰ প্ৰয়োজনীয়তাৰ বিষয়ে বহলাই কোৱাৰ প্ৰয়োজন নাই। এটা কথাত একমত হব নোৱাৰো মুখ্যমন্ত্ৰী মহোদয়ে পলিচি

* Speech not Corrected.

ষ্টেটমেণ্টত কৈছে যে—

"Public generally think that the reserved forests are meant for settlement of the poor landless people without realising the fact that such settlement will soon turn the State of Assam into a desert."..........

some political encouragement................"For that purpose, it may be necessary to reorganise the lawful settlers with a view to giving them allotment certificates akin to revenue pattas, conferring all rights excepting the right of alienation to the forest villagers which will help them to obtain bank loan and other financial assistance and contribute to improvement in the standard of living?

এই কথাটো সন্নিবিষ্ট কৰাত ঠিক উদ্দেশ্য সাধিত হোৱা নাই বুলি ভাবিছো। কাৰণ আজি অকল অসমতেই নহয় গোটেই ভাৰতবৰ্ষত গছ-গছনিৰ আৱশ্যকতা বাৰুকৈয়ে অনুভৱ কৰিছো। বেদখলৰ সমস্যা নিৰপেক্ষভাৱে চিন্তা কৰি চালে বুজিম যে ট্ৰাইবেল হওক বা নন-ট্ৰাইবেলেই হওক বন ধ্বংস কৰিবৰ কাৰণে বেদখল নকৰে। ইয়াত কিছু ৰাজনৈতিক দলৰ উৎসাহ যোগোৱা দেখা যায়। তাৰোপৰি আলোচনা প্ৰসঙ্গত পাকে প্ৰকাৰে উৎসাহ যোগোৱা দেখা যায়। নগালেণ্ডৰ সীমান্ত অঞ্চল দিফৰেষ্টেচন কৰা নাই ৰেভিনিউ ভিলেজ কৰা নাই আদি প্ৰশ্ন মাননীয় সদস্যসকলে সোধে। এই ধৰণে কোৱাৰ ফলত বেদখল লিগেলাইজ কৰাৰ কথা আহি যায়। আজি এনেকুৱাও দেখা যায় সম্ভাব্য বিধায়কজনে কয় মই জিকি আহিলে আপোনালোকক মাটি দিম। এইধৰণে আজি বেদখল কৰাত উৎসাহ যোগাই আহিছে। এইধৰণে বেদখল কৰিবলৈ দিলে নহব। বেদখল কৰা পদ্ধতিটোত পাৰ্টিকোলাৰ কমিউনিটিৰ অধিকাৰ আছে বুলি কলে অন্যায় কৰা হব। ট্ৰাইবেল আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ বনৰ লগত বসবাস কৰাৰ সম্বন্ধ আছে সঁচা। এইদৰে যদি অধিকাৰ সাব্যস্ত কৰিবলৈ দিয়া হয় তেন্তে মূল উদ্দেশ্যৰ পৰা ফালৰি কাটি অহা হব। আমাৰ এনেই বনাঞ্চল কমি আহিছে। তেনেস্থলত যদি অধিকাৰ আছে বুলি বা অন্য প্ৰকাৰে বেদখলত উৎসাহিত কৰিলে বন নাইকিয়া হব। কোকৰাঝাৰ জিলাৰ ট্ৰাইবেল যুৱকসকলক বেংকৰ লোন পাবৰ

কাৰণে বনৰ মাটিত অধিকাৰ দিব লাগিব। এই ক্ষেত্ৰত পলিচি ষ্টেটমেণ্টত যি দিছে সেইটো প্ৰশংসা কৰিব লাগিব। ইংৰাজীত–ফৰেষ্ট এলেকাৰ শিক্ষিত যুৱক যিসকলে নিজকে আত্ম প্ৰতিষ্ঠা কৰিবৰ কাৰণে প্ৰচেষ্টা চলাই আহিছে তেওঁলোকৰ বাবে বেংকৰ লোন লোৱা ব্যৱস্থাটো সোনকালে কাৰ্য্যকৰী কৰিবলৈ অনুৰোধ জনালো। আমাৰ কাঠ কিধৰণে বিক্ৰি কৰা হৈছে সকলোৱে জানে।

বৰ্ত্তমান যিটো প্ৰচেচ চৰকাৰৰ ফালৰপৰা দিছে, তাৰফলত ভাল কাঠ-বিলাক নষ্ট হৈ যায়। প্ৰথমে গছ মাৰকিং কৰা হয়, তাৰপাচত ডিপাৰ্টমেণ্টে লগ মাৰকিং কৰে, তাৰপাচত কেৰিং। কেৰিংৰ ক্ষেত্ৰতো ডিপাৰ্টমেণ্টৰ নিজা গাড়ী নাই। সেইবিলাক কণ্টেক্ট বেচিচত নিয়া হয়। এস্কচুৱেল চেলৰ সময়লৈকে বহুতো লোকচান হৈ যায়। এই সকলোবোৰ নিয়ম কৰোতে প্ৰায় ৬ মাহ সময় লাগে। কেতিয়াবা এবছৰো লাগে। নটিফিকেচন কৰাৰ পৰা চেললৈকে প্ৰায় ৬ মাহ, এবছৰৰ ভিতৰত কাঠৰ কোৱালীটি বহুত নষ্ট হৈ যায়। বিশেষকৈ নন শালবিলাক নষ্ট হৈ যায়। গতিকে ২-১ মাহৰ ভিতৰতে যদি চৰকাৰে এই কাঠবিলাক চেল কৰাৰ ব্যৱস্থা লয়ে যিমানখিনি ৰেভিনিউ পালেহেঁতেন, সিমানখিনি ৰেভিনিউ নাপায়। গতিকে ইয়াৰ এটা নতুন উপায় অৱলম্বন কৰিবলৈ মই মন্ত্ৰীমহোদয়ক অনুৰোধ কৰিলোঁ।

তাৰ পাচত মই এমপ্লোইমেণ্টৰ ক্ষেত্ৰত কব বিচাৰিছো যে ফৰেষ্ট ডিলেইজাৰ সকলৰ ভিতৰত আনএম্পপ্লইড ল'ৰাখিনিক যদি এই ডিভিজনত এমপ্লোইমেণ্ট দিবলৈ প্ৰচেষ্টা চলোৱা হয় তেতিয়াহলে ডিপাৰ্টমেণ্টৰ প্ৰতি তেওঁলোকৰ বিশেষ শ্ৰদ্ধা থাকিব বুলি মোৰ ধাৰণা আৰু লগতে পুনৰ এনকাৰেজমেণ্ট হব বুলি মোৰ বিশ্বাস। কিন্তু মই অতি দুখেৰে সৈতে কব বিছাৰিছো যে, অলপতে আমাৰ তাত এটা ইণ্টাৰভিউ হৈ গ'ল। তাত দেখা গ'ল এমপ্লয়ীসকলৰ ল'ৰা-ছোৱালীক বেলেগে ৰুম দিয়া হল আৰু জেনেৰেলখিনিক বেলেগ ৰুম দিয়া হল। তাৰপাচত দেখা গ'ল এমপ্লয়ীৰ ল'ৰা-ছোৱালী বেচিভাগেই পাচ কৰিছে আৰু জেনেৰেলৰ লৰা-ছোৱালী, আনকি লোকেল ল'ৰাও বেচিভাগেই ফেল কৰিলে। মই মুখ্যমন্ত্ৰী মহোদয়ক বিশেষ এটি কাৰণত লগ ধৰিছিলো যদিও তেখেতক মই ডিটেইল কোৱা নাছিলো। এইখিনিতে মই কব বিছা-ৰিছো, এইধৰণে ভবিষ্যতে নহলে ভাল হব বুলি মোৰ বিশ্বাস।

ইয়াৰ পাচত মই কব বিচাৰিছো যে, এনক্ৰোচমেণ্টৰ ক্ষেত্ৰত চৰকাৰে কি একচন লয় মই নাজানো। কিন্তু মই জনাত বিভাগৰ মানুহে প্ৰাকে

প্ৰকাৰান্তে সুবিধা লৈ এনক্ৰোচমেণ্ট দিয়ে। ইয়াৰ লগতে মই আৰু এটা কথা কব ৰিচাৰিছো। এম, এন, পিৰ পৰা ট্ৰাইবেল সকললৈ এবিঘা মাটিৰ টকাটো দিয়া হয়। আঢ়ৈ হাজাৰ টকা দিলে এবিঘা মাটি পোৱা যায়। কিন্তু ট্ৰাইবেল সমাজৰ মানুহ কিয় আপোনালোকেও ১ বিঘা মাটিৰে জীয়াই থাকিব পাৰিব বুলি ভাবে নেকি? ইয়াৰো এটা উপায় আছে খাচ লেণ্ড যিখিনি আছে তাত এগ্ৰিকালচাৰ ফৰ্মিং কোৰপোৰেচন যদি কৰি দিয়া হয় তেতিয়াহলে সংস্থাপনৰ অসুবিধা দূৰ হব। এবিঘা মাটি দিয়াৰ পৰিবৰ্ত্তে এগ্ৰিকালচাৰ ফৰ্মিং কোৰপো-ৰেচন কৰি দিলে এনক্ৰোচমেণ্ট বন্ধ কৰাৰো সুবিধা হব। বহুত এনেকুৱা মানুহো আছে যিবিলাকে এম, এন, পিত সুমাবলৈ চেষ্টা কৰি থাকে। কিন্তু তেওঁলোকে এবিঘা মাটিৰ কাৰণে নহয়, আঢ়ৈ হাজাৰ টকাৰ কাৰণেহে। গতিকে এইবিলাক কথা চাব লাগিব। গতিকে চেণ্টাৰৰে স্কীম হওক বা আমাৰ চৰকাৰৰে স্কীম হওক এইটো মই সলনি কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

ইয়াৰ পাচত বোৰ্ডাৰ এৰিয়াবিলাকত যথেষ্ট বেটেলিয়ান নিযুক্তি দিব লাগে আৰু থানাৰ নিচিনাকৈ আউটপোষ্ট থাকিব লাগে। এইখিনিতে মই কওঁ আমাৰ যিটো চক্ৰৰ ৰিভাৰ আছে তাৰ ওপৰ খণ্ড অসমত, লাহে লাহে দক্ষিণ খণ্ড বেঙ্গলত সুমাইছে। আকৌ অসমত সোমাই আকৌ বেঙ্গলত সুমাইছে। গতিকে এই নদীখনে চোৰাং কাৰবাৰ কৰিবলৈ যথেষ্ট সুবিধা দিছে। সেই ঠাইত যদি বেটেলিয়ান দিয়া হয় তেনেহলে নিশ্চয় এইবিলাক বন্ধ হব। আগতে বেঙ্গাৰসকলে বন্দুক লৈ হলেও এইবিলাক ভেটা দিছিল। অৱশ্যে তেতিয়া বেটেলিয়ান নাছিল। গতিকে বেটেলিয়ান দিয়া ব্যৱস্থা কৰিলে ভাল হব বুলি মোৰ বিশ্বাস।

ইয়াৰ পাচত মই কবলৈ বিছাৰিছো, চোচিয়েল ফৰেষ্ট্ৰি বুলি যিটো ডি, আৰ, ডি এ স্কীম আছে সেইটো মিনিংলেচ বুলি মই ভাবো। ইয়াত বহুতো টকা খৰছ হৈছে কিন্তু আচলতে চাবলৈ গলে গছপুলি এটাও দেখা নাযায়। গতিকে ডি, আৰ, ডি এৰ যিটো স্কীম সেইটো অৰিজিনেল চোচিয়েল ফৰেষ্টী বিভাগলৈ ট্ৰেঞ্চফাৰ কৰি দিব লাগে। এইখিনিকে মই মন্ত্ৰীমহোদয়ক অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীহেমেন দাস : মাননীয় উপাধ্যক্ষ মহোদয়, বহু বছৰ এটা বিষয়ৰ ওপৰতেই আলোচনা কৰি আছো। হয়তো বাইজে পঠিয়াই থকাৰ কাৰণে সুবিধা দিব

লাগে। কেতিয়াবা কেতিয়াবা কাম হয়, আৰু কেতিয়াবা কেতিয়াবা কাম নহয়। কিন্তু এতিয়া বাতৰি কাকত হাতত ললে ছুটা খবৰ একেলগে পাওঁ। এটা হৈছে যে 'চিকাৰীৰ দ্বাৰা গড় নিধন, আৰু আনটি হৈছে' হাতীৰ দ্বাৰা মানুহ বা ঘৰ ভঙ্গা, নিধন। এতিয়া ছুটা সমস্যা মকামিলা কৰিবলগীয়াত পৰিছে। বন আৰু বন্যপ্ৰাণী ৰক্ষা কৰিবলগীয়া হৈছে আৰু বন্যপ্ৰাণীৰ হাতৰ পৰা মানুহ আৰু মানুহৰ খেতি-বাতি ৰক্ষা কৰিবলগীয়া হৈছে। সিদিনা মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ছুজন বিধায়কক বিজুনি আৰু সৰভোগৰ ছুজনে লগলাগি এখন দৰখাস্ত দিছো, সেইয়া হৈছে হাতীৰ হাতৰ পৰা খেতি উদ্ধাৰ কৰিব লাগে। গোটেই অসমৰ বিভিন্ন ঠাইৰপৰা খবৰ ওলাইছে যে হাতীৰ উৎপাত বৰ বেচি হৈছে। হাতীয়ে ঘৰ ভাঙ্গে, খেতি ধ্বংস হয়। যিটো ওৱাইল্ড লাইফৰ এডভাইচাৰী বোৰ্ড আছে। অসমত হাতী বেচি হৈছে, হাতী অসমৰ আপুৰুগীয়া সম্পদ বুলি কোৱা হৈছে। এই ক্ষেত্ৰত মই কেন্দ্ৰীয় চৰকাৰৰ লগত দ্বি-মত পোষণ কৰিছো। এই হাতীবিলাক যদি ধৰিব নোৱাৰে বা বেচিবলৈ দিয়া নহয় তেনেহলে দিল্লীক কৈ দিব লাগে সেইবিলাক অন্য ফৰেষ্টলৈ লৈ যাওঁক। চিধা-চিধি কথা। বনাঞ্চলৰ মানুহৰ দাতিকাষৰিয়া ৰাইজে যাতে শান্তিত খেতি-বাতি কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য কৰিব লাগে। আজি গড়ৰ খড়্গ চুৰ কৰা কাৰণে যে কেৱল এঠাইতহে বৃদ্ধি হৈছে এনে নহয় সকলোতে হৈছে, সকলোতে এই ডকাইটিৰ সংখ্যা বাঢ়িছে। কি বেপাৰ হৈছে চাৰ ? কি কাৰবাৰ চলি আছে। যিয়েই নহওঁক এইবোৰ কাৰবাৰ চলিয়েই থাকিব তাৰ মাজেদিয়েই এইবিলাক চাব লাগিব। অৰণ্য ৰক্ষা কৰিব লাগিব, মানুহক ৰক্ষা কৰিব লাগিব। কিন্তু বৰ ছুখজনক কথা কিছুমান আলোচনা কৰিব লাগিব। ছুখজনক কথা হৈছে যে অসম চৰকাৰৰ ৰাজহ আয়ৰ ব্যয় আছিল ছুটা। এটা হ'ল টেক্স ৰেভিনিউ আৰু আনটো হ'ল ন'ন টেক্স ৰেভিনিউ, ফৰেষ্টৰ পৰা আহে। আয়ৰ বিভাগ হৈছে ব্যয়ৰ বিভাগ। এইটোতকৈ আৰু ছুখজনক বিষয় একোৱেই হব নোৱাৰে। কিছুবছৰৰ আগলৈ আয়ৰ বিভাগ, এতিয়া হ'লগৈ ব্যয়ৰ বিভাগ। বুটিছে লগাই দি থৈ গ'ল চি' চি' এফ। হব লাগিছিল চিফ ডেষ্ট্ৰয়ৰ অৱ ফৰেষ্ট। কাৰণ কনজাৰভেটৰটো কাটি দিব নোৱাৰি তাক লক্ষ্য কৰিবই লাগিব। কিন্তু গছকটা পাৰমিচন দিৰ পৰা হ'ল, কনজাৰভেটৰ অৱ ফৰেষ্ট আদিয়ে। ডেপুটি চিফ্ ফৰেষ্ট তেওঁকো। গছকটা পাৰমিচন দিব পৰা হ'ল যাৰ ফলত দিওঁতে দিওঁতে এতিয়া গছেই নাইকিয়া হ'ল।

নাই বহুত ঠাইত গোৱালপাৰা জিলাত এতিয়া আৰু গছ নাই। মই গোৱালপাৰা জিলালৈ যাওঁতে দেখিছো যে তাত গছৰ মূঢাও নাই, অলপ আগতে মাননীয় সদস্য শ্ৰীখইতুল ইছলামে কৈছে যে বৰপেটাৰ খয়েৰ ব্যৱসায়ৰ কথা। এই ব্যৱসায়, আছিল বৰপেটাৰ মনোপলি এতিয়া তেওঁলোক তাৰপৰা 'আউট' হৈছে। এনেকুৱা ব্যৱসায় চলিছিল যে খয়েৰ কিয় শেষ হৈ গ'ল। খয়েৰৰ মূঢ়াবিলাকো শেষ কৰি দিলে। সেইবিলাক খৰি হিচাপে বিক্ৰি কৰিলে। আগৰ বছৰত বৰপেটা ৰ'ডৰ ডি, এফ, অ' অফিচ এটা আছিলে। তাৰ পিচত নৰ্থ কামৰূপলৈ আহিলে বাবেই চেক্ গেটবিলাকক কেতিয়াবা পইচা দিব লাগিব সবেই জানে। আজি শিশুৰ গছো শেষ, খয়েৰ গছও শেষ। কনজাৰ-ভেটৰবিলাক থাকিলেও বনাঞ্চল ধ্বংস হৈ গৈ আছে। যাৰ ফলত আজি আমাৰ ৰাজ্যখন ধ্বংস হৈ গৈ আছে। বন বিভাগটো এটা ব্যয়ৰ বিভাগত পৰিণত হৈছে। এটা কথা ঠিক যে ৰাজবংশী ডাঙৰীয়াই কৈ গৈছে আমাৰ বনবিভাগ কেৱল বনেই নহয় ইয়াৰ লগত শিল বালি মহলৰো কথাটো জড়িত আছে। শিল বালি নিয়ন্ত্ৰণ বিহীন হৈছে। এইটো এটা এনেকুৱা লাভজনক ব্যৱসায় তাক 'ইমাজিন' কৰিব নোৱাৰি। কিন্তু ইয়াক নিয়ন্ত্ৰণ কৰিব পৰা নাই। নামত হ'ল দিচপুৰ শিল-বালি মহল। 'অপাৰেশ্যন' কৰিলেগৈ জালুকবাৰীত। নামত দিচপুৰ অপাৰেচন কৰিলেগৈ জালুকবাৰীত। ইয়াত এটা দুষ্ট চক্ৰ আছে। এই দুষ্ট চক্ৰৰ সীমা নাই, সীমাৰ পৰিমাণ নাই। সিদিনা হাঞ্চে জেগাৰ পৰা খেদিবলগীয়া হ'ল, এবাৰ মই খেদিছিলো বিহুত ঘৰলৈ গৈছিলো তাত গৈ দেখিলোগৈ তেওঁলোকে তাত কি কাণ্ড কৰি আছে। য'ত নেকি বাননিয়ন্ত্ৰণ বিভাগটো নদী নিয়ন্ত্ৰণ কৰিছে। তাৰ শিল্প-বালি তুলি তুলি সেই পৰিমাণৰ পানী বুৱাই দিছে। এনেকুৱা আপোনালোকে যদি কেতিয়াবা যায় বেকীনদীত বৰ্ত্তমান তিনিটা সুঁতি হৈ তিনিখন নদীত পৰিণত হৈছে। বালি খান্দি খান্দি এফালে দিছে আৰু আনফালে মহল হৈছে। সেই মহল হৈছে হাউলীৰ ওচৰৰ জয়পুৰ মহল। জয়পুৰ ক'ত, হাউলি ক'ত, হাউলি ক'ত সৰভোগ ক'ত। জয়পুৰ মহল 'অপাৰেচন' কৰিছে নেচনেল হাইৱেৰ কাষত। কিন্তু কি কৰিলে বেকী নদীত ভাগ কৰি দিলে। আৰু দুয়োপাৰে গড়া-খহনীয়া হৈছে। যাৰ ফলত হাঞ্চে ডাঙৰীয়াৰ পৰা খাটি খাটি কেইটামান টকা নিও। এইটো বন্ধ কৰক। আৰু বনবিভাগক কয় এইটো খান্দি দিয়ক।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কওঁ চাব, শিল মহলৰ

কথা। সেইটো মহলে কি কৰিছে আৰু এটা নদীৰ সোঁত বন্ধ হৈ গৈছিল। নাম হ'ল ভোলোকাদবা মহল। ভোলোকাদবা মহল অপাৰেচন কৰিছে কমাৰগাওঁ। একেবাৰে ৰাষ্ট্ৰীয় পথ। মই মাননীয় উপাধ্যক্ষ মহোদয়ক কব খোজো যে আজি বিভাগৰ বিষয়াসকলক চাব লগা হৈছে। নবহ ডাঙৰীয়াই কৈছিল যে দূৰ্নীতি নাই, অলপ নজৰ কৰক, টকা অৰ্জা পথ এতিয়াও আছে। বহুতো মহল আছে এইটো চৰকাৰৰ ঘৰত নাই। কিন্তু অপাৰেচন চলি আছে। কিন্তু মহল নাই কিছুমান চেটুলমেণ্টলৈ অপাৰেচন চলি আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, অসম গণ পৰিষদ চৰকাৰৰ দিনত বহুতো স্কুলৰ ঘৰ হ'ল, ডাক্তৰখানা হ'ল, উন্নয়নমূলক কাম-কাজ হ'ল। কিন্তু অপাৰেচন হৈয়ে আছে। কিন্তু বালি-শিল আহিছে ক'ৰপৰা। শিল আহি আছে, বালি আহি আছে কিন্তু ৰাজহ কিয় নাহে। মই আগতে কৈছিলো যে মহল সম্পৰ্কে হুচিয়াৰ হওঁক। আৰু মহলবিলাকক নতুন লাভ সৃষ্টি কৰাৰ পৰা বিৰত ৰাখক। সীমা বান্ধি দিয়ক, এক কিলোমিটাৰ, দুই কিলোমিটাৰ দূৰত্বত। মহল হৈছে সেই ঠাইত অপাৰেচন কৰক, সেইবিলাক ঠাইত কিয় নকৰে। ভোলোকাদবা নদী মৰি গৈছিল তাত মথাউৰি বান্ধিছিল, কিন্তু এই মহলবিলাকে শিল বালি আনি সেইবিলাক কাটি কাটি এইফালে নদী সৃষ্টি কৰিলে। আপোনালোক কিছুমান ভাৰপ্ৰাপ্ত এম, এল, এ আছে চকীদাৰ কৰিবৰ কাৰণে। কিন্তু আমিটো চাকৰি কৰিব নোৱাৰো। সৰভোগতো এজন ভাৰপ্ৰাপ্ত এম, এল, এ আছে। গতিকে এইবিলাক চাবলগীয়া হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আন্ এটি প্ৰশ্ন বনাঞ্চলৰ ভিতৰত বসবাস কৰি থকা লোকসকলক কিছু সুযোগ সুবিধা দিবলৈ ওলাইছে। তাক আমি সমৰ্থন কৰিছো। কিন্তু লগে লগে এটি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো এই সদনলৈ ১৯৭৮ চনতে তেতিয়াৰে বনাঞ্চলৰ পৰা বেগাৰ প্ৰথা নিৰ্ভৰ কৰিব লাগে। বিবেচনা কৰা নাই। বন শ্ৰমিকে লেবাৰ কৰিব লাগে। এইটো বৃটিছে আনি দিছিল। বম শ্ৰমিকে গোলাম খাটিব লাগে। বৃটিছে কৈছিল যে বন বিভাগে যদি কোনোবাই কাম কৰে তেনেহলে বিনা মজুৰীত কাম কৰিব লাগে। সাধাৰণতে জনজাতীয় ৰাইজ বনাঞ্চলত আছে। তেওঁলোকে বনৰ মাজতেই কাম কৰিবলগীয়া হৈছিল। এই বেকাৰ প্ৰথা অনতিপলমে বিলুপ কৰক। আনটো হৈছে নিয়োগ কৰা কাৰণে চেষ্টা কৰিছে এইটো সঁচা কথা। কিন্তু নিয়োগৰ সুনিৰ্দিষ্ট নীতি কিছুমান উলিয়াওঁক।

সাধাৰণ জনজাতীয় মানুহবিলাকহে বনাঞ্চলবিলাকত থাকে। গতিকে এই নীতিটো তেখেতসকলৰ স্বাৰ্থৰ খাতিৰতেই বিলোপ কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, বনবিভাগত নিয়োগ হয়। কিন্তু এই নিয়োগৰ এটা সু নিৰ্দ্দিষ্ট নীতি থাকিব লাগে। তিনি জন চি, চি, এফ আছে। তিনিও জনৰে নিয়োগ নীতি অলপ বেলেগ ধৰণৰ। 'ওৱাইল্ড লাইফ'ৰ চি, চি, এফ জনে প্ৰথমতে প্ৰাৰ্থীক কেজুৱেল লেবাৰ হিচাবে ৰাখে, তাৰ পিছত গাৰ্ড হিচাবে নিয়োগ দিয়ে, তাৰ পিছতহে ক্ৰমান্বয়ে ফৰেষ্টাৰ ইত্যাদি কৰি ওপৰলৈ নি থাকে। এইটো ভাল আইডিয়া। কিন্তু বাকী দুজন চি, চি, এফৰ তাত এই নিয়ম নাই। বিশেষকৈ সামাজিক বনানীকৰণৰ ক্ষেত্ৰত এম, এ পাছেই হওঁক বা মেট্ৰিক পাছেই হওঁক একেদিনাই চাকৰি পাব। যিসকল বনাঞ্চলতে সদায় আছে সেইসকলক নিয়োগ কৰিব লাগিব যদিহে তেওঁলোকৰ যোগ্যতা থাকে। যোগ্যতা নাথাকিলে দিবলৈ কোৱা নাই। কিন্তু যি দেখা গৈছে শিয়ালৰ মাত শুনিলে ভয় খোৱা, আগতে শিয়ালৰ মাতো নুশুনা প্ৰাৰ্থীক নিয়োগ কৰাটো কেতিয়াও হব নোৱাৰে। এনেবিলাক বিসঙ্গতিৰ কাৰণেই আজি ট্ৰাইবেল লোকসকলৰ মাজত বিক্ষোভ হোৱাটো স্বাভাৱিক। চৰকাৰৰ ফালৰপৰা নিয়োগ নিদিয়াৰ সুযোগ মিল মালিকসকলে লয়। মিল মালিক সকলে গছ কাটি দিলে টকা দিম বুলি কৈ তেওঁলোকক নিয়োগ কৰে। গতিকে মিল মালিকসকলে দিয়া নিয়োগ পদ্ধতি সমূলি নাইকীয়া কৰিব লাগিব আৰু বনাঞ্চলৰ ল'ৰাছোৱালী বিলাকক নিয়োগ দিব লাগিব। মুখ্যমন্ত্ৰী মহোদয়লৈ বিভিন্ন দাবী সম্বলিত যিবিলাক কাগজপাতি আদি পঠিয়ায় তাৰ কপি আমাৰ হাততো পৰে। দাবীবিলাকৰ কথাবিলাক যুক্তিসঙ্গত। তাৰে কিছুমান দাবী মানি লোৱা হৈছে বুলিও গম পাইছো। ভাল কথা। মাষ্টাৰৰোলত কাম কৰাসকলক ৰবিবাৰে কাম নকৰিলে দৰ্মহা বা মজুৰী নিদিয়া মধ্যযুগীয়া প্ৰথাটোৰ বিলুপ্তি সাধন কৰি তেওঁলোকক পূৰা দৰ্মহা দিয়াৰ ব্যৱস্থা কৰিব লাগে। গড়কাপ্তানী বিভাগত যেনিবা নানান আন্দোলনৰ পিছত সেইটো হলগৈ।

মাননীয় অধ্যক্ষ মহোদয়, ফেণী কমিটিৰ ৰিপৰ্ট দাখিল কৰাৰ পিছত কেইজনমান অফিচাৰৰ শাস্তি হল। কিন্তু কিছুমান অফিচাৰৰ অত্যাচাৰ এতিয়াও কমা নাই। ১৯৭৭ চনতে মাষ্টাৰৰোলত কাম কৰা এক্স টি গাৰ্ডেনৰ এজন লোকক আব্দুল মতলেব বোলা এজন ৰেঞ্জাৰে গুৱাহাটীত থকা তেওঁৰ সাজি থকা ঘৰ চোৱা মেলাৰ নামত আনি ৰাখিছেহি। মানুহজনে তেওঁক

এই অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ ইউনিয়নলৈ চিঠি প্ৰেৰণ কৰিছে। এইটো অনুসন্ধান পূৰ্বক ব্যৱস্থা লব লাগে। তাৰোপৰি, আৰু এটা কেছ দিছো, বকো সমষ্টিত গছপুলি ৰোৱাৰ নামত য'ত চাৰিহাজাৰ মান টকাহে খৰচ হৈছে তাত ২৬ হেজাৰ টকাৰ বিল বনোৱাৰ ব্যৱস্থা কৰি টকা আত্মসাত কৰাৰ এক কাণ্ড ঘটিছে। এইটো অনুসন্ধান কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰিছো।

* শ্ৰীভবেন নাৰ্জী : মাননীয় অধ্যক্ষ মহোদয়, মানুহৰ সভ্যতাৰ লগত মানুহৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। মানুহ যেতিয়াই সভ্য হয় তেতিয়াই হাবি নাইকীয়া হৈ পৰে।

মাননীয় অধ্যক্ষ মহোদয়, এই হাবিক লৈয়ে চলে ৰাজনীতি। কিছুমান ৰাজনৈতিক দালালে সু পৰিকল্পিত ভাৱে হাবি ধ্বংস কৰাৰ কাৰণে ব্যৱস্থা কৰে। উদাহৰণ স্বৰূপে, গড়পুৰ ৰিজাৰ্ভৰ কথাকে ধৰিব পাৰি। মই ১৯৭৫, ৭৬, ৭৭ চনৰ কথাই কবলৈ ওলাইছো। গড়পুৰ ৰেল ষ্টেচনৰ কাষে পাজৰে কিছুমান দালাল থাকে। তেওঁলোকে নিজৰ ১০।১২ বিঘা মাটি বেছি তাৰে পোৱা কম টকাৰে শ—দেৰশ বিঘা মাটি কিনিবৰ কাৰণে প্ৰলোভন দেখুৱায়। একোখন শ্লীপ দিয়ে আৰু ফৰেষ্ট এৰিয়াৰ ভিতৰলৈ সোমোৱাই দিয়ে। ট্ৰাইবেল মানুহবিলাকক দেখিলেই চিনি পায়। হাবিৰ কিনাৰে পাজৰে মণ্ডল আদি থাকেই। গতিকে তেওঁলোকে এই লোকসকলক শ্লীপ পোৱাৰ লগে লগেই সকলো সুবিধা কৰি দিয়ে। এইদৰেই কিছুমান ৰাজনৈতিক দালালৰ দ্বাৰা আমাৰ হাবিবোৰ ধ্বংশ হৈ যাব ধৰিছে। সেইদৰে অসমৰ বিভিন্ন ঠাইত যিবিলাক ৰজাদিনীয়া শালবাৰী আদি আছিল সেইবিলাক ধ্বংশ হৈ গল। বৃটিছৰ দিনত জীৱিকাৰ কাৰণে দুখীয়া মানুহক জংঘলত সুবিধা কৰি দিছিল।

উপাধ্যক্ষ মহোদয়, বৃটিছৰদিনত ফৰেষ্টত বাস কৰা মানুহে মাটি বেছিব নোৱাৰিছিল, ধাননি পথাৰ বেছি তেওঁলোকে আনলৈ যাব নোৱাৰিছিল—কিয়নো তেওঁলোকক সেই মাটি জীৱিকাৰ বাবে দিয়া হৈছিল সেয়ে তেওঁলোকে বেচা-কিনা কৰিব নোৱাৰিছিল। সেয়ে মই পৰামৰ্শ আগবঢ়াইছো যে মাটি নোহোৱা মানুহখিনিক অলপ অলপ হলেও মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই বনাঞ্চলত বৃটিছৰ দিনৰপৰা চলি অহা বেপাৰ প্ৰথাৰ উঠাই দিবলৈ অনুৰোধ কৰিছো। বনাঞ্চলত থকা মানুহখিনিয়ে ১২—১৫ দিন এনেয়ে বিভাগত খাটি

* Speech not corrected.

দিব লাগে তেওঁলোকে খৰি-খেৰ অনাৰ বাবদ। আগতে দৈনিক হাজিৰা কৰা মানুহ নাছিল কাৰণে এই প্ৰথা চলি আছিল—এতিয়া হাজিৰা কৰা মানুহ আছে সেয়ে এই প্ৰথাটো উঠাই দিব লাগে। মই মুখ্যমন্ত্ৰী মহোদয়ক এই বিষয়ত পৰামৰ্শ আগবঢ়াইছো। উপাধ্যক্ষ মহোদয়, আমাৰ সামাজিক বনানি-কৰণ আঁচনিত ভাল ভাল গছৰ খেতি কৰাৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ মই খয়ৰ গছ ৰোৱাৰ কথা কৈছো। এইটো বৰ লাগতীয়াল গছ। ইয়াৰ দুটা ভাগ আছে—এটা ক'লা আৰু আনটো হালধীয়া। ক'লাটো বেছি দৰকাৰী। আমি ইকৰা খেতি কৰাৰ ওপৰত জোৰ দিব লাগে। বৰষুণ নপৰিলে ইকৰাই বহুত বছৰ টিকে। আজিকালি চিমেণ্ট বালিৰ যি দাম হৈছে তালৈ চায় ইকৰা খেতি কৰিলে বহুতো দুখীয়া মানুহৰ কামত আহিব। ইয়াৰ পৰা ৰাজহো বাঢ়িব। ইয়াৰ কাৰণে আমাৰ ঠাইও যথেষ্ট আছে। আৰু খেতিও সুন্দৰ হব। আজি মানুহৰ লগত গছ-গছনিৰ ওতঃপ্ৰোত সম্বন্ধ, মানৱ সভ্যতাৰ লগতো ই জড়িত। সেয়ে ইয়াত সংৰক্ষণ, ৰোপন ইত্যাদিৰ ওপৰত অধিক জোৰ দিব লাগে। এইখিনিকে কৈ মই ফৰেষ্টৰ ওপৰত অনা দাবী মঞ্জুৰী সমৰ্থন কৰি বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ জনাই মোৰ বক্তব্য সামৰিলো।

* শ্ৰীগুণীন হাজৰিকা : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে উত্থাপন কৰা দাবী মঞ্জুৰীৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জনাইছো। উপাধ্যক্ষ মহোদয়, আমি নিশ্চয় জানো যে আমাৰ নতুন চৰকাৰ শাসনলৈ অহাৰ আগতে অসমৰ বনজ সম্পদ সমূহৰ ওপৰত অবাধে অৰাজকতা চলিছিল, ধ্বংসৰ অৰাজকতা চলি-ছিল। আমাৰ নতুন চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ পিচত ইয়াক ৰোধ কৰিবলৈ সক্ষম হৈছে। আজি বিৰোধী পক্ষৰ কেইজনমান সদস্যই পূৰ্ব্বৰ নীতিকেই প্ৰচলিত হৈছে বুলি অভিযোগ তুলিছে, কিন্তু সত্য নহয়। আমাৰ চৰকাৰে নতুন বন নীতি ঘোষনা কৰিছে আৰু এই নতুন বন নীতিৰ জৰিয়তে অসমৰ বনজ সম্পদ সমূহ ৰক্ষণাবেক্ষণৰ কাৰণে সৎ প্ৰচেষ্টা হাতত লৈছে। মই এইটো কথা অস্বীকাৰ নকৰো যে বৰ্তমান বন বিভাগত বিভিন্ন দায়িত্বত থকা বিষয়া কৰ্ম্মচাৰী সকলো দুৰ্নীতিমুক্ত বুলি। মাননীয় সদস্য শ্ৰীঅমৃত লাল বসুমতাৰী ডাঙৰীয়াই চৰকাৰৰ ফৰেষ্ট পলিচিৰ ক্ষেত্ৰত আপত্তি তুলিছে। মই এইখিনিতে এটা কথা উল্লেখ কৰিছো public generally think that reserved

* Speech not corrected;

forests are meant for settlement of the landless people without realising the fact that such settlement will soon turn the State of Assam into a desert. এই কথাবোৰ সৰ্ব্বসাধাৰণ ৰাইজৰ মাজত প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হৈছে। আমাৰ বনজ সম্পদৰ যাতে আৰু ধ্বংস নহয় বা এনে অৱস্থাৰ যাতে অবনতি নহয় তাৰ কাৰণে ফৰেষ্ট পলিছিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। শিক্ষাৰ শিতানত কোৱা হৈছে যে Education in forestry at school and college level is virtually non-existent. Necessary literature and books on forestry will be produced for use in schools and colleges. আগতে এনে ধৰণৰ কোনো আঁচনি হাতত লোৱা হোৱা নাছিল। বনজ সম্পদ ৰক্ষণাবেক্ষণৰ কাৰণে যাতে ল'ৰা-ছোৱালীয়ে কিছু কথা জানে তাৰ ওপৰত নতুন বননীতিয়ে গুৰুত্ব দিছে। বিশেষকৈ ২৪ নং দফাত কোৱা হৈছে—Formation of co-operatives will be encouraged by offering preferential treatment in matters of forest contracts, subsidiary silvicultural operations, mechanised carpentry and looms, labour contracts, marketing of forest products etc.....নতুন বন নীতিত এই কথা বিশেষভাবে উল্লেখ কৰিছে। বনাঞ্চলত বাসকৰা জনসাধাৰণেও যাতে সকাহ পায় তাৰ কাৰণে চেষ্টা কৰিছে। উপাধ্যক্ষ মহোদয়, যোৱা ৪০ বছৰত বনজ সম্পদৰ ওপৰত যি ধ্বংসযজ্ঞ চলিছিল তাৰ ফলতেই আজি এই অৱস্থা হবলৈ পালে। পূৰ্ব্বৰ চৰকাৰসমূহে প্লাইউড ফেক্টৰীৰ মালিক, কাঠৰ মিলৰ মালিক ইত্যাদি পুঁজিপতি সকলক সা-সুবিধা দিবলৈ গৈ অসমৰ বনজ সম্পদ সমূহ ধ্বংস কৰিছিল। পুঁজিপতি সকলে অসমৰ গোটেই বনজ সম্পদ গ্ৰাস কৰিছিল। আমাৰ নতুন চৰকাৰে ফৰেষ্ট সম্পদৰ পৰা কেনেকৈ ৰাজহ বৃদ্ধি কৰিব পৰা যায় তাৰ কাৰণেও চিন্তা কৰিছে। আনহাতে বনত থকা বিশেষকৈ কাজিৰঙা, মানাহ, লাওখোৱা আদি অৰণ্যত থকা জীৱ-জন্তুবোৰৰ ৰক্ষণাবেক্ষণৰ কাৰণেও বৰ্তমান চৰকাৰে ব্যৱস্থা লৈছে। প্ৰলয়ংকৰী বানত যাতে এই অভয়াৰণ্যসমুহৰ জীৱ-জন্তুবোৰ উটি যাব নোৱাৰে তাৰ কাৰণে চৰকাৰে অভয়াৰণ্যৰ মাজত ওখ ওখ দ্বীপ কিছুমান বনাই দিছে যাতে বানপানী হলে জীৱজন্তুবোৰ এই ওখ ঠাইত আশ্ৰয় লব পাৰে। অৱশ্যে এইখিনিতে মই পৰামৰ্শ আগবঢ়াব খোজো যে আমাৰ অভয়াৰণ্যৰ দাতিকাষৰীয়া অঞ্চলবোৰত থকা জীৱ-

জন্তুবোৰৰ ৰক্ষণাবেক্ষণৰ কাৰণেও চৰকাৰে মনোযোগ দিব লাগে।

বন বিভাগৰ দুৰ্নীতিৰ কথা কৈছে কিন্তু তাৰ কাৰণে যদি এটা মোবাইল ফোৰ্চ থাকে তেওঁলোকে এই দুৰ্নীতিবিলাক চেক কৰিব পাৰিব। আমি এই কথা অস্বীকাৰ নকৰো যে এই বিভাগত দুৰ্নীতি নাই কাৰণ বিষয়াসকলে যি ঠাইত থাকে সেই ঠাইৰ কু-চক্ৰান্তকাৰী সকলৰ লগত একগোট হৈ যায় আৰু তেওঁলোকৰ লগত লগ লাগি চোৰাং কাৰবাৰ চলাই থাকে বহুতো গছ-গছনি ধ্বংস কৰে। সেই কাৰণে এই বিভাগৰ যদি এটা মোবাইল ফোৰ্চ থাকে তেওঁলোকে বিভিন্ন ঠাইত গৈ চেক কৰি চোৰাং কাৰবাৰবিলাক ধৰা পেলাব পাৰে।

বন বিভাগত জীৱ-জন্তু হত্যা বিশেষকৈ গড় হত্যা যি সকল কৰ্ম্মচাৰীয়ে ধৰা পেলায় বা যি সকল কৰ্ম্মচাৰীয়ে চোৰাং চিকাৰীক ধৰা পেলায় তেওঁ-লোকক তেওঁলোকৰ সাহসিকতাৰ কাৰণে পুৰস্কৃত কৰিব লাগে তেতিয়া তেওঁ-লোকে আৰু অধিক কাম কৰিবলৈ সাহস পায়। এইখিনিকে কৈ অসম চৰকাৰৰ যি নতুন বন নীতি আৰু মুখ্যমন্ত্ৰী মহোদয়ে যি বাজেট মঞ্জুৰী উত্থাপন কৰিছে মই তাক সমৰ্থন জনাইছো আৰু যি সকল বিৰোধী পক্ষৰ মাননীয় সদস্যই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ জনায় মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

ডঃ অৰ্দ্ধেন্দু দে : মাননীয় উপাধ্যক্ষ মহোদয়, এই কৰ্তণ প্ৰস্তাৱ সমৰ্থণ করে আমি বলতে চাই যে Report of the controller and Auditor generel of India—Revenue Recepits for the year 1985-86 এখানে বলা হয়েছে যে ১৯৮৫-৮৬ ইংরাজীতে এই বিভাগের লোকসান হয়েছে ৮ কোটী ১২ লক্ষ টাকা। কোন কোন সাবজেকেট লোকসান হয়েছে বলে এই অডিট রিপোর্টে বলা হয়েছে তা আমি পড়ে শোনাচ্ছি—loss due to poaching of rhinoceros, loss of revenue due to non-observance of prescribed procedure, forillicit removal of forest produce, revenue forgone owing to non-fixation of prices of plywood logs, loss due to sale of plywood logs at concessional rates, loss of revenue due to non-settlement of sands mahal, loss in settlement of bamboo mahal, loss of agency commission, unintended benefit to lossees, non-disposal of depermentally

operated timber lots, loss of revenue due to inordinate delay in disposal of appeal, recovery of cost of forest produce at incorrect rates, irregular settlement of bamboo mahal and loss due to non-acceptance of favourable bids. কিন্তু এই লোকসানের কারণ কি ? মহোদয়, সরকার যে বননীতি ঘোষণা করেছেন তা তো ওদের নিজস্ব কিছু নয়। এই অডিট রিপোর্টেকে ভিত্তি করে একটু রং চড়িয়ে এই ফরেষ্ট পলিসি অব ১৯৮৮ বের করা হয়েছে। দুটো মিলিয়ে দেখলে দেখা যায় কেবল সুগারকো টিং বাদে ভিতরের ইন্‌গ্রোভিয়েন্ট একশো-ভাগ একই। আর ফরেষ্ট বিভাগের নিজস্ব যে সব কথা এখানে সংযোজিত হয়েছে এ গুলিতো অবাস্তব কথা Forest policy of Assam 1988 মহোদয়, বাজেটের এই বিরাট বইয়ের কোথাও লেখা নেই যে এই বিভাগ থেকে কত টাকা আয় হয়েছে। লোকসানের বহর এতো বেশী যে কোনও ভাবেই আমরা আশা করতে পারি না যে The weaker sections of the people including the tribal people residing in the neighbourhood of forests and the local educated unemployed youths will be encouraged to form co-operatives to run sand, stone, fish, cane and other mahals of the forest department" এই বালির ব্যাপারে এক শ্রেণীর লোকেদের আশা দেওয়া হয়েছে যে তোমরা আন্দোলন করবে না আমরা তোমাদেরে এই বালি'র ব্যাপারে সুযোগ সুবিধা দেব। কার্যত তাই হচ্ছে। এই বালি থেকে সরকারের কতটাকা আয় হয়েছে তা এই বাজেটের হিসাবে নেই। সুতরাং আমি বলব যে এই যে বণনীতি ঘোষণা করা হয়েছে তা শুধু মাত্র ভাওতা। এটা এজিপি পার্টি'র পলিসিরই নামান্তর। মহোদয়, আসামে ২ টি কাগজের কল রয়েছে। একটা পাঁচগ্রামে ও অন্যটা জাগীরোডে। এই কাগজেরমেটিরিয়েল হলো—বাঁশ। এই বাঁশের একটা বিরাট অংশ কাবি আংলং'এ, ঠিকাদার মহলদাররা এ নিয়ে প্রচণ্ড দূর্নীতি করছে যার ফলে আসামের এই বনজ সম্পদ ধ্বংস হয়ে যাচ্ছে। এই বাঁশ এতো সহজলভ্য যে কাউকে এরজন্য প্ল্যণ্টাশন্ করতে হয় না। এই বাঁশ কাটার ব্যাপারেও একটা নিয়ম আছে যে ধারালো দা দিয়ে গোড়া থেকে ৬ ইঞ্চি উপরে একটা মেচ্যওয়র্ড বাশকে কাটতে হবে।

* Speech not corrected.

কিন্তু এসব কেউ মানে না। ঠিকাদাররা কচি বাঁশ বেশী কাটে কারন কাঁচা বাশের ওজন বেশী। হিল সেক্শনের হাতিখালি অঞ্চলে কাঁচা বাঁশ কেটে সাফ করে দেওয়া হচ্ছে। অথচ এই কাচা বাঁশ কাজ তৈরী করার জন্য উৎকৃষ্ট নয়। তাছাড়া বাঁশের রেটও কম, ফলে সরকারেবগ রেভিনিউ লস্ হচ্ছে। অথচ সরকারের এদিকে নজর নেই। তারা কেবল তেলের রয়েলিটি নিয়ে চিন্তা করেন। অথচ যেখানে আসামে প্রতি টন কাঁচা বাশের জন্য ৩০ টাকা নেওয়া হয় সেখানে কেরালাতে টন প্রতি ৩০০ টকা, ও বাঙ্গালোরে ৬০০ টাকা করে নেওয়া হচ্ছে। সুতরাং সরকারের এই যে বননীতি এটা ভুল নীতির উপর ভিত্তি করে তৈরী করা হয়েছে। এই ব্যাপারে গত ১৮ এপ্রিল ১৯৮৮ তারিখের 'যুগশংখ' পত্রিকায় একটা আর্টিকেল 'আসামের বন সম্পদ বাঁশ আজ ধ্বংসের হাতে' এইচ পি সি'র লক্ষ্য নাই'। এই দিকে মাননীয় মুখ্য-মন্ত্রীৰ দৃষ্টি আকর্ষণ করছি। এই ব্যাপারে 'সেন্টিনেল' কাগজে লেখা হয়েছে Steps needed to check infiltration into forest reserve তবে, এসব ব্যাপার যে সরকার একদম জানে না তা আমি বিশ্বাস করিনা কারন এসব সরকারী কর্মচারীদের যোগসাজসে হচ্ছে। আর এটাও সত্য যে আমাদের আইন কানুন গুলি এত কমজোরী যে এসব ব্যাপারে দূর্নীতিপরায়ন ব্যক্তিদেরে বিশেষ শাস্তি দেওয়া যায় না। ১৮৯১ সালে বৃটিশ সরকার যে আইন তৈরী করেছিল আজও তাই চলছে। সেই আইনে আছে যে কেউ যদি একহাজার গাছ কাটে তাহলে তার জরিমানা হবে ৫০ টাকা। তাছাড়া এদের বেহল আটকানোর জন্য সরকারের কাছে কোনও আইন নাই। ফলে ঠিকাদার মহল-দাররা অবাধে বন সম্পদ নষ্ট করে যাচ্ছে। সুতরাং এসব বন্ধ না করে এই বিধানসভায় বড় বড় কথা বলে কোন লাভ হবে না। সুতরাং আমি অনু-রোধ করব যে সরকার যেন এই বননীতি উইথড্র করে আমাদের সকলের সঙ্গে বসে একটা নতুন বননীতি তৈরী করেন। এই বলে কর্তন প্রস্তাব সমর্থণ করে আমি শেষ করলাম।

শ্রীগনেশ কুটুম : মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয়ে বন-বিভাগৰ কাৰণে যি দাবী মঞ্জুৰী উৎথাপন কৰিছে তাৰ ওপৰত মই পূর্ণ সমর্থন আগবঢ়াই দুটামান মন্তব্য ৰাখিব বিচাৰিছোঁ অসম বিধনসভাৰ মজিয়াত আমি তিনিটা বাজেট অধিবেশন পাইছোঁ। এই তিনিটাৰ ভিতৰত আজি এই দাবী মঞ্জুৰীত আমি অলপ নতুন ছবি, নতুন প্রেৰণা দেখা পাইছোঁ। বনবিভাগে

আজি নিজস্ব নীতি আৰু আঁচনি আদি গ্ৰহণ কৰি আজি এই দাবী মঞ্জুৰী উত্‌থাপন কৰিছে। কেইদিনমান আগতে এই বননীতি ঘোষণা কৰা হৈছিল। ইয়াৰ আগতে কিন্তু অসমত ৰাজ্য চৰকাৰৰ কোনো ধৰণৰ নীতি নাছিল। গতিকে চৰকাৰে এই বন নীতিৰ আধাৰ লৈ এই নীতি বাস্তৱত ৰূপায়ন কৰিবৰ কাৰণেই আজিৰ এই দাবী মঞ্জুৰী উত্‌থাপন কৰা হৈছে, আৰু ইয়াৰ প্ৰতি আমি পূৰ্ণ সমৰ্থন আগবঢ়াইছো। বন বিভাগটোক আমাৰ কেইবাগৰাকী সদস্যই সমালোচনা কৰিছে। মই মাত্ৰ দুই এটা পৰামৰ্শ এই বিভাগৰ ওপৰত দিব বিচাৰিছোঁ। বনাঞ্চল সমূহক ইয়াৰ আগলৈকে এটা ৰাজনৈতিক উদ্দেশ্য সাধনৰ এটা বিষয় হিচাপে সকলো নিয়ম নীতি বিসৰ্জন দি ৰাজনৈতিক মুনাফা আদায়ৰ কাৰণেই ব্যৱহাৰ কৰি থকা হৈছিল। এতিয়া ইয়াৰ পৰিসমাপ্তি ঘটিছে আমাৰ চৰকাৰ শাসনলৈ অহাৰ পিচত। আমি শুদ্ধ নীতি লৈছোঁ আৰু এই নীতিৰেই আমি বনাঞ্চল সমূহত যোৱা কুৰি বছৰে লাগি থকা বেমাৰ নিৰাময় কৰিবৰ কাৰণে আগবাঢ়ি যোৱা হব। সেই কাৰণেই কওঁ যিবোৰ বনাঞ্চল আৰু এতিয়া বনাঞ্চল হৈ থকা নাই বা বনাঞ্চল কৰি তোলাৰ উপায় নাই সেই বিলাকৰ পুনৰ ৰূপায়ন কৰাৰ কাৰণে আমি বহুকাল ধৰি অপেক্ষা কৰিব লাগিব। এই বিলাক যদিও কেন্দ্ৰীয় চৰকাৰে ১৯৮০ চনত আইন কৰি নিজৰ হাতলৈ লৈ গৈছে, আমাৰ চৰকাৰো বহি নাথাকি বা তেওঁলোকলৈ অপেক্ষা নকৰি নিজাববীয়াকৈ কিছুমান কাৰ্য্যসূচী লোৱাৰ প্ৰয়োজন হৈছে। আমি এটা কথা লক্ষ্য কৰা উচিত যে বৰ্ত্তমান অসমত অসমৰ জনজাতি সমস্যাটো বনাঞ্চলৰ লগত সনাপিটিকা কৰি পেলাইছে। বনাঞ্চললৈ আমাৰ জনজাতি ৰাইজসমূহক ঠেলি দি ৰাজনৈতিক মুনাফা আদায় কৰাৰো চেষ্টা কৰি থকা দেখা গৈছে। অকল জনজাতি প্ৰতিনিধি সকলৰ কথাই মই কোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ যি আজি শাসনৰ গাদীত আছে এই ৰাজনৈতিক লোক সকলো তাত প্ৰত্যক্ষভাবে জড়িত বুলি মই কব বিচাৰিছোঁ। আজি অলপ দিনৰ আগতে অসম গণ পৰিষদৰ জনজাতি বিধায়ক সকল কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ যাওঁতে কেন্দ্ৰীয় চৰকাৰৰ এগৰাকী মন্ত্ৰীয়ে আমাক কৈছিল যে তোমালোকে বনাঞ্চলৰ জনজাতীয় লোক সকলক কিয় উচ্ছেদ কৰিছা ? অসম গণ পৰিষদে এইটো বেয়া কৰিছে। যতে বনাঞ্চল ততে জনজাতি সকল —ইংৰাজীত—। গতিকে এইটো অতি গুৰুত্বপূৰ্ণ দিশ অসমৰ ৰাজ্যিক চৰকাৰে তেওঁলোকক উচ্ছেদ কৰিব নালাগে। আমি তেতিয়া এটা কথা কৈছিলোঁ যে ৰাজ্য চৰকাৰ বনাঞ্চল

সমূহৰ ৰখীয়াহে মাত্ৰ। আপোনালোকে যি নিৰ্দ্দেশ দিয়ে সেই মতে ৰাজ্য চৰকাৰে কৰিবলগীয়া হয়। আমি নিজস্বভাৱে তেওঁলোকক উচ্ছেদ কৰা নাই। এই ক্ষেত্ৰত তেওঁ কয় যে যিয়েই নহওঁক কিয় জনজাতি লোকসকলক বনাঞ্চলৰ পৰা উচ্ছেদ কৰিব নালাগে বুলি এটা মত তেখেতে প্ৰকাশ কৰিব খোজে। ইয়াৰ অৰ্থ এইটো নহয় যে জনজাতি লোকসকলক বনাঞ্চলত সংস্থাপন কৰাৰ উদ্দেশ্যে নহয় কেৱল ৰাজনৈতিক উদ্দেশ্য আদায় কৰাৰ লক্ষ্য আগত ৰাখিহে এইটো এইদৰে কোৱা হৈছে বুলি অনুমান কৰা হৈছে। কিয়নো গহপুৰ আৰু দৈয়াং আদিৰ দৰে বনাঞ্চলত মানুহৰ বাসস্থান কৰিবৰ কাৰণে যিবোৰ ৰেহাই কেন্দ্ৰই দিব লাগে সেইখিনি ৰাজ্য চৰকাৰে বিচাৰি থকা স্বত্তেও এতিয়ালৈ কোনো সহাঁৰি নিদিয়াই এইটো প্ৰমান কৰিছে। গতিকে বনাঞ্চল সমূহ বিজ্ঞান সন্মতভাৱে যিবিলাক ইতিমধ্যে বনাঞ্চল হৈ থকা নাই মানুহৰ দ্বাৰা লোকাৰণ্য হৈ পৰিছে সেই বিলাক বিজ্ঞান ভিত্তিত মানুহ বিলাকক সংস্থাপন কৰাৰ ব্যৱস্থা কৰিব লাগে। এইটো ৰাজ্য চৰকাৰে নিজাববীয়াকৈ চেষ্টা কৰিলে ভাল হয়।

উপাধ্যক্ষ মহোদয়, মই এটা মাত্ৰ বক্তব্য ৰাখিয়েই সামৰিম। আমাৰ নিজৰ সা-সম্পদ ৰক্ষনাবেক্ষন কৰিবলৈ হলে আমি নিজে নিজৰ বাৰীখন ৰক্ষনাবেক্ষন দিব লাগিব, আৰু নিজে বাৰীৰ ভিতৰত থাকিহে দিব পাৰিম। কিন্তু আমাৰ বনবিভাগৰ কাণ্ড কাৰখানা দেখিলে আচৰিত হব লাগে, বন-বিভাগৰ উচ্চ বিষয়া সকল যেনে ডি, এফ, অ' আৰু এ, চি, এফ আদি বিষয়া সকলে থাকে কত? আৰু বনাঞ্চল আছে কত? গতিকে এই বনাঞ্চল বিলাকৰ ভিতৰত বা আশে পাশে যদি এই বিষয়াসকল থাকিবলৈ আবাসস্থান আদি সজাই দিয়া হয় তেতিয়া হলে তেওঁলোকে ওলোৱা সোমোৱা কৰি থাকোতেই বনাঞ্চলৰ ভিতৰত কি হৈছে নহৈছে গম পাই থাকিব। তাৰোপৰি বনাঞ্চলত হৈ থকা চোৰাং চিকাৰ বা অবৈধ বেদখল আদিও নহব। লগতে আমাৰ বনসম্পদখিনিও সংৰক্ষিত হব।

গতিকে এই বিষয়টো মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে বনবিভাগৰ বিষয়া সকল বনাঞ্চলৰ আশে পাশে থকাৰ ব্যৱস্থা কৰি দিয়ে আৰু এই পৰামৰ্শখিনিকে আগবঢ়াই মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চলিত বিত্তীয় বছৰৰ বাবে বন বিভাগৰ শিতানত বনানীকৰণ আৰু

বন্যপ্ৰাণী সম্পৰ্কীয় শিতানত যিখিনি টকাৰ মঞ্জুৰী বিচাৰিছে তাত মই পূৰ্ণ সমৰ্থন জনাইছো। মই বিশেষকৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই কাৰণেই ধন্যবাদ দিব বিচাৰিছো যে তেখেতে বাজেট বক্তৃতাত অসমত যি বনাঞ্চল ধ্বংস হৈ আছে তাক ৰোধ কৰাৰ কাৰণে উল্লেখ কৰিছে আৰু তেখেতে বনাঞ্চল কেৱল ৰাজহৰ উৎসৰূপে ব্যৱহাৰ কৰাৰ পৰিবৰ্তে ইয়াৰ সংৰক্ষণৰ ওপৰতহে গুৰুত্ব দি থকা হৈছে বুলি উল্লেখ কৰিছে। আমাৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াইও তেখেতৰ ভাষণত বন বিভাগৰ কিছু কথা উল্লেখ কৰিছে। এইটো কথা মই এই কাৰণেই কব বিচাৰিছো যে বৰ্তমান চৰকাৰে বন নীতিৰ যি পদক্ষেপ লৈছে আমি সকলোৱে তাৰ কাৰণে শলাগ লব লাগিব। পোনপ্ৰথমবাৰৰ বাবে ১৯৮৫ চনত আমাৰ চৰকাৰে এই বন নীতি ঘোষণা কৰিছে আৰু ৰাজ্যপাল ডাঙৰীয়াইও সেই কাৰণে কৈছে যে বনভূমিৰ গুৰুত্ব পুনৰ নিৰূপণ কৰিছে আৰু এটা নতুন বননীতি ঘোষণা কৰিছে। ৰাজ্যখনৰ ভিতৰত থকা বনভূমিৰ প্ৰতিপালন আৰু ইয়াৰ ইপ্সিত পৰ্য্যায়ৰ পুনৰুদ্ধাৰৰ বাবে নতুন বননীতিত বিশেষ ভাবে গুৰুত্ব দিয়া হৈছে যাতে পুনৰুজ জীৱিতকৰণ, সংৰক্ষণ আৰু আটাইবোৰ বেদখলী অঞ্চলত উপযুক্ত পুনৰুজ জীৱিতক ৰণ, বৃক্ষৰোপণ আৰু বনানীকৰণৰ জৰিয়তে পৰিবেশৰ ভাৰসাম্যতা ঘূৰাই আনিব পৰা হয়। গছ কটাতো বন্ধ কৰি দিয়া হৈছে আৰু উন্নত জাতৰ গছপুলি ৰোৱাৰ ব্যৱস্থা কৰি থকা হৈছে। ১৯৮৭-৮৮ চনৰ বছৰটোত ৫, ৬০, ০০০ গছপুলি ৰোৱা আৰু ২,০০০ হেজাৰ ভূমি আবাদীকৰণৰ প্ৰস্তাৱ লোৱা হৈছে। বন্যপ্ৰাণী সংৰক্ষণৰ বিষয়টোৱে প্ৰাধান্য লাভ কৰি আছে। আমি জীয়াই থাকিবলৈ হলে গছৰ লগত সম্পৰ্ক ৰাখিব লাগিব। গতিকে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ কাৰণে চৰকাৰে প্ৰচেষ্টা চলাইছে। এই বাজেটত আমি বিশেষভাবে দেখিবলৈ পাইছো যে অধিক সংখ্যক টকাই ৰেভিনিউ একাউণ্টৰ ফৰেষ্ট্ৰি এণ্ড ওৱাইল্ড লাইফৰ নামত ৰখা হৈছে। কৃষি আৰু গৱেষণা শিক্ষাৰ নামতো কিছু টকা ৰখা হৈছে। গতিকে আমি এই কাৰণেই বাজেটখনক আদৰণি জনাইছো ইয়াত প্লেন আৰু ননপ্লেন উভয় শিতানতেই টকা ধাৰ্য্য কৰা হৈছে। কিন্তু ইয়াত এটা আমি বৃহৎ গেপ দেখিবলৈ পাইছো। কাৰণ আমাৰ বাজেটত ৫২, ০৫, ৩৪, ০০০ টকা ধাৰ্য্য কৰা হৈছে কিন্তু আমাৰ বছৰি ৰেভিনিউ সংগ্ৰহ হব ২১ কোটি টকা মাত্ৰ। কাৰণ ১৯৮৫-৮৬ চনত আমি ফৰেষ্টত ফল ডাউন হোৱা দেখিবলৈ পাইছো। ১৯৮৩-৮৪ চনত ২২.৩২ কোটি টকা, ১৯৮৪-৮৫

চনত ২৪.৯৬ কোটি টকা, ১৯৮৫-৮৬ চনত ২১.৫৫ কোটি টকা ফল ডাউন হৈছে। ১৯৮৬-৮৭ চনত ১২.৮৭ লাখ টকা আৰু ১৯৮৭-৮৮ চনত ২০.০০ লাখ টকা ফল ডাউন হৈছে। গতিকে ক্ৰমান্বয়ে ফল ডাউন হৈয়ে আহিছে। তথাপিতো চৰকাৰে বনাঞ্চল সংৰক্ষণৰ ওপৰত গুৰুত্ব দিছে আৰু সেই কাৰণেই আমি ভাবিছো চৰকাৰে বেলেগ উপায়ে হলেও এই ডেফিচিট পূৰাব লাগিব। আমাৰ মাননীয় সদস্য এগৰাকীয়ে কৈছে যে চৰকাৰে ব্যক্তিগত ভাবে মানুহক গছ কাটিবলৈ পাৰ্মিট দিছে, এইটো বন্ধ কৰিব লাগে। মই জনাত কোনো কোনো মানুহকেই গছ কটাৰ কাৰণে ব্যক্তিগত ভাবে পাৰ্মিট দিয়া হোৱা নাই। অৱশ্যে ডিমাৰ্টমেন্টেল অপাৰেচন চলি আছে আৰু আৱশ্যক আৰু প্ৰয়োজন অনুযায়ী টেণ্ডাৰৰ ভিত্তিত বা টেণ্ডাৰৰ জৰিয়তে গছ কটাৰ কাৰণে পাৰ্মিট দিয়া হৈছে। ইতিমধ্যে চৰকাৰে জিলা ভিত্তিত এজন কমিটি গঠন কৰিছে। এই কমিটিত ডি, চি, এচ, পি আৰু ডি, এফ, ও থাকিব। গতিকে আমাৰ চৰকাৰে এইবিলাক দিশত চকু দিছে। এই বাজেটখনত দৃষ্টি আকৰ্ষণ কৰিলেই আমি দেখা পাম যে বনৰীয়া জীৱজন্তু ৰক্ষণা-বেক্ষণ আৰু বনানীকৰণৰ ওপৰত আমাৰ চৰকাৰে বিশেষ ভাবে গুৰুত্ব দিছে। কাজিৰঙা নেচনেল পাৰ্ক আৰু মানস নেচনেল পাৰ্কৰ ওপৰতো আমাৰ চৰকাৰে বিশেষ ভাবে গুৰুত্ব দিছে। আমাৰ চৰকাৰে ওৱাইল্ড এণ্ড মেগনিফিচেণ্ট বুলি যিখন পুস্তিকা উলিয়াইছে সেইখন দেখি ভাল লাগিছে। ইয়াত মানস ৰাষ্ট্ৰীয় অভয়াৰণ্যৰ কথা আছে, কাজিৰঙা নেচনেল পাৰ্কৰ কথা আছে আৰু ওৰাং ওৱাইণ্ড লাইফ চেনচৰী ইত্যাদিৰ কথাও সন্নিবিষ্ট কৰা আছে। আমাৰ চৰকাৰে টাইগাৰ প্ৰজেক্টৰ উন্নয়নৰ ব্যৱস্থা লৈছে আৰু পশুপক্ষীৰ ৰক্ষণা-বেক্ষণৰ কাৰণেও ব্যৱস্থা লৈছে। কচুগাওঁ গেম ৰিজাৰ্ভ, বৰনদী গেম ৰিজাৰ্ভ, পবিতৰা ৰিজাৰ্ভ, নামবৰ অভয়াৰণ্য ইত্যাদি বিলাক ৰক্ষা কৰাৰ দায়িত্ব চৰকাৰৰ আছে আৰু এই ক্ষেত্ৰত চৰকাৰে যি ব্যৱস্থা লৈছে আমি ভাল পাইছো। অসমত যিবিলাক জীৱজন্তু আছে এইবিলাক কমি আহিছে। ১৯৮৪ চনত কাজিৰঙা নেচনেল পাৰ্কত গড় আছিল ১০৮০ টা, হাতী আছিল ৫২৩ টা, বনৰীয়া মহ আছিল ৬৭৭ টা, বিন আছিল ৩০ টা স্বাম্প ডিয়াৰ আছিল ৭৫৬ টা, সম্বৰ আছিল ৩৫৮ টা, হ'গ ডিয়াৰ আছিল ৯৮৭২ টা, ওৱাইল্ড বোৰ আছিল ৩৬৪৫ টা আৰু বাঘ আছিল ৫২ টা। গতিকে পুনৰ এইবিলাক ৰক্ষা কৰাৰ কাৰণে চৰকাৰৰ দায়িত্ব আহি পৰিছে। এইখিনিতে মই এটা কথা কব বিচাৰিছো যে চৰকাৰে

বনাঞ্চলক কেৱল ৰাজহৰ উত্স্বৰূপে ব্যৱহাৰ কৰাৰ পৰিবৰ্ত্তে ইয়াৰ সংৰক্ষণৰ ওপৰতহে গুৰুত্ব দিছে আৰু নতুন বননীতি ঘোষণা কৰিছে। এই নতুন বননীতিত ৩১ টা দফা সন্নিবিষ্ট কৰা হৈছে। এই দফা বিলাকৰ গুৰুত্ব আছে। বনাঞ্চল সংৰক্ষণৰ উপৰিও বনৰীয়া জীৱ জন্তু ৰক্ষণাৱেক্ষণৰ কাৰণে ফৰেষ্ট প্ৰটেকচন ফোৰ্চ লোৱাৰ কাৰণে চৰকাৰে সিদ্ধান্ত লৈছে। মই আশা ৰাখিছো বিজ্ঞানসন্মত ভাবে কৃষিৰ ওপৰত প্ৰাকৃতিক ভাবসাম্য ৰক্ষা কৰাৰ কাৰণে বন-বিভাগ সক্ষম হব। এইখিনিতে মই একাউন্টচ্ সম্পৰ্কীয় দুই এটা কথা কবলৈ বিচাৰিছো। আমাৰ এ, জি য়ে বন বিভাগৰ কিছুমান কথাৰ ওপৰত ৰিপোৰ্ট দাখিল কৰিছে। এই কথাটো বিশেষকৈ মই পি, এ, চি কথাটো এই কাৰণেই কবলগীয়া হৈছে যে ১৯৮৪০০০ চনত মননীয় সদস্য হেমেন দাস ডাঙৰীয়াই নি, এ, চিৰ ৰিপোৰ্ট দাখিল কৰিছিল আৰু এই ৰিপোৰ্ট ১৯৮৩৮৫ পি, এ, চি ৰ ৰিপোৰ্ট আছিল। এই ৰিপোৰ্টত বহুখিনি কথাই আছিল আৰু এই ৰিপোৰ্টত ১৯৮১ চনৰ আগৰ কথাও আছিল। আগৰ চৰকাৰে এই বিলাক ফোলো আপ কৰা নাছিল যাৰ ফলস্বৰূপে এ, জি য়ে কিছুমান কমেণ্ট দিব লগা হ'ল। এ, জি য়ে বন বিভাগৰ ওপৰত কিছুমান কমেণ্ট দিছে। এই কমেণ্ট বিলাক এতিয়াৰ চৰকাৰৰ দিনৰ নহয় এইবিলাক আগৰ চৰকাৰৰ দিনৰ। এই ৰিপোৰ্ট বিলাক যদি আগতেই ফোলা আপ কৰিলেহেতেন তেতিয়াহলে মানি ৰিচিপ্টৰ ক্ষেত্ৰত ফল ডাউন নহলহেতেন। গতিকে এই যি নতুন যি বননীতি চৰকাৰে ঘোষণা কৰিছে তাৰ দ্বাৰা বন বিভাগটো উপকৃত হব। আমাৰ মাননীয় সদস্য গনেশ কুটুম ডাঙৰীয়াই গহপুৰ আৰু দৈয়াং বনাঞ্চলৰ কথা কৈছে। তেখেতে গহপুৰ আৰু দৈয়াং আদিৰ দৰে বনাঞ্চলত মানুহৰ বাসস্থান কৰিবৰ কাৰণে যিবোৰ বেহাই কেন্দ্ৰীয় চৰকাৰে দিব লাগে সেইখিনি ৰাজ্যচৰকাৰে বিচাৰি থকা স্বত্বেও এতিয়ালৈকে কোনো সহাঁৰি নিদিয়া বুলি কৈছে। সেয়েহে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো ১৯৮০ চনৰ আগৰ মানুহখিনি স্থায়ী ভাৱে বসতি কৰিবৰ কাৰণে এটা প্ৰস্তাৱ আগবঢ়াব যাতে দৈয়াং আৰু গহপুৰ বনাঞ্চলত ১৯৮০ চনৰ আগৰ মানুহখিনিক পুনৰ সংস্থাপন কৰিব পৰা যায়। এইখিনিকে কৈ মই মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো মজুৰী বিচাৰিছে তাৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই আৰু বিৰোধী পক্ষৰ সদস্য সকলে অনা কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰী [illegible] : মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন

কৰি মোৰ বক্তব্য ৰাখিব খুজিছো। বৰ্ত্তমান নতুন চৰকাৰ শাসনৰ গাদীলৈ অহাৰ পিচত ইং ২৫।১।৭৬ তাৰিখে এখন জাননী যোগে গছ কটাটো বন্ধ কৰিছে। গছ কটা বন্ধ কৰাৰ পিচত এতিয়া চৰকাৰে নিজৰ ভৰিত নিজে কুঠাৰ মাৰিব খুজিছে। সেই জাননীৰ দ্বাৰা গছ কটা বন্ধ কৰাৰ লগে লগে যিমান খিনি গছ কটা হৈছিল সেই সকলোবোৰ মহকুমাধিপতি আৰু জিলাধিপতিক জনাই থকাৰ ব্যৱস্থা আছে। কিন্তু আজিলৈকে কোনো মহকুমাধিপতি বা জিলাধি-পতিয়ে ডি, এফ, ও, ৰ পৰা কি ৰিপোৰ্ট পাইছে সেইটো জনা নাই। ডি, এফ, ও, সকলক যেতিয়াৰ পৰাই এই দায়িত্ব দিয়া হ'ল তেতিয়াৰ পৰাই বেমেজালি আহিল। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই স্বীকাৰ কৰিছে যে বহুত কোটি টকা কাঠ পৰি আছে। দুদিন আগৰ ঘটনাৰ আজিও সেই প্ৰশ্নৰ উত্তৰ আহিছে। হেমাৰৰ কথাটো মই জাষ্টিফাই কৰিব বিচাৰিছো। ১৯০ জোপা হোলোং গছ কটা হৈছে। মই চৰকাৰৰ নথি মতে কব বিচাৰিছো যে ১৯০ জোপা হলং গছ কটা হৈছে আৰু সেই খিনি ১৮ জন ব্যক্তিক দিয়া হ'ল। সেই পিটি হেমাৰ ব্যৱহাৰ কৰি কুন্দা পাৰ কৰা হ'ল এক সপ্তাহ পিচত ৪ নম্বৰ হেমাৰৰ দিয়া হল গতিকে ফৰেষ্টৰ নীতিৰ মাজত সুৰুঙা আছে। এই কাৰণে মই কব বিচাৰিছো যে নিজৰ ভৰিত নিজে কুঠাৰ মৰা হৈছে।

উপাধ্যক্ষ মহোদয়, যোৱা ১৫ তাৰিখে দুখন ট্ৰাকে মোৰ নিজৰ সমষ্টিৰ পৰা কুণ্ডা লৈ গ'ল। আমাৰ যি প্ৰটেকচন ফৰ্চ আছে তেওঁলোক কলৈ গ'ল? তেওঁলোকক ডি, এফ, ও, ৰ তলত থকা কাৰণে তেওঁলোকক দুদিন বিহুৰ ছুটি দিয়া হ'ল আৰু তেওঁলোকে তিনিচুকীয়াত বিহু হুচৰি মাৰি আছে। এই সুযোগতে দুখন ট্ৰাকে কাঠ লৈ গুছি গ'ল। সেই কাঠৰ মূল্য অতি কমেও ৭৫ হেজাৰ হব। আগতে আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই উল্লেখ কৰিছিল যে বন বিভাগত কিছুমানে কেজুৱেলত চাকৰি কৰি আছে। কোনোবাৰ বাৰ চাকৰি নাইকীয়া হলে পুনৰ গৈ চুৰি কাৰ্য্যত লিপ্ত হৈছে। এনেধৰণৰ কাৰবাৰ চলি আছে। ১।৪।৮৮ তাৰিখে তিনি জোপা গছ কাটি নিয়ে বুলি জানিব পাৰিছো। গতিকে প্ৰটেক্‌শন ফ'ৰ্চটো ডি, এফ, ও, ৰ তলত থাকিলে কোনো কাম কৰিব পৰা নহব। চেক্ গেটত গাৰ্ড এজন থাকে। কুণ্ডা গাড়ীত বন্দুকধাৰী মানুহ থাকে। প্ৰহৰীজন নিসহায়। কি কৰিব। সেই কাৰণে প্ৰটেক্‌চন ফোৰ্চ ৰখাৰ আৱশ্যক হৈ পৰে। তেওঁলোকক ডি, এফ, ও, ৰ ডাইৰেক্ট কণ্ট্ৰ'লত নাৰাখি বেলেগকৈ ৰাখিব লাগে

যাৰ দ্বাৰা বন সম্পদ ৰক্ষা কৰিব পাৰি ।

উপাধ্যক্ষ মহোদয়, মই কব লগা বহুতো আছিল আৰু সময়ৰ আৱশ্যক হব । চৰকাৰে যিধৰণে জাননী দিছে সেই ধৰণে কাম হব লাগিছিল, কিন্তু সেইটো হোৱা নাই । গছ বিক্ৰী কৰাৰ ফলত বহুতো অসুবিধা হয় । এজোপা গছ কাটোতে আন এজোপা গছ নষ্ট হব নালাগে । কিন্তু এজোপাৰ লগতে লাগি থকা আন এজোপাও বাগৰি পৰে । তেওঁলোকৰৰ এইটো ধাৰণা হয় যে এজোপাৰ লগতে আৰু যাতে দুজোপা গছ নিব পৰা যায় । এনেকুৱা পদ্ধতি চলি আছে । যি পদ্ধতি সুক্ষ্মভাৱে নাচালে ধৰিব পৰা নাযায় ।

উপাধ্যক্ষ মহোদয়, এতিয়া মই বেগাৰী প্ৰথাৰ কথা কব বিচাৰিছো । এই প্ৰথাটো ঠাই বিশেষে কিছু কম হৈছে আৰু কিছু ঠাইত চলিয়েই আছে বালিজান গাওঁত নাই কিন্তু পাৰৈকৰ গাওঁ অঞ্চলত চলি আছে । যদি মানুহ জনে বেগাৰী নিদিয়ে তেতিয়া হলে অফিচাৰ জনে ধান সংগ্ৰহ কৰে আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ এলেকাত আছে । সেই মানুহজন তেখেতৰ সমষ্টিৰে অফিচাৰ । এই পদ্ধতিৰে ধান সংগ্ৰহ কৰা হয় । এই পদ্ধতিটো ৰোধ কৰিব লাগে । আমি শিক্ষিত হৈ অহাৰ লগে লগে এই বেগাৰ প্ৰথাটো অনতি পলমে বন্ধ কৰিব লাগে । বন বিভাগৰ যিবিলাক সমস্যা আছে সেই বিলাক সুক্ষ্মভাৱে নাচালে ধৰিব পৰাটো সম্ভৱ নহয় । গতিকে এই সমস্যা বিলাকৰ সমাধানৰ ক্ষেত্ৰত চিন্তা কৰি চাব বুলি মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো ।

Shri Altaf Hussain Mazumder : Mr. Deputy Speaker Sir, in support of the Cut Motion I want to make some observation. Sir, this Forest Department is held by no less aperson than the Chief Minister. It has enhanced the prestige of the Deparment no doubt. But probably the Chief Minister has got no time to look into all the affairs of the Deptt. because he might be under hard pressure of other works for all time or he is living in make behave word. Sir, today there will be an extra sale of liquer amongst the Forest Rangers Forestry and others corrupt officers of Forest Department and their coll-

aborator is dishonest Contractor as they will celebrate the evening on hearing the likely reply of the Hon'ble Chief Minister that illegal felling has been stopped they will enjoy that they have befooled the Government and they heve succeecd in befooling the Government. While smuggleers are cutting the trees but the Governments saying exerything has been stopped for preseruation of the forests. I just refer to the affairs of the Barak Valley. Sir, there are large number of people illegally in collusion with the departmental officers and staff are smuggling and felling the trees illegally. The Conservator of Forest submitted a report and on the basis of that report trasfer of the D. F. O. was ordered. But soon after there has been a galaxy of those smugglers and contractors come for Dispur to his stay order and these succeded. This is how corruption is going on the Forest department. The Chief Minister replied that there was allegations and counter allegations against this officer. yes, there may be counter allegations. But facts remains that there had been large of felling trees. Then Sir, why no action is taken against these officers. In the Garmura area specially large number of trees are cut in collusion with the departmental offiicers and the contractors. In Jirighat area also illegal felling to place. In Silchar one saw mill owner of outside Assam is virtually acting like a Minister of Forest there. The Forest Guards know that if they report against him, they will be transfered to extreme end of Assam. Such officers are in collusion with that saw mill owners allowed him to operate in smunggling and illegal felling a trees if the staff detect his truck they will have to face trouble; The Chief Minis-

ter may know it from different sources what is going on there. The said enquiry report also confirms that in prohibited forests also cutting of trees are continuing and in plantation areas as well probably the advisers of the Chief Minister advised them to raise hue and cry apart the previous Government by bringing frivalous charges. Inspite of serious allegations against Shri N. K. Hazarika, who was under suspension during Saikia Government was given extension by the A.G.P. Government and he was utilised as technical adviser to one man phene committee instituted an one man enquiry Committee headed by Mr. Phene apart the previous Government which is unprecedented. He made two positive recommendations to the Government suggesting to withdraw to issue timber permits and to accept the recomendations of officers to ministers. But the A. G. P. Government has not accepted any of these recomendations. This Government is issuing permits directly, though on the same ground Saikia Government was criticised. Direct permits are being issued by present Government in the name of sleepers of Railway. The Chief Minister has got little time to go through all these affairs. But he has got time to ask for issuing a individual permits. At present corruption is going on in all fronts and huge amount of revenue is being lost. Sir, in Silchar, the period for a big gravel mahal has been extended. I asked him as to how he could get it ? He replied with a smile I managed. Managing business is going on. Such things may be going on in other departments also. This Government has lost the right to criticise Saikia Government in the matter of Forest affairs.

শ্ৰীমুক্তাৰ হোচেইন : মাননীয় উপাধ্যক্ষ মহোদয়, বন বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে মই এইটোত সমৰ্থণ জনাইছো । আমি

এটা কথা আজি দেখা পাইছো যে বন বিভাগৰ ৰাজহ ক্রমবর্দ্ধমান হিচাপে বছৰৰ পিছত বছৰ ধৰি কমি আহি আছে। এইটো হোৱাৰ কাৰণ এইটোয়েই বুলি কোৱা হৈছে যে গছ-গছনি কাটিবলৈ নিদিয়াৰ ফলতে বন বিভাগৰ আয় কমি আহিছে। আচলতে কিন্তু মই বন বিভাগৰ আয় সেইটো কাৰণতে কমিছে বুলি ভাবিব নোৱাৰো। বন বিভাগৰ আয় কমাৰ এটা মূল কাৰণ হৈছে যে আমাৰ যিবিলাক বালিৰ মহল আৰু শিলৰ মহল আছে সেই বিলাক বছৰে বছৰে নিবিদা আহ্বান নকৰি এক্সটেনচন দি থকা হয়। এইটো কথা দেখা গৈছে যে এবাৰ যদি কেনেবাকৈ নিবিদা দি শিলৰ মহল বা বালিৰ মহল পাব পাৰে তেনেহলে বছৰৰ পিছত বছৰ ধৰি এই বিলাক এক্সটেনচন লৈ চলাই থাকিব পাৰে। বিশেষকৈ ডিব্রুগড় বন সংমণ্ডলৰ ৯টা বালিৰ মহল আছে। ইয়াৰে ৫টা এক্সটেনচন দিয়া হৈছে। গতিকে মই অনুৰোধ কৰো যে এই দৰে শিল বালিৰ মহল বিলাক এক্সটেনচন দিয়াৰ ব্যৱস্থাটো বন্ধ কৰি বছৰি বছৰি নিবিদা আহ্বান কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে কৰিলে আমাৰ বন বিভাগৰ পৰা ৰাজহ যথেষ্ট পৰিমানে বাঢ়িব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বনজ সম্পদৰ ওপৰত ভিত্তি কৰি কিছুমান সৰু সৰু উদ্যোগ গঢ়ি তুলিব পাৰি। অৱশ্যে ইতিমধ্যে তেনে ধৰণৰ কিছুমান উদ্যোগ গঢ়ি উঠা নহয়। কিন্তু এই উদ্যোগবিলাক কেঁচা-মালৰ অভাৱত ভাল দৰে চলা নাই বা যি পৰিমানে বাঢ়িব লাগিছিল সেই পৰিমানে বঢ়া নাই। যেনে:- বাঁহ-বেত। বাঁহ-বেতৰ ওপৰত বহুতবিলাক উদ্যোগ গঢ়ি উঠিছে। কিন্তু এই বাঁহ-বেত ৰোপনৰ কাৰণে কোনো টকা ধাৰ্য্য কৰা আমি দেখিবলৈ পোৱা নাই। মই ১৯৮১ চনত দিল্লীলৈ যাওতে তাত দেখিছিলো যে তাত অসমৰ কেইবাশও পৰিয়াল বাঁহ-বেতৰ কাম কৰি ভাল ধৰণৰ টকা উপাৰ্জন কৰি আছে। মোৰ এইটো দেখি ভাল লাগিছিল যে আমাৰ অসমৰ মানুহে তাত গৈ বাঁহ-বেতৰ কাম কৰি টকা উপাৰ্জন কৰি আছে। তাৰ পৰাই মোৰ অনুমান হৈছিল যে বাঁহ বেতৰ কাম আমাৰ একচেটীয়া সম্পদ। গতিকে বাঁহ-বেতৰ ৰোপনৰ ব্যৱস্থা কৰিব লাগে আৰু ইয়াৰ কাৰণে টকা ধৰিব লাগে।

১৯৮৬-৮৭ চনত সামাজিক বনানীকৰণৰ নামত যি ভেকোভাওঁনা চলিছিল সেইটো দেখিলে আচৰিত লাগে।

১৯৮৬-৮৭ চনত ৩ কোটি ৩৩ লাখ বৃক্ষৰোপন কৰা হৈছে। প্ৰত্যেকটো

বৃক্ষ ২ টকা ৩০ পইচাকৈ খৰচ হৈছে আকৌ ১৯৮৭-৮৮ চনত প্ৰত্যেকটা বৃক্ষ ৪ টকাকৈ খৰছ পৰিছে। চৰকাৰী হিচাবমতে ৫ কোটি ৫৮ বৃক্ষ ২ বছৰৰ ভিতৰত ৰোপণ কৰিছে। গতিকে ক'ত কিমান বৃক্ষ ৰোপণ কৰা হৈছে সেইটো এটা এনকুৱেৰী হব লাগে। চৰকাৰী হিচাব মতে ১৫ কোটিৰো ওপৰত এই বৃক্ষ ৰোপনত খৰছ হৈছে। এই খৰছ মই অমুলক বুলি ভাবো গতিকে ইয়াৰ এটা বিশেষ এনকুৱেৰী হব লাগে। এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাবটো সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীচিলভিউচ কন্দপান: মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দলৰ পৰা লোৱা কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দুআষাৰ কবলৈ বিছাৰিছো। দৰং জিলাত অভয়াঅৰণ্য অৱস্থিত। গতিকে এই হাবি বননি বিলাক সংৰক্ষণ কৰিবলৈ দৰং জিলাৰ ৰাইজে এই অঞ্চলত এটা ডিভিজনেল অফিচ গঠন কৰিবলৈ দাবী কৰি আহিছে। আজি মই এইকথা মুখ্যমন্ত্ৰী ডাঙৰীয়াক উনকীয়াই দিব বিছাৰিছো। মই আশা কৰো তেখেতে এই কথাটোও সাঙুৰি আমাক তেওঁৰ উত্তৰত জনাব। এইবিলাক অভাবৰ কাৰণেই দৰং জিলাত অৱস্থিত ওৰাং অভয়াঅৰণ্য বনাঞ্চল সমূহ উন্নত কৰি পৰ্য্যটকৰ বাবে আকৰ্ষণৰ ঠাই কৰিব পৰা নাই। যিহেতুকে এই জিলাত দায়িত্বত থকা বিভাগীয় অফিচাৰ নাই, চিন্তা কৰা মানুহ নাই। গতিকে আপোনাৰ জৰিয়তে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যাতে দৰং জিলাৰ এই বনাঞ্চল সমূহ পৰ্য্যটকৰ সুবিধাৰ বাবে আকৰ্ষিত কৰাৰ ব্যৱস্থা হাতত লয়। তাৰ পাচত মই কব বিছাৰিছো যে, এই বনাঞ্চল সমূহত থকা যিবিলাক মানুহ বনৰীয়া হাতী জীৱ-জন্তু আদিৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈছে সেইসকলক ক্ষতি পূৰণ দিয়া হোৱা নাই। যদিও মুখ্যমন্ত্ৰীয়ে চৰকাৰী নীতি থকাৰ কথা কৈছে, ব্যক্তিগত হিচাবে মই তেখেতক জনাও সেই অঞ্চলৰ কোনো মানুহকে ক্ষতিপূৰণ দিয়া হোৱা নাই। এই কেইটামান কথা দৰং জিলাৰ ৰাইজৰ হৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আশাকৰো চৰকাৰে মনত ৰাখি ব্যৱস্থা লব।

অধ্যক্ষ: এতিয়া ১২'৪৫ সময় হৈছে। মুখ্যমন্ত্ৰী মহোদয়ে এতিয়া বিতৰ্কৰ উত্তৰ দিব।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত: মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগৰ তৰফৰ পৰা যি মঞ্জুৰী বিচাৰি আজি এই সদনত উৎথাপন কৰা প্ৰস্তাবত যিসকল

* Speech not Corrected

সদস্যাই অংশ গ্ৰহণ কৰিছে তেখেত সকলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। আলোচনাত অংশ গ্ৰহণ কৰি শ্ৰীবিনয় খুংগুৰ বসুমতাৰীয়ে কৈছে যে বনৰ লগত ট্ৰাইবেল সকলৰ সম্বন্ধ আছে এইটো অস্বীকাৰ কৰিবলৈ যোৱা নাই। আমি বিশ্বাস কৰো যে, ট্ৰাইবেল এটা জাতি হব নোৱাৰে। ই এটা মানুহৰ জীৱনৰ স্তৰ। এই স্তৰ অতিক্ৰম কৰি পাৰ হৈ অহা সকলক নন ট্ৰাইবেল বুলি কোৱা হয়। তেখেতে ট্ৰাইবেল বুলি দাবী কৰি থাকিব পাৰে কিন্তু সেই স্তৰ কেতিয়াবাই পাৰ হৈ আহিছে। এই সম্পৰ্কত বিভিন্ন প্ৰশ্নৰ উত্তৰত স্পষ্টভাবে কৈছো যে মানুহে ভালদৰে বসবাস কৰি থাকিবলৈ হলে প্ৰকৃতিৰ লগত সম্পৰ্ক ৰাখিব লাগিব। প্ৰাকৃতিক সম্পদৰ ৰক্ষণাবেক্ষণৰ প্ৰয়োজন আছে। এখন সভ্য সমাজত জীৱ জন্তুক ৰক্ষনা বেক্ষণ দিয়াতো জীৱশ্ৰেষ্ঠ বুলি দাবী কৰা মানুহৰ দায়িত্ব আৰু কৰ্ত্তব্য আছে। এই মানব জাতিয়ে বিভিন্ন প্ৰকাৰে বনজ সম্পদ ৰক্ষণাবেক্ষণ কৰাত নিজকে ব্যস্ত ৰাখিবৰ কাৰণে প্ৰস্তুতি চলাই আহিছে। আজিও ঠিক তেনেকৈ অসমৰ ক্ষেত্ৰত প্ৰাকৃতিক সম্পদত অসম অতি চহকী বুলি কৈ আহিছো আৰু এই প্ৰাকৃতিক সম্পদ ৰক্ষা কৰাতো আমাৰ প্ৰত্যেকৰে দায়িত্ব আৰু কৰ্ত্তব্য। বিভিন্ন সময়ত অসমৰ বিভিন্ন ঠাইত বনজ সম্পদ ৰক্ষা কৰিবলৈ যাওতে বিভিন্ন সমস্যাৰ উদ্ভব হৈছে। অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত বনাঞ্চলত বেদখলৰ প্ৰচেষ্টা বৰ্ত্তমান চলি আছে। এই বনাঞ্চল সমূহ যদি আমি ৰক্ষা কৰিব নোৱাৰো তেতিয়াহলে আমাৰ ৰাজ্যৰ কাৰণে সাংঘাটিক বিপদ মাতি অনা হব। বনাঞ্চল বেদখলৰ কুফল ইতিমধ্যে আমি পাবলৈ আৰম্ভ কৰিছো যিটো বছৰে বছৰে বাঢ়ি গৈ আছে। আমি যিকোনো বিনিময়ৰ মূল্যত বনাঞ্চল ৰক্ষা কৰিব লাগিব। তৃথীয়া মানুহক ৰাজনৈতিক উদ্দেশ্যত এই বেদখলৰ কামত উৎসাহ দিয়াতো আজি ৰাষ্ট্ৰ বিৰোধী কাম বুলি গন্য কৰো। অদূৰ ভবিষ্যতে ৰাজনৈতিক দলৰ লাভ হব পাৰে কিন্তু এই ধৰণৰ কাম ভুল। জন-জাতি ভাইসকলে এই বেদখল কৰিবলে যাওতে কু-ফলৰ প্ৰথম বলি হব লাগিব। তেজপুৰ, শোনিতপুৰ, দৰং জিলাত বিভিন্ন অঞ্চলত অলপ দিনত এনেকুৱা ঘটনা হৈছে। যিসকলে যুগ যুগ ধৰি বনানঞ্চল দখল কৰি আছিল তেওঁলোকক উচ্ছেদ কৰা নাই। কিন্তু কিছুমান গোষ্ঠীৰ উৎসাহত কিছু মানুহে নতুনকৈ বেদখল কৰাত আগবাঢ়ি গৈছে আৰু তাক ৰোধ কৰিবৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰ কাৰণে অসম চৰকাৰ বা যি কোনো ৰাজনৈতিক গোষ্ঠী পিচ পৰি থাকিব নোৱাৰে। শ্ৰীবসুমতাৰী ডাওৰীয়াই যিটো সন্দেহ কৰিছে তাক

অমূলক বুলি কব নিছাৰিছো। আশাকৰো বনাঞ্চল ৰক্ষা কৰাৰ ক্ষেত্ৰত সকলোৱে সমানে আগবাঢ়ি আহিব আৰু সহায় কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীগোলোক ৰাজবংশী ডাঙৰীয়াই তেখেতে উল্লেখ কৰিছে যে এই মঞ্জুৰী গতানুগতিক ভাৱেই হৈছে। গছ কটা হৈছে, গছ বিক্ৰি কৰা হৈছে, কিন্তু গছ কটাটো বন্ধ কৰা হোৱা নাই। আজি সদনত এইটো কথা মই স্পষ্টভাৱে কব বিচাৰিছো যে অসম গণ পৰিষদ দলৰ চৰকাৰ গঠন হোৱাৰ পিচত অসমত গছ কটাটো বন্ধ কৰি দিয়া হৈছে। ডিপাৰ্টমেণ্ট 'অপাৰেছন' হব লাগে। গছ কটা কাৰণে বাহিৰৰ কোনো প্ৰাইভেট পাৰ্টিক পাৰমিট আদি দিয়া হোৱা নাই। আৰু এইটো কথা উন্মুকিয়াব পাৰো যে ফৰেষ্ট গভৰ্ণমেণ্টে ৰিচৰা ধৰণে ৰেলওৱেৰ 'শ্লীপাৰ' যোগান ধৰা হয়। এই যোগানৰ ক্ষেত্ৰত বিশেষকৈ 'আন এমপ্লয়ড ইয়ুথ' সকলক সুবিধা দিয়াৰ বাবে বিভিন্ন সময়ত দাবী আহি আছে। ইতিমধ্যে এই 'শ্লীপাৰ' যোগানৰ বাবে ৬৫ জন 'আন এমপ্লয়ড ইয়ুথ'ক দিয়া হৈছে। কোনোবাই ১ হেজাৰ আৰু কোনোবাই ৫ শ টকাকৈ পাইছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মূল উদ্দেশ্য আছিল এই ব্যৱসায়ৰ দ্বাৰা 'আন এমপ্লয়ড ইয়ুথ' সকলক সহায় কৰা। কিন্তু দেখা যায় ইয়াৰ পৰা ভাল ফল পোৱা নহল, কাৰণ ইয়াৰ মুনাফা কোনোৰা 'মিডল' মেনেহে আদায় কৰিছে। সেই বিষয়ে বন বিভাগৰ পৰা নতুনকৈ চিন্তা কৰি চাব লগা হৈছে। মাননীয় সদস্য শ্ৰীআলতাফ হুছেইন মজুমদাৰ ডাঙৰীয়াই উল্লেখ কৰি কৈছে যে আগৰ বন মন্ত্ৰী থাকোতে, চীফ মিনিষ্টাৰ ডিজায়াৰ বুলি কিছু কাম আদায় কৰা বুলি অভিযোগ আনিছে। আপুনি আচৰিত হব অধ্যক্ষ মহোদয়, ৰাতিপুৱাৰ লগে লগে মোৰ ওচৰলৈ কিমান মানুহে 'শ্লীপাৰ' লৈ আহে ভাবিলে আচৰিত হব লাগে। গতিকে মই সেইবিলাক ফৰেষ্ট মিনিষ্টাৰলৈ পঠিয়াবই লাগিব, একজামিন কৰিবৰ বাবে। এজন মন্ত্ৰীলৈ পঠিওৱা মানে কিবা এটা কাম কৰি দিয়া অৰ্থ নুবুজায়।

ইয়াৰ বাহিৰেও আৰু নতুন বন নীতিৰ ক্ষেত্ৰত স্পষ্টভাৱে কৈছো যে অবৈধ ভাৱে গছ কটা বন্ধ কৰাৰ উপৰিও আমি বন বিভাগ ৰক্ষা কৰিবৰ কাৰণে বিভিন্ন ব্যৱস্থা হাতত লৈছো। এই ব্যৱস্থাৰ বাবে সকলো শ্ৰমিক জনসাধাৰণৰ সহায় সহযোগ আৱশ্যক হব। যেনেকৈ মানুহৰ জীৱন ধাৰণৰ কাৰণে গছৰ আৱশ্যক তেনেকৈ গছ নেথাকিলেও মানুহৰ কাৰণে বিভিন্ন অসুবিধা

হব পাৰে। ইতিমধ্যে বনাঞ্চল জব্দ কৰা হৈছে, এই গছ বিলাক প্ৰাইভেট পাৰ্টিক দিয়া নাই। চৰকাৰে কমিটি কৰি দিছে, ডেপুটি কমিচনাৰ, আৰক্ষী অধীক্ষক, ডি, এফ, অ' তাত থাকিব। স্থানীয় মানুহৰ কাৰণেই এই বিলাক কৰা হৈছে যাতে তেওঁলোকে তাতেই থাকি লোৱাৰ সুবিধা পাব পাৰে। ইয়াৰ বাহিৰেও গছ পুলি ৰোৱা আদিৰ ক্ষেত্ৰত বিভিন্ন অভিযোগ আহি আছে। মাননীয় সদস্য শ্ৰীশ্বহীদুল ইছলাম আৰু অমৃতলাল বসুমতাৰী ডাঙৰীয়াই এই সম্পৰ্কে বিভিন্ন কথা উল্লেখ কৰিছে। এই ক্ষেত্ৰত বন বিভাগৰ তৰফৰ পৰা ব্যৱস্থা হাতত লোৱা হৈছে। অসমত যি 'বন নীতি' আইন আছে, এই আইন অতি পুৰণি আইন।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে নিশ্চয় জানে যে বন আইন ইমান 'ডিফেকটিভ' হৈ আছে তাত যদি এখন গৰু গাড়ীয়ে কাঠ অবৈধভাৱে লৈ যায় তেতিয়াহলে গৰু গাড়ীখন নীলামত দিব পাৰে। কিন্তু ট্ৰাকে যদি সেই কাঠ অহৰহ নি থাকে তেনেহলে তাক ধৰিব নোৱাৰি। তেনেকুৱা কিছুমান অসুবিধা আছে। সেই অসুবিধা নাইকীয়া কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। সেইকাৰণেই 'বন নীতি' আপোনালোকৰ ওচৰত ঘোষণা কৰিছো। এইটো হলে বিষয়া সকলৰ, বন সংৰক্ষক বিষয়া সকলৰ, কৰ্ম্মচাৰী সকলৰ কাম কৰিবৰ কাৰণে সম্পূৰ্ণ সুযোগ আৰু সুবিধা পাব। চেটেলমেণ্ট দিয়া সম্পৰ্কে প্ৰশ্ন উঠিছে, বানপানী হোৱাৰ বাবদ ক'ৰবাত ক'ৰবাত ৩/৪ মাহ এক্সটেনচন দিয়া হ'ল কিন্তু এনেয়ে এক্সটেনচন দিয়া হোৱা নাই। ১০ পাৰচেণ্ট 'ৰয়েলিটি' লৈহে এক্সটেনচন দিয়া হৈছে। বাকী সকলোবিলাক 'টেনদাৰৰ' যোগেদিহে দিয়া হৈছে। ইয়াত কোনো 'বেক-দৰ' পলিচি থাকিব নোৱাৰে মেনেইজ কৰা বেলেগ কথা। টকা লৈ মেনেইজ কৰা পলিচি থাকিব নোৱাৰে। এই কথাটো মই স্পষ্টভাৱে কৈছো যে টেনদাৰৰ যোগেদিহে এই বিলাক কৰা হৈছে। সন্দেহ কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে কিন্তু ঘটনা হ'ল আগতে বেয়া কৰি যোৱা কাম বিলাক ভাল কৰিবলৈ সময় লাগিব। আমি একে দিনাই ভাল এটা ৰিজাল্ট পাব নোৱাৰো।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই গড় আৰু হাতীৰ সম্পৰ্কে বিভিন্ন প্ৰশ্ন উত্থাপন কৰিছে। আজি কাজিৰঙাত চোৰাং চিকাৰীৰ উৎপাত বাঢ়ি গৈছে, তাৰ ফলত আমি এশিঙিয়া গড় হেৰুৱাব-লগীয়াত পৰিলো। এই বিলাক আন্তৰাষ্ট্ৰীয় চোৰাং কাৰবাৰ হৈ আছে বুলি

ইতিমধ্যে গম পোৱা গৈছে আৰু সেই সম্পৰ্কে বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে। তেওঁলোকে এনেধৰণে অস্ত্ৰসস্ত্ৰ সুসজ্জিত হৈ আছে যে আমাৰ ফৰেষ্ট গাৰ্ড বিলাকে একোৱেই কৰিব নোৱাৰে বা বাধা দিবৰ বাবে অক্ষম হৈ পৰে। সেইবিলাক নাইকিয়া কৰিবৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ সহায় সহযোগ বিচাৰিছো আৰু আমাক পৰামৰ্শ দি সহায় কৰিব লাগে। আপোনালোক আচৰিত হব অলপতে কেইজনমান নাগালেণ্ডৰ মানুহ ধৰি পেলালে আৰু গ্ৰেপ্তাৰ কৰা হৈছে, তাৰ পিচত দেখা যায় এইটো আন্তঃৰাষ্ট্ৰীয় ষড়যন্ত্ৰ জড়িত হৈ আছে। সেইকাৰণে এই আন্তঃৰাষ্ট্ৰীয় চোৰাং চিকাৰ বন্ধ কৰাৰ দায়িত্বত থকা পুলিচ প্ৰশাসনৰ বা চৰকাৰৰ প্ৰশাসনীয় যোগে আৰু এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰৰ সহায় সহযোগ কামনা কৰিছো। আৰু ইয়াৰ লগতে হাতীৰ সমস্যাটো এটা ডাঙৰ সমস্যা হৈছে। সেইটো সমস্যা মাননীয় সদস্য সকলে কোৱাৰ দৰে কেন্দ্ৰীয় চৰকাৰে হাতী ধৰাটো বন্ধ কৰি দিছে আৰু বন্ধ কৰি দিয়াৰ ফলত হাতীৰ যিটো নিয়ন্ত্ৰণ সেই নিয়ন্ত্ৰণটো বহু ক্ষেত্ৰত কাৰ্য্যকৰী হোৱা নাই। যাৰ ফলত বন বিভাগৰ যথেষ্ট অসুবিধা হৈছে। কি মানুহ, কি খেতি-বাতি এইবিলাক নষ্ট কৰাৰ উপৰিও বহুতে প্ৰাণ হেৰুৱাব লগীয়াত পৰিছে। আমি সেইকাৰণে হাতী ধৰা প্ৰক্ৰিয়াটোত সহায় কৰিবৰ কাৰণে, ধৰিবৰলৈ অনুমতি দিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো। আজি যিবোৰ পৰামৰ্শ আৰু অভিযোগ উৎথাপন কৰিছে এইখিনি তদন্ত কৰি ব্যৱস্থা লবৰ কাৰণে বিভাগক কোৱা হব বাটবাকী ৰেঞ্জ আৰু জলেচৰ ৰেঞ্জ সম্পৰ্কে।

ইয়াৰ বাহিৰেও মাননীয় সদস্য শ্ৰীগুনিন হাজৰিকা, শ্ৰীগণেশ কুটুম আৰু শ্ৰীদেবেশ্বৰ বৰা ভাণ্ডৰীয়াৰ, তেখেতসকলৰ গঠনমূলক পৰামৰ্শৰ কাৰণে কৃতজ্ঞতা জ্ঞাপন কৰিছো। মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে, তেখেতে চুগাৰ পুটিংৰ নিচিনা ব্যৱস্থা কৰিছে। চৰকাৰেই যেতিয়া পলিচি বনাবলগীয়া হয় তেতিয়া বিভিন্ন ধৰণৰ কাগজ-পত্ৰ অধ্যয়ন কৰিবলগীয়া হয়। অডিটৰ জেনেৰেলৰ ৰিপৰ্ট চালে দেখিব যে ১৯৮৫-৮৬ চনত ৫ কোটি লোকচান হৈছে, এই লোকচান কিয় হৈছে, গছ কটা কাৰণে বা অন্যান্য কাৰণে এই বিভাগক তদন্ত কৰিবলৈ দিয়া হৈছে। এনেকুৱা বিলাক যাতে নহয়, এইবিলাক সংশোধন কৰাটো চৰকাৰৰ প্ৰধান দায়িত্ব। চৰকাৰৰ দায়িত্বত থাকি আমি আঁতৰি যাব নোৱাৰো। তেখেতে কৈছে যে এইটো ফৰেষ্ট পলিছি আৰু তেখেতৰ

লগত আলোচনা কৰিলে ভাল হব বুলি কৈছে। আলোচনা কৰাত আপত্তি নাই। তেখেতে ফৰেষ্ট পলিচিখন গোটেইখন নপঢ়িলে। গতিকে এইটোত মোৰ সন্দেহ থাকি গৈছে তেখেতৰ লগত আলোচনা কৰিলেও মই এটা ভাল পৰামৰ্শ দিব নোৱাৰিম। বৰঞ্চ এইখিনিয়েই ভাল সবতকৈ। এইখিনি গ্ৰহণ কৰিবৰ কাৰণে অনুৰোধ জনাইছো। তেখেতৰ পৰামৰ্শ থাকিলে লিখিতভাৱে আমাক জনাব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও মাননীয় সদস্য শ্ৰীৰামেশ্বৰ ধনোৱাৰ দেৱে তেখেতে বিভিন্ন ধৰণৰ পৰামৰ্শ আগবঢ়াইছে। তেখেতক মই ধন্যবাদ জনাইছো। কিন্তু গছ কটা সুৰুঙা মাৰিবৰ কাৰণে আমি চেষ্টা কৰিছো। বিভিন্ন ক্ষেত্ৰত দেখা যায় যে চৰকাৰৰ আইন যিমানে দৃঢ় কৰা নেযাওক কিয় তাত এটি সুৰুঙা থাকি যায়। আমি এইটো নাইকিয়া কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব। আৰু সেইকাৰণে তৰাণি বনাঞ্চলৰ গছ কটা সম্পৰ্কে যি অভিযোগ উৎথাপন কৰিছে এই সম্পৰ্কে বিভাগৰ তৰফৰ পৰা তদন্ত কৰিবৰ কাৰণে গুৰুত্ব দিয়া হৈছে। মাননীয় সদস্য ধানোৱাৰ ডাঙৰীয়াই আৰু এটা কথা উল্লেখ কৰিছে যে 'কেজোৱেল লেবাৰ'ৰ কাৰণে আৰু আমাৰ হেমেন দাস ডাঙৰীয়াইও সেই বিষয়ে উৎথাপন কৰিছে, চৰকাৰৰ এইটো বিবেচনাধীন আছে। কিন্তু 'চছিয়েল ফৰেষ্ট্ৰি' হব লাগে আৰু 'নৰমেল ফৰেষ্ট্ৰি' এইটো ডিষ্ট্ৰিক ভিত্তিত 'ইনটাৰভিউ'ৰ ব্যৱস্থা কৰা হৈছে আৰু সেইখিনি ডিষ্ট্ৰিকৰ ল'ৰাই ইয়াত সুবিধা পাব। তাকে কৰিবলৈ যাওঁতে বিভিন্ন ধৰণৰ অসুবিধা হৈছে, কাৰণ ফৰেষ্ট এৰিয়াৰ ল'ৰা-ছোৱালী বিলাকে বোলে চাকৰি নেপাব, কাৰণ তেওঁলোকৰ যিখিনি পাৰদৰ্শিতা লাগে সেইখিনি পাৰদৰ্শিতা দেখুৱাব নোৱাৰিব পাৰে। সেইকাৰণে এইটো এটা সমস্যা হৈছে। সেইবিলাক বিবেচনা কৰিবৰ কাৰণে ইতিমধ্যে বিভাগক কৈছো। আশাকৰো তেনেকুৱা অসুবিধা নাইকিয়া কৰিবৰ কাৰণে ব্যৱস্থা লব পৰা যাব। মাননীয় সদস্য শ্ৰীমুক্তাৰ হুছেইন ডাঙৰীয়াই তেখেতে উল্লেখ কৰিছে গছ পুলিৰ ক্ষেত্ৰত এইটো এটা ডাঙৰ সমস্যা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে বিবেচনা কৰিবৰ কাৰণে ইতিমধ্যে বিভাগক নিৰ্দ্দেশ দিছো। মাননীয় সদস্য শ্ৰীমোক্তাৰ হুছেইন ডাঙৰীয়াই গছপুলি ৰোৱাৰ সংক্ৰান্তত যি বিলাক সমস্যাৰ কথা উল্লেখ কৰিছে সেইবিলাক নাইকীয়া কৰিবৰ কাৰণে ইতিমধ্যে সামাজিক বনানীকৰণ বিভাগৰ লগত আলোচনা-বিলোচনা

আদি কৰা হৈছে। অসমৰ জনসাধাৰণ লাভজনক হব পৰা গছপুলি ৰোৱাৰ কাৰণে আমি চাম। সামাজিক বনানীকৰণটো 'ডি, আৰ, ডি, এ'ৰ তৰফৰ পৰা কাৰব লাগে। গতিকে এইটো ইয়াৰ লগত সংলগ্ন নহব।

মাননীয় অধ্যক্ষ মহোদয়, লেবাৰ প্ৰবলেম'ৰ কথা কোৱা হৈছে। এই সম্পৰ্কত কওঁ যে, তেওঁ বিলাকক বিনা বেতনে কাম কৰিবলৈ দিয়া নহয়। তেওঁলোকে গোটেই বছৰটোৰেই লাগতিয়াল খৰিৰ পৰা ষ্টোৰ আদিলৈকে বিনামূলীয়াকৈ ব্যৱহাৰ কৰিব পাৰে। ফলত তেওঁলোকে পোৱা মজুৰীতকৈ তেওঁলোকে গোটেই বছৰটোৱেই ব্যৱহাৰ কৰা সামগ্ৰীৰ মূল্য বহুত বেছি হয়। অথচ তেওঁলোকে মাত্ৰ ৫ দিনহে কাম কৰিব লাগে। গতিকে তেওঁলোকৰ ক্ষেত্ৰত অন্যায় কৰা বুলি কব নোৱাৰি। তেওঁলোক লাভজনকহে হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই টি, এছ; চি ৰ শিতানত ধাৰ্য্য কৰা টকা জেনেৰেল এৰিয়াত খৰছ কৰা বুলি কৈছে। কিন্তু তথ্য সহকাৰে এইটো নহয় বুলি প্ৰমাণ কৰিব পাৰি। আমি বিভিন্ন শিতানত যিমান বিলাক টকা ধাৰ্য্য কৰিছো তাৰ পৰাই কথাটো স্পষ্টকৈ ওলাই পৰিছে।

সাধাৰণ আৰু পাৰ্ব্বত্য এলেকাৰ ১৯৮৮-৮৯ চনৰ পৰিকল্পনা আৰু স্বাভাবিক শিতানত ৫২, ০৫, ৩৪, ০০০.০০ টকা ব্যয়ৰ অনুমানিক হিচাবৰ ওপৰত ব্যাখ্যামূলক টোকা।

---

০০১ নিৰ্দ্দেশনা ও প্ৰশাসন ঃ-( DIRECTION & ADMINISTRATION )

স্বাভাবিক ঃ-৭, ৮১, ২৮, ০০০

পৰিকল্পনা ঃ-

( সাধাৰণ এলেকা )-১, ৫০, ০০০

স্বাভাৱিক ঃ-

( পাৰ্ব্বত্য এলেকা )-৩৫, ১৬, ০০০

পৰিকল্পনা

( পাৰ্ব্বত্য এলেকা )= ১৮, ০০, ০০০

---

মুঠ ৮, ৩৫, ৯৪, ০০০

ওপৰত উল্লেখিত ব্যয়ৰ আনুমানিক হিচাব বন বিভাগৰ বৰ্ত্তমান থকা ৪,০৯৫ জন কৰ্ম্মচাৰীৰ মাহিলী দৰমহা, ভাট্টা আৰু ভ্ৰমণ ব্যয়ৰ ক্ষেত্ৰত

ধাৰ্য্য কৰা হৈছে। উক্ত ৪, ০৯৫ জন কৰ্ম্মচাৰীৰ উপৰিও নতুনকৈ নিযুক্তি পাব লগা ২৫ জন কৰ্ম্মচাৰীৰ দৰমহা আদিও উক্ত আনুমানিক ব্যয়ৰ হিচাপত অন্তৰ্ভুক্ত কৰা হৈছে।

০০৪ গবেষণা ঃ- ( RESEARCH )

স্বাভাৱিক ( সাধাৰণ এলেকা )=১৩, ৪২, ০০০
পৰিকল্পনা ( সাধাৰণ এলেকা )=২০, ০০, ০০০
স্বাভাৱিক ( পাৰ্ব্বত্য এলেকা )=
পৰিকল্পনা ( পাৰ্ব্বত্য এলেকা )=১৭, ০০, ০০০

মূঠ=৫০, ৪২, ০০০

ব্যয়ৰ উক্ত আনুমানিক হিচাপটো চিলভিকালচাৰেল সংমণ্ডলৰ ৰক্ষণাবেক্ষণৰ বাবে ধৰা হৈছে। এই সংমণ্ডলটোৰ দ্বাৰা গবেষণাৰ কাম চলাই যোৱা হৈছে আৰু সৰহ সংখ্যক বৃক্ষৰোপণৰ বৈজ্ঞানিক পদ্ধতি প্ৰবৰ্ত্তনৰ চেষ্টা কৰা হৈছে, যাতে এই বৈজ্ঞানিক পদ্ধতিৰ দ্বাৰা বৃক্ষৰোপণ কাৰ্য্যত তথা ইয়াৰ উন্নতিত কৃতকাৰ্য্যতা লাভ কৰিব পৰা যায়। সাধাৰণ শাখাৰ জৰিয়তে উচ্চ মানদণ্ডৰ বীজ ৰোপণৰ প্ৰচেষ্টা চলাই থকা হৈছে আৰু এই উদ্দেশ্যে ৪০০ মেট্ৰিকটন বিভিন্ন জাতৰ উচ্চ মানদণ্ডৰ বীজৰ প্ৰয়োজন হ'ব। এই সন্দৰ্ভত ১৯৮৮ চনৰ বননীতিৰ ১৩ নং দফাত বিষয়টোৰ ক্ষেত্ৰত যথোচিত গুৰুত্ব দিয়া হৈছে।

২৭৭ শিক্ষা ঃ ( EDUCATION )

স্বাভাৱিক ( সাধাৰণ এলেকা )=৩৪, ৯৬, ০০০
পৰিকল্পনা ( সাধাৰণ এলেকা )=১৫, ০০, ০০০
পৰিকল্পনা ( পাৰ্ব্বত্য এলেকা )=নাই
স্বাভাৱিক ( পাৰ্ব্বত্য এলেকা )=নাই

মূঠ=৪৯, ৯৬, ০০০

ব্যয়ৰ উক্ত আনুমানিক হিচাপ মাকুমত থকা বনৰক্ষী বিদ্যালয়ৰ ৪০ জন চাকৰীত থকা প্ৰশিক্ষাৰ্থী আৰু জালুকবাৰী বনপালক বিদ্যালয়ৰ ৮৪ জন চাকৰীত থকা ( in service trainees ) প্ৰশিক্ষাৰ্থীৰ ৰক্ষনাবেক্ষণৰ বাবে ধাৰ্য্য কৰা হৈছে। প্ৰশিক্ষাৰ্থী সকলৰ ভ্ৰমণ, বেতন আৰু বিদ্যালয় দুখনৰ শিক্ষক আৰু তত্বাবধায়ক কৰ্ম্মচাৰীৰ ( SUPERVISORY STAFF ) বেতন আদিত ব্যয়ৰ উক্ত আনুমানিক হিচাবত কৰা হৈছে। নতুন বননীতিৰ ২৮ নং দফাৰ

পৰিপ্ৰেক্ষিতত উক্ত ব্যয়ৰ যি আনুমানিক হিচাব দাঙি ধৰা হৈছে সি নিত্যান্তই অপৰিহাৰ্য্য।

১০১ বন সংৰক্ষণ আৰু উন্নয়ণ ঃ ( FOREST CONSERVATION & DEVELOPMENT )

স্বাভাবিক ঃ ৪, ৩০, ০০, ০০০
পৰিকল্পনা
( সাধাৰণ এলেকা )=৩, ০১, ০০, ০০০
পৰিকল্পনা
( পাৰ্ব্বত্য এলেকা )=৪২, ৯০, ০০০

মুঠ=৭, ৭৩, ৯০, ০০০

নিম্নোক্ত শিতানত সৰ্ব্বমুঠ ৫ টা আঁচনি আছে।

(ক) বন সুৰক্ষা ঃ ( FOREST PROTECTION ) এই শিতানত সংৰক্ষিত বনাঞ্চলত চোৰাং বেপাৰীৰ অবৈধ কাৰ্য্যকলাপ প্ৰতিহত কৰাব উদ্দেশ্যে আৰু লগতে আন্তঃ ৰাজ্যিক আৰু আন্তৰ্জাতিক সীমান্তও উদ্ভৱ হোৱা পৰিস্থিতিৰ মোকামিলা কৰিবলৈ সুৰক্ষা বাহিনীক ৰক্ষনা বেক্ষন দিয়া হৈছে আৰু অসম বন সুৰক্ষা বাহিনী আংশিক ভাৱে গঠন কৰা হৈছে। এই বন সুৰক্ষা আঁচনিৰ জৰিয়তে ১১৫০ জন কৰ্ম্মচাৰীৰ অকল বেতন আদিৰ হিচাবেই নহয় সুৰক্ষা বাহিনীৰ ৰক্ষনাবেক্ষন লগতে থকা মেলা, ৰেচন ইউনিফৰ্ম আদিব খৰচো ধৰা হৈছে। এই ক্ষেত্ৰত নতুন বননীতিৰ দফা নং ১৭ প্ৰনিধানযোগ্য।

(খ) বিভাগীয় ভাৱে কাঠ কটা আঁচনি ঃ ( DEPARTMENTAL OPERATION OF TIMBER ) নতুন গছপুলি ৰোপনৰ উদ্দেশ্যে বনাঞ্চল মুকলি কৰিবৰ বাবে বছৰি ৪০ -হেজাৰ ঘঃ মিঃ পৰিমানৰ গছ বিভাগীয় ভাৱে কাটে। তাৰোপৰি ২৫ হেজাৰ ঘঃ মিঃ ঠাক ( STACK ) খৰি আৰু ২১ হেজাৰ মুঠি বেত কাটি উলিয়ায়। বিভাগীয় ভাবে গছ কটাৰ ক্ষেত্ৰত ব্যয় হোৱাৰ ধনৰ লগত কৰ্ম্মচাৰীৰ ৰক্ষনাবেক্ষন, যান-বাহন, ট্ৰেক্টৰ, বিভাগীয় ভাবে কটা বনজ সম্পদ কঢ়িয়াই নিবৰ বাবে বিষদ ব্যৱস্থা আৰু তাৰোপৰিও গছ, বেত আদি কটাৰ খৰছ, বিভাগীয় ভাৱে কাঠকটা কল আৰু কৰ্ম্মচাৰীৰ অধিক কৰ্ম্মফল কৰি তোলাৰ বাবে আৱশ্যক হোৱা খৰছো অন্তৰ্ভুক্ত কৰা হৈছে। এই সন্দৰ্ভত নতুন বননীতিৰ ২৫ নং দফা উল্লেখযোগ্য।

(গ) লগিং প্ৰশিক্ষন ঃ ( LOGGING TRAINING ) গছকটা সম্পৰ্কে আধুনিক ধ্যান ধাৰনা আৰু বিজ্ঞান সম্মত পদ্ধতিৰ মতে বন কৰ্ম্মীসকলক লগিং প্ৰশিক্ষনৰ জৰিয়তে শিক্ষা দিয়া হয়, যাতে বিভাগীয় ভাবে বনজ সম্পদ অধিকাংশ উদ্ধাৰ কৰিব পৰা হয়। বনজ সম্পদ সাৰ্থক ভাৱে আহৰন কৰাৰ ক্ষেত্ৰত এই লগিং প্ৰশিক্ষন অত্যাৱশ্যকীয়। এই আঁচনিৰ জৰিয়তে লগিং সংমণ্ডলৰ স্থাপন আৰু কৰ্ম্মচাৰী সকলৰ ৰক্ষনাবেক্ষনৰ বিষয়টোও জড়িত হৈ আছে। বননীতিৰ ২৮ নং দফাৰ পৰিপ্ৰেক্ষিতত এই আচনি অতীব গুৰুত্বপূৰ্ণ।

(ঘ) বন কৰ্ম্মচাৰী আৰু বনুৱা সকলৰ বাবে সা-সুবিধা ঃ ( AMENITIES To FOREST STAFF & LABOUR ) এই আঁচনিৰ জৰিয়তে বনাঞ্চলত থকা কৰ্ম্মচাৰী সকলৰ সা-সুবিধাৰ বাবে পানী আৰু বিজুলী যোগান ধৰা হয়।

(ঙ) বন একত্ৰীকৰণ ঃ ( CONSOLIDATION OF FORESTS ) এই আচনিৰ জৰিয়তে বনাঞ্চলৰ পৰিসীমাৰ জৰীপ আদিৰ লগতে যথাযথ ৰক্ষনা বেক্ষনৰ ব্যৱস্থা কৰা হয়।

০০৫ বনজ সম্পদৰ জৰীপ ঃ ( SURVEY OF FOREST RESOURCES )

| | |
|---|---|
| স্বাভাবিক ( সাঃ এলেকা ) | ৩৮, ১২, ০০০ |
| পৰিকল্পনা ( সাঃ এলেকা ) | ২৯, ০০, ০০০ |
| পৰিকল্পনা ( পাঃ এলেকা ) | ২২, ০০, ০০০ |
| মুঠ— | ৮৯, ১২, ০০০ |

আমাৰ বন সম্পদ ৰাজিৰ সৰ্ব্বাধিক আহৰন আৰু প্ৰয়োগৰ লগতে বনজ সম্পদৰ তালিকা আদি প্ৰস্তুত কৰিবৰ কাৰনে ব্যাপক জৰীপৰ প্ৰয়োজন। এতিয়ালৈকে তৈল বীজ আৰু বাহঁৰ সম্ভাৱনা সম্পৰ্কে জৰীপ কৰি থকা হৈছে। এই প্ৰক্ৰিয়া উক্ত আঁচনিৰ জৰিয়তে চলাই ৰাখিবলৈ ব্যৱস্থা কৰা হৈছে। এই সন্দৰ্ভত নতুন বননীতিৰ ১১ আৰু ১৪ নং দফালৈ আঙুলিয়াব পাৰি।

১০৫ বনজ সম্পদ ঃ ( FOREST RESOURCES ) এই আঁচনিত স্বাভাবিক তথা সাধাৰন আৰু পাৰ্ব্বত্য এলেকাৰ পৰিকল্পনাৰ শিতানত মুঠ ৬, ২২, ৫৫, ০০০ ধৰা হৈছে। বন সম্পদৰ সমৃদ্ধিকৰণৰ কাৰনে বনানীকৰন ব্যৱস্থাৰ পদ্ধতিৰ লগত গছপুলি ৰোপন ওতঃপ্ৰোত ভাৱে জড়িত। তাৰোপৰি এই আচনিৰ জৰিয়তে নগ্ন আৰু তকলা অঞ্চলত পুনৰ গছপুলি ৰোপনৰ

ব্যৱস্থা আৰু লগতে খৰি যোগানৰ বাবেও গছ-গছনি ৰোৱাৰ ব্যৱস্থা কৰা হৈছে। নতুন বননীতিৰ ১১, ১২, ১৪ দফা এই প্ৰসঙ্গত উল্লেখযোগ্য। বনানীকৰন আঁচনি কোনো ক্ষেত্ৰতে বাধাপ্ৰাপ্ত হ'ব নোৱাৰে আৰু ইয়াক বন্ধ কৰিব পৰাও নাযায়।

১০২ সামাজিক আৰু ফাৰ্ম বনানিকৰণ ঃ (SOCIAL & FARM FORESTRY) এই আচনিত স্বাভাৱিক তথা পৰিকল্পনা শিতানত সাধাৰণ আৰু পাৰ্বত্য এলেকালৈ মুঠ ৫, ৭১, ০০, ০০০ টকা ব্যয়ৰ আনুমানিক হিচাব ধৰা হৈছে। বনাঞ্চলৰ পৰিধি বৃদ্ধিৰ কাৰণে কাঠৰ বাঢ়ি অহা চাহিদাৰ কাৰণে খৰিৰ আবণ্টন, পি, জি, আৰ, ভি জি আৰু পাম অঞ্চল, ৰাস্তাৰ দাতিত, ব্যাপক বনানিকৰনৰ আঁচনি লোৱা হৈছে। নতুন বননীতিৰ ১৮ দফাৰ প্ৰতি লক্ষ্য ৰাখিয়ে এই আঁচনি ব্যাপক কৰি তোলা হৈছে।

০৭০ যোগাযোগ আৰু গৃহ নিৰ্ম্মাণ অ'াচনি ঃ (COMMUNICATION & BUILDING) এই অ'াচনিত স্বাভাৱিক তথা সাধাৰণ আৰু পাৰ্বত্য এলেকাৰ পৰিকল্পিত শিতানত ১, ৮৯, ৬০, ০০০ টকা ধাৰ্য্য কৰা হৈছে। ব্যয়ৰ এই হিচাবৰ জৰিয়তে বৰ্ত্তমান থকা ৪, ৯৭০ কিঃ মিঃ বন পথ ৰক্ষনা-বেক্ষনৰ বাবে উক্ত ধন ধাৰ্য্য কৰা হৈছে। তাৰ বাহিৰেও যিবোৰ অঞ্চল এতিয়াও দুৰ্গম হৈ আছে উক্ত অঞ্চল সমূহ সুচল কৰিবলৈ কাঠ আহৰণৰ ক্ষেত্ৰত মিতব্যয়িতা অবলম্বন কৰিবলৈ আৰু বনজ সম্পদসমূহ কঢ়িয়াই নিবলৈ এই আঁচনিৰ জৰিয়তে পৰিকল্পনা হাতত লোৱা হৈছে। সংযোগৰ ক্ষেত্ৰত যথোপযুক্ত সুবিধা নাথাকিলে কোনো ধৰনৰ উন্নয়ন তথা চিন্তা কৰিব নোৱাৰি। এই পৰিপ্ৰেক্ষিতত নতুন বননীতিৰ ১৭ নং দফা প্ৰণিধানযোগ্য।

১১০।
১১১। বন্যপ্ৰাণী সংৰক্ষণ ঃ (WILDLIFE CONSERVATION)
১১২।

এই আঁচনিত সাধাৰণ আৰু পাৰ্বত্য এলেকাৰ পৰিকল্পনা শিতান তথা স্বাভাৱিক শিতানত সৰ্বমুঠ ৫, ৫৭, ৮০, ০০০ টকা ধাৰ্য্য কৰা হৈছে। উক্ত শিতানত সৰ্বমুঠ ১৪ টা আঁচনি আছে। বন্যপ্ৰাণী থকা অঞ্চলৰ সংৰক্ষণ, বন ব্যৱস্থাপনাৰ পৰিপ্ৰেক্ষিতত অতিশয় গুৰুত্বপূৰ্ণ আৰু বননীতিৰ ১৬ নং দফাত এই বিষয়ে উল্লেখ কৰা হৈছে।

৮০০ অন্যান্য খৰছ ঃ (OTHER EXPENDITURE) অন্যান্য

খৰছৰ শিতানত সাধাৰণ আৰু পাৰ্বত্য এলেকাৰ পৰিকল্পনা আৰু স্বাভাৱিক শিতানত ৩, ৫২, ০৫, ০০০ টকা ধাৰ্য্য কৰা হৈছে।

গৃহৰক্ষী বাহিনীৰ ৰক্ষনা-বেক্ষন, ক্ষেত্ৰ কৰ্মী সকলৰ সাজ-পোচাক যোগান, অবৈধ বেদখলকাৰীক উচ্ছেদকৰণ কাৰ্য্যত হোৱা খৰচ এই শিতানৰ জৰিয়তে ব্যয় কৰিবলৈ বিচৰা হৈছে। নতুন বননীতিৰ ১৭ নং দফা এই সন্দৰ্ভত উল্লেখনীয়। তাৰোপৰি ক্ষেত্ৰ কৰ্মী সকলৰ কাৰণে বনাঞ্চলত ঘৰ-দুৱাৰ নিৰ্মাণ আৰু মাকুমত থকা ( Timber Treatment & Seasening Plant) টো চলাই ৰখা আৰু সৰ্বসাধাৰণ ৰাইজক বনাঞ্চলৰ উপকাৰিতা তথা ইয়াৰ সংৰক্ষণৰ বিষয়ে সজাগ কৰি তোলা প্ৰচাৰ শাখা সমূহ শক্তিশালী কৰি ৰখাৰ উদ্দেশ্যে এই আঁচনিৰ জৰিয়তে উপৰোক্ত শিতানত ব্যয়ৰ আনুমানিক হিচাব ধৰা হৈছে। এই সম্পৰ্কত নতুন বননীতিৰ ১৭ নং দফাটো উল্লেখযোগ্য।

তাৰোপৰি সমীপৱৰ্ত্তী ৰাজ্য সমূহৰ মানুহখিনিৰ অসমৰ সংৰক্ষিত বনাঞ্চলত অনাধিকাৰ প্ৰবেশ কৰাৰ প্ৰবনতা বৃদ্ধি পাইছে।

এই স্পৰ্শকাতৰ সমস্যা সমূহ সমাধানৰ বাবে সীমান্তপথ নিৰ্মাণ, উক্ত অঞ্চল সমূহত পহৰা দিয়া আৰু সীমান্তত থকা পহৰাচকীৰ আৰক্ষীৰ সতে যোগাযোগ ৰখাৰ কাৰণে উক্ত অন্যান্য খৰচৰ শিতানত আনুমানিক ব্যয় হিচাবে ৩, ৫২, ০৫, ০০০ টকা ধৰা হৈছে।

<u>৭৯৯ চাচপেন্স ঃ</u> ( SUSPENSE ) এই শিতানত ( স্বাভাৱিক ) ৯,০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ৰেলৱেক স্লিপাৰযোগান আৰু ডি জি এচ আৰু ডিক কাঠৰ যোগান ধৰাৰ ক্ষেত্ৰত এই ধন ধাৰ্য্য কৰা হৈছে।

**৭৯৬ জনজাতীয় উপ-আঁচনি আৰু অনুসুচীত জাতিৰ উন্নয়ন আঁচনি ঃ ( TRIBAL SUBPLAN & SC COMPONENT PLAN )**

স্বাভাৱিক সাধাৰণ এলেকা আৰু পৰিকল্পনা ( সাঃ এলেকাত )ত সৰ্ব্বমুঠ ২,১৬,০০,০০০ টকা ধাৰ্য্য কৰা হৈছে। জনজাতীয় উপ-আঁচনিৰ জৰিয়তে সমন্বিত জনজাতীয় উন্নয়ণ প্ৰকল্প অঞ্চল সমূহত সামাজিক বনানিকৰণৰ যোগেৰে স্থানীয় অনুন্নত শ্ৰেণী বিশেষকৈ জনজাতি সকল যাতে উপকৃত হয় তাৰ বাবে সততে লক্ষ্য ৰখা হৈছে। এই আঁচনি আংশিক ভাৱে ৰাজ্যৰ সামাজিক বনানিকৰণ ( সাধাৰণ ) আৰু আংশিক ভাৱে বিশেষ কেন্দ্ৰীয় সাহায্যৰ অন্তৰ্ভূক্ত। এই সুনিৰ্দ্দিষ্ট আঁচনিৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি টনকীয়াল কৰা আৰু স্থানীয় জনজাতীয় লোকৰ দৰিদ্ৰতা দুৰীকৰণৰ প্ৰচেষ্টা অব্যাহত থাকিব। নতুন বননীতিৰ

১৮ নং দফালৈ এই সন্দৰ্ভত আঙুলিয়াব পাৰি। জনজাতীয় উপ আঁচনিৰ দৰে অনুসূচীত জাতি সংযোজিত আঁচনিৰ ক্ষেত্ৰতো সামাজিক বনানিকৰণৰ যোগেদি অনুসূচীত জাতি অধ্যুষিত অঞ্চলত কৰ্ম্ম সংস্থাপন আৰু আন অত্যাৱশ্যকীয় সা-সুবিধা আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। নতুন বননীতিৰ ২৪ নং দফা এই সংক্ৰান্তত উল্লেখনীয়।

## সংক্ষিপ্ত (ABSTRACT)

| | স্বাভাৱিক | পৰিকল্পনা | মুঠ |
|---|---|---|---|
| ১। সাধাৰণ এলেকা : | ২৬,৪৭,৩৮,০০০ | ২০,৭৬,৫০,০০০ | ৪৭,২৩,৮৮,০০০ |
| ২। পাৰ্ব্বত্য এলেকা : | ৩৬,৪৬,০০০ | ৪,৪৫,০০,০০০ | ৪,৮১,৪৬,০০০ |
| মুঠ : | ২৬,৮৩,৮৪,০০০ | ২৫,২১,৫০,০০০ | ৫২,০৫,৩৪,০০০ |

বনাঞ্চলৰ প্ৰকৃত সংৰক্ষণৰ ওপৰত গোটেই মানবজাতিৰ ভবিষ্যত নিৰ্ভৰ কৰি আছে। আমাৰ বনাঞ্চলৰ বৰ্ত্তমান অৱস্থা মুঠেই আশাপ্ৰদ নহয়। বিগত ৪০ বছৰৰ ধংসযজ্ঞৰ পিছত এতিয়া আমি আমাৰ অস্তিত্বৰ কাৰণে যুঁজিব লগা হৈছে আৰু এই প্ৰয়াসৰ কাৰণে আমাৰ বৰ্ত্তমানৰ মঞ্জুৰীৰ দাবী কোনো প্ৰকাৰে অতিৰিক্ত নহয়, দৰাচলতে এই দাবী নিচেই কমকৈ ধৰা আছে, কাৰণ আমাৰ ৰাজ্যৰ আৰ্থিক দিশটো ভাল নহয়।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকন্দপান ডাঙৰীয়াই দৰং জিলাৰ সংক্ৰান্তত যিখিনি কথা উত্থাপন কৰিছে সেইখিনি মই বিভাগৰ লগত পৰ্য্যালোচনা কৰি চাম। ওৰাং, মানাহকে আদি কৰি যিবোৰ সংৰক্ষিত বনাঞ্চল আছে তাৰ বিষয়টো তেখেত সকলৰ পৰামৰ্শৰ ভিত্তিতে বিবেচনা কৰি চাবলৈ চেষ্টা কৰিম। মাননীয় সদস্য সকলে দিয়া দিহা পৰামৰ্শবোৰ কাৰ্য্য কৰি কৰিবলৈ আমি যৎপৰোনাস্তি চেষ্টা কৰিম আৰু কৰিছো যে আজি যি দাবী মঞ্জুৰী বিচৰা হৈছে তাত তেখেত সকলে পূৰ্ণ সমৰ্থন জনাব আৰু তেখেত সকলে উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱটো উঠাই লব। ইয়াকে আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

Shri Binai Khungur Basumatari : Sir, in the Hon'ble Chief Minister's statement, he has clarified that the allocation for the tribal sub-plan is made for the benefit of the tribals. The entire amount of Rs. 2,06.00 lakhs and odd has been shown against the salaries. I think it is a mistake. If it

is so will the Hon'ble Chief Minister ensure that in future tribal sub-plan allocations are not shown in this manner ? Next sir, Chief Minister has said that those who have encroached on forest lands, they are all anti-nationals. Then why he has not identified those people ? It shows he has weakness for those people. Then about my tribal status :—this nose, the colour of skin, the type of built and the food & eat is God given. The Hon'ble Chief Minister, on ever the President or Prime Minister of India cannot change me. Only the Almighty God can change my tribal status.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যি সকলে ৰাষ্ট্ৰৰ নীতিৰ বিৰুদ্ধে কাম কৰিছে বা ৰাষ্ট্ৰীয় নীতিৰ বিৰুদ্ধে গৈছে সেই সকলৰ কথাহে কৈছো। চৰকাৰে গ্ৰহণ কৰা নতুন বন নীতিৰ অধীনত নতুনকৈ আৰু কোনো বে-দখল বনাঞ্চলত হবলৈ দিয়া নহব। আশাকৰো সংশ্লিষ্ট সকলো ৰাষ্ট্ৰনীতিৰ বিৰুদ্ধে কাম-কাজৰ পৰা আঁতৰত থাকিব।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰীৰ পৰা মই এটা স্পষ্টীকৰণ বিচাৰিছো যে তদন্তৰ যি ৰিপোৰ্ট দাখিল কৰা হ'ল তাৰ ভিত্তিতেই ব্যৱস্থা লবৰ কাৰণে আশ্বাস দিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তদন্ত কমিটীৰ প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰিহে ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, কচুগাওঁৰ টাইগাৰ প্ৰজেক্টটো এতিয়া কি অৱস্থাত আছে মুখ্যমন্ত্ৰীয়ে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো এতিয়াও সিদ্ধান্ত হোৱা নাই। হলে জনাব পাৰিম।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰীৰ নিয়োগ নীতি সম্পৰ্কে পতিয়ন যাব পৰা নাই। নিয়োগ নীতিৰ ক্ষেত্ৰত তেখেত সকলে যি খেলিমেলি লগালে সেইটো লাগিয়েই আছে। টাইগাৰ প্ৰজেক্টৰ লেবাৰ নিয়োগৰ ক্ষেত্ৰত যি আবেদন বিচৰা হৈছিল সেইবোৰ গাপ দি থৈ এতিয়া আকৌ নতুনকৈ নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ পৰা নতুন আবেদন বিচাৰিছে। বনাঞ্চলৰ কেইটা ল'ৰা-ছোৱালীৰ নাম নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীভুক্ত হৈ আছে ?

দেখা গৈছে যি আচলতে চাকৰি পাব লাগিছিল সি নেপাব। নতুনকৈ দৰ্খাস্ত কি কাৰণে আহ্বান কৰা হ'ল মুখ্যমন্ত্ৰীয়ে পুনৰবাৰ বিবেচনা কৰি চাবনে? আৰু ভাৰপ্ৰাপ্ত বিধায়ক সকলে দূৰ্গম অঞ্চলত শ্লিপ দি প্ৰাৰ্থী নিযুক্তি দিয়াৰ ব্যৱস্থা নাই কাৰণেই এই নতুন পলিচি লোৱা হৈছে নেকি? কিয়নো ইয়াৰ ফলত বনাঞ্চলত বাস কৰা পাবলগীয়া ল'ৰা-ছোৱালীবোৰে ন্যায্য প্ৰাপ্তিৰপৰা বঞ্চিত হব। কাৰ হেঁচাত মুখ্যমন্ত্ৰীয়ে এইটো সিদ্ধান্ত লবলগীয়া হ'ল জনাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই অভিযোগটো বহুত পলমকৈহে মোৰ দৃষ্টিগোচৰ হৈছে। বন্য প্ৰাণীৰ মুখ্য বন সংৰক্ষকক এই কথাটো পৰ্য্যালোচনা কৰি চাবলৈ কোৱা হৈছে। সামাজিক বনানিকৰণ বিভাগত জিলা ভিত্তিত নিয়োগ কৰিবলৈ কোৱা হৈছে।

শ্ৰীহেমেন দাস: মাননীয় অধ্যক্ষ মহোদয়, হেঁচাটো কম কৰাৰ কাৰণে কৈ, মই উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱটো মই উঠাই লৈছো।

Hon'ble Speaker: The motion is that a sum of Rs. 39,04,00,000 be granted to the Minister-in-charge to complete the sum of Rs. 52,00,35,000 necessary to defray the charges which will come in course of payment during the year ending 31st March, 1989 for the administration of Forests.

(The Motion is passed in voice vote).

Mr. Speaker: Now Grant No. 63. Hon'ble Minister, Flood Control to move.

শ্ৰীছামছিং হাঞ্চে, (বান নিয়ন্ত্ৰণ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালচোৱাত 'বান নিয়ন্ত্ৰণ' সম্পৰ্কীয় শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ৫০,৮২,৬৮,০০০ পৰিমাণৰ টকা সম্পূৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৩৮,১২,০১,০০০ টকা মঞ্জুৰ কৰা হওঁক।

মাননীয় অধ্যক্ষ: এই মঞ্জুৰীটোৰ ওপৰত ৭টা কৰ্ত্তন প্ৰস্তাৱ আছে। এতিয়া মই মাননীয় সদস্য সকলক এজন এজনকৈ প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো। এতিয়া শ্ৰীআমিনুল ইচলাম।

শ্ৰীআমিনুল ইচলাম: অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ দশম অংশৰ ১-৩০ পৃষ্ঠাত থকা বান

নিয়ন্ত্রণ শিতানৰ ৬৩ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ৫০,৮২,৬৮,০০০ টকা এটকালৈ হ্রাস কৰা হওঁক অৰ্থাৎ সমূদায় মঞ্জুৰীৰ ৫০,৮২,৬৮,০০০ টকা এটকালৈ হ্রাস কৰা হওঁক।

Mr. Speaker : Now Hon'ble Binai Khungur Basumatari.

Shri Binai Khungur Basumatari : Mr. Speaker, Sir, I beg to move that the total provision of Rs. 50,82,68,000 under Grant No. 63 in respect of "Flood control" at Pages 1-30 of volume II, part x of the Budget be reduced by Re. 1.00 i.e. the amount of the whole grant of Rs. 50,82,68,000 do stand reduced by Re. 1.00

Mr. Speaker : Now, Shri Mosiruddin Saikh.

Shri Mosir Uddin Saikh : Mr. Speaker, Sir, I beg to move that the total provision of Rs. 50,82,68,000 under Grant No. 63 in respect of "Flood Control" at pages 1-30 Volume II, part x of the Budget be reduced by Rs. 100.00 i.e. the amount of the whole grant of Rs. 50,82,68,000 do stand reduced by Rs. 100.00

Mr. Speaker : Now Mr. Muktar Hussain.

Sri Muktar Hussain : Mr. Speaker, Sir, I beg to move that the total provision of Rs. 50,82,68,000 under Grant No. 63 in respect of "Flood Control" at pages 1-30 Volume II, Part x of the Budget be reduced by Re. 1.00 i.e. the amount of the whole grant of Rs. 50,82,68,000 do stand reduced by Re. 1.00.

Mr. Speaker : Now Shri Amrit Lal Basumatari.

Shri Amrit Lal Basumatari : Sir. I beg to move that the total provision of Rs. 50,82,68,000 under Grant No. 63 in respect of "Flood Control" at pages 1-30 of Volume II, Part x of the Budget be reduced by Rs. 100.00 i.e., the amount of the whole grant of Rs. 50,82,68,000 do stand

reduced by 100.00.

Mr. Speaker : Now Mr. Ramendra De.

Shri Ramendra De : Mr. Speaker, Sir, I beg to move that the total provision of Rs. 50,82,68,000 under Grant No. 63 in respect of "Flood Control" at pages 1-30, of Volume II, Part x of the Budget be reduced by Rs. 100.00 i.e., the amount of the whole grant of Rs. 50,82,68,000 do stand reduced by Rs. 100.00.

Mr. Speaker : Now Mr. Charan Narzary. But he is absent. Now Mr. Aminul Islam will speak.

শ্ৰীআমিনুল ইচলাম : মাননীয় অধ্যক্ষ মহোদয়, মোৰ কৰ্তন প্ৰস্তাৱটোৰ সমৰ্থনত মই কবলৈ আগবাঢ়িছো। অসমৰ বান নিয়ন্ত্ৰণ ব্যৱস্থাৰ যুগ যুগ ধৰি অসমৰ ৰাইজে অসম চৰকাৰৰ প্ৰতি দাবী কৰি আহিছে যে বান নিয়ন্ত্ৰণ কৰা হওঁক। অসমৰ ৰাইজে বাৰে বাৰে কৈ আহিছে যে অসমৰ ৰাইজক বানপানীৰ ধ্বংসলীলাৰ পৰা বচাওঁক, অসমৰ খেতিপথাৰ বানপানীৰ পৰা বচাওঁক, বানপানীৰ পৰা ৰক্ষা কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰক— এই দাবী বিভিন্ন সময়ত যি দলৰে চৰকাৰ নাহক কিয় অসমৰ ৰাইজে সেই দলৰ চৰকাৰৰ প্ৰতি কৰি আহিছে। বান নিয়ন্ত্ৰণৰ নামত বিভিন্ন সময়ত বিভিন্ন চৰকাৰে যথেষ্ট টকা খৰছ কৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত আমাৰ ৰাইজে যি ধৰণৰ সকাহ বিচাৰিছিল সেই ধৰণৰ সকাহ নাপালে। বান নিয়ন্ত্ৰণৰ নামত ৰাইজৰ এটা ধাৰণা হৈছে যে কোটি কোটি টকা নষ্ট কৰি পেলোৱা হৈছে। বান নিয়ন্ত্ৰণৰ কাৰণে চৰকাৰে কোনো বাস্তৱ ধৰণৰ দৃষ্টিভঙ্গী বা আঁচনি গ্ৰহণ নকৰাৰ ফলত যিমান বিলাক টকা পইছা খৰছ কৰা হ'ল তাৰ পৰা ৰাইজৰ কোনো লাভ নহ'ল বা অসমৰ কোনো লাভ নহ'ল আৰু অসমত কোনো বান নিয়ন্ত্ৰণ ব্যৱস্থা নহ'ল। এই যিবিলাক টকা পইছা খৰছ কৰা হ'ল এইবিলাকৰ বেছিভাগেই আত্মসাৎ কৰা বুলি অভিযোগ উঠিছে। এই অভি-যোগ মতে একশ্ৰেণীৰ বিষয়া কৰ্মচাৰী বা ঠিকাদাৰসকলে কিছুমান ৰাজনৈতিক নেতাৰ উদ্‌গনিত এই টকাবিলাক আত্মসাৎ কৰিছে। এই অভিযোগ ৰাইজে সদায়ে দি আহিছে। ৰাইজৰ এই অভিযোগ বিলাক যিহেতু পৰীক্ষা-নিৰীক্ষা কৰি চোৱা হোৱা নাই গতিকেই বিভাগটো দুৰ্নীতিগ্ৰস্ত হৈছে বুলি প্ৰমানিত

হৈছে। অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো যে অসমত ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ কৰিবলৈ হলে ব্ৰহ্মপুত্ৰৰ লগতে উপনৈ সমূহো নিয়ন্ত্ৰণ কৰিব লাগিব। যিহেতু অসমখন অৰ্থ নৈতিকভাৱে দুৰ্ব্বল সেইকাৰণে অসম চৰকাৰৰ ক্ষমতাৰ ভিতৰত নিয়ন্ত্ৰণ কৰা সম্ভৱ নহয়, ইয়াত কেন্দ্ৰীয় চৰকাৰৰ সহায় সহযোগো প্ৰয়োজন আছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে আমাৰ দাবী মানি লোৱা নাই, কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী কৰি থকা স্বত্বেও আমাৰ প্ৰাপ্যখিনি দিয়া নাই। কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰণে যি গুৰুত্ব দিব লাগিছিল সেই গুৰুত্ব দিয়া নাই এই অভিযোগ কেন্দ্ৰীয় চৰকাৰৰ ওপৰত কৰি বা তেওঁলোকক দোষাৰোপ কৰি আমি সন্তুষ্ট থাকিলে অসমৰ ৰাইজৰ কি লাভ হব? মোৰ বোধেৰে, অসম চৰকাৰে নিজৰ অৰ্থনৈতিক শক্তিৰে এনেকুৱা কিছুমান পৰিকল্পনা গ্ৰহণ কৰিব লাগে যিবিলাক পৰিকল্পনাৰ জৰিয়তে লাহে লাহে আমি বাস্তৱ পদক্ষেপ গ্ৰহণ কৰিব পাৰো এই বাস্তৱ পদক্ষেপ হলে কিছুপৰিমানে হলেও আমি কিছু অংশ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হম। প্ৰকৃতপক্ষে অসমৰ বানপানী আমাৰ কাৰণে সমস্যা বা অভিযোগ নাছিল ইয়াৰ লগত গঢ়াখহনীয়া নাথাকিলে........

## RULING FROM THE CHAIR

Mr Speaker : আপুনি এতিয়া বহক, আপুনি কালি কব। Now I will give ruling on two important matters.

The Hon'ble members of the House may kindly recall that when the Hon'ble Member Shri Zoii Nath Sarma raised a motion of breach of privilege against the Editor, Reporter and Publisher of 'Dainik Asom' on 29th March, 1988 for publishing a distorted version of the proceedings of the House dated 17th March containing statement made by the Hon'ble Home Minister and I reserved my ruling. I have carefully gone through the news item and found that in the beginning of the news item there has been some inaccuracy but if the news item is read as a whole it will appear that the reporter has given a clear picture of the proceedings of the House at page 2 of the paper.

Although there seems to be a slight wrong reporting in the beginning of the news but at the end of page 2 of the paper the proceeding of the House appears to be in order.

In view of the prevailing Parliamentary Practices, Publishing a slight incorrect proceedings due to pandemonium in the House cannot by itself be a breach of privilege and contempt of the House unless it is coupled with the motive of directly or indirectly bringing such House into odium, contempt or ridicule. In the instant case no motive on the part of the Editor/Reporter can be easily inferred. Therefore, there seems to be no question of breach of privilege. Accordingly, I disallow the notice.

I have also reserved my ruling on the privilege mo tion moved by Hon'ble member Shri K. C. Gogoi and others against the newspaper 'Agradoot' for the alleged publication of a false, fabricated and distorted statement in its issue dated 20.3.88. I have gone through the news item and the notice of complaint but I do not find any name of members making any statement or speech inside the House which has been fabricated by the newspaper nor has there been any complaint against the publication of distorted version of the proceedings. The expression 'Statement' is therefore, without the name of the Member who has made such a statement and which was fabricated. All that I have found is that the news item has made a reference to the behaviour of some Hon'ble members belonging to Congress (I) Legislature Party inside the House whose names are mentioned in the paper viz: Shri K. C. Gogoi, Shri Slivius Condpan, Shri Rameswar Dhanowar

Shri Abdul Muqtadir Chaudhury, Smti. Amiya Gogoi etc., while sitting in their seats. If the news item contained distorted version of a statement or a speech or proceedings of the House, then it would have been possible to make out a case of breach of privilege. But it is not possible to make out a case of breach of privilege on the basis of a personal inference of the paper.

In view of the prevailing parliamentary practice, there is neither a question of breach of privilege nor a breach of propriety. Accordingly, I disallow the notice of the breach of privilege.

( Adjourment at 1-34 P. M. )

## ADJOURNMENT

The House then rose at 1-34 P. M. and stood adjourned till 9 A. M. on Thursday, the 21st April, 1988

DR. P. N. HAZARIKA

Secretary,

Assam Legislative Assembly.

DISPUR :

The 20th April, 1988.

# অনুবন্ধ—১

## তৰাচিহ্নিত প্ৰশ্ন নং ঃ ৩৪৭

চাৰিআলি সংমণ্ডলত ১৯৮৭-৮৮ চনত মঞ্জুৰী দিয়া পথৰ তালিকা ঃ

| পথৰ নাম | প্ৰাককলনৰ মূল্য | ৩১।৩।৮৮ তাৰিখলৈ হোৱা খৰছৰ পৰিমাণ। |
|---|---|---|
| ১) জামুগুৰি পানপুৰ পথ— | ০.৪৭ লাখ— | ০.৪৩৪ লাখ |
| ২) কৰতি পছুচোৱা পথ— | ০.১০ লাখ— | ০.১৯৬ লাখ |
| ৩) চিলনী পাম ভাইভা বচন পথ (পকীকৰণ) | — — — | ১.৫০০ লাখ |
| ৪) ইটাখোলা নাগ শংকৰ পথ (পকীকৰণ) | — — | ১.৫০০ লাখ |
| ৫) লক্ষ্মীনাথ বেজবৰুৱা পথ | — ৩.৮০ লাখ— | ২.৬৭৯ লাখ |
| ৬) মিলাধাৰি কাটেকীয়াল পথ— | ০.০৬ লাখ— | ০.০৫৪ লাখ |
| ৭) মৰল গাওঁ পথ— | ০.০৮ লাখ— | ০.০৮২ লাখ |
| ৮) চাৰিআলি বৰপুখুৰী পথ— | ০.৪৫ লাখ— | ০.২৪০ লাখ |
| ৯) তিলোঙা জয়গিৰি পথ | — ০.৬৫ লাখ— | ০.৪৯২ লাখ |
| ১০) বিৰিজান পথ— | ০.২৫ লাখ— | ০.১৬৩ লাখ |
| ১১) তিনিসুতি জিনজিয়া পথ | — ০.২১ লাখ— | ০.২০০ লাখ |
| ১২) সুতাৰ গাওঁ সুৰীয়া গাওঁ পথ— | ৫.৪৭ লাখ— | ০.৫৬২ লাখ |
| ১৩) দলগুৰি সোৱনশিৰি পথ | — ১৩.৪৮ লাখ— | ৫.৫৬৫ লাখ |
| ১৪) যুৰীয়া গাওঁ পথ | — ০.৪৯ লাখ— | ০.০৩০ লাখ |
| ১৫) কলাবাৰী কামদেৱাল পথ— | ২.৬২ লাখ— | ২.২৮০ লাখ |
| ১৬) বামুন গাওঁ সংযোগ পথ— | ০.০৫ লাখ— | ০.০৫০ লাখ |
